সপ্তম খণ্ড, অষ্টম সংখ্যা

১৬-৩১ অক্টোবৰ, ২০২৬

বিনামূলীয়া বিতৰণৰ বাবে

# নিউ ইণ্ডিয়া সমাচাৰ

আমাক অনুসৰণ কৰক @NISPIBIndia














ৰাষ্ট্ৰীয় একতা দিৱস বিশেষ

## ‘এক ভাৰত’ৰ শক্তি

## ‘শ্ৰেষ্ঠ ভাৰত’ৰ বাবে সংকল্প

এই বছৰটো চৰ্দাৰ বল্লভভাই পেটেলৰ ১৫০ সংখ্যক জন্ম বাৰ্ষিকী উদযাপনৰ সামৰণি বছৰ হ’বলৈ আগবঢ়াৰ লগে লগে ‘এক ভাৰত-শ্ৰেষ্ঠ ভাৰত’ৰ মনোভাৱে সাংস্কৃতিক সংযোগ গঢ়ি তোলাৰ উপৰিও ই ভাৰতৰ নীতি- দৃষ্টিভংগীৰ অবিচ্ছেদ্য অংগ হৈ পৰিছে। যোৱা ১১ বছৰত সংহত ব্যৱস্থাসমূহে জীৱন সহজ কৰি তুলিছে, নাগৰিকক সৰলীকৰণ কৰিছে, আৰু এক উমৈহতীয়া ভাৰতীয় পৰিচয়ক অধিক শক্তিশালী কৰি তুলিছে।





# সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ 'শূন্য সহনশীলতা' নীতি

'মন কী বাত' কাৰ্যসূচীয়ে দেশৰ নাগৰিকসকলৰ ইতিবাচক প্ৰচেষ্টাক ৰাজহুৱা ক্ষেত্ৰলৈ আগবঢ়াই লৈ অনাই নহয়, ৰাষ্ট্ৰখনৰ সাফল্যৰ ওপৰতো আলোকপাত কৰে। এই মঞ্চত যেতিয়া এই কৃতিত্বসমূহৰ বিষয়ে আলোচনা কৰা হয়, তেতিয়া সমগ্ৰ দেশৰ মানুহে ইয়াৰ পৰা প্ৰেৰণা লাভ কৰে। ২৭ ছেপ্টেম্বৰত সম্প্ৰচাৰিত হোৱা 'মন কী বাত'ৰ ১৩৮ সংখ্যক খণ্ডত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ছাৰ্জিকেল ষ্ট্ৰাইক, ডিজিটেল লোকপিয়ল, ভাৰতীয় সংস্কৃতি, প্ৰাচীন মঠ-মন্দিৰ, পৰিষ্কাৰ-পৰিচ্ছন্নতা, পৰিৱেশ সংৰক্ষণ, ড্ৰাগছ বিৰোধী অভিযান, ক্ৰীড়া, অ'ডিঅ'পি (এখন জিলা এটা সামগ্ৰী), আৰু পুষ্টি আদি উল্লেখযোগ্য বিষয়সমূহৰ সন্দৰ্ভত আলোচনা কৰে। ইয়াত অনুষ্ঠানটিৰ পৰা সম্পাদিত কিছু অংশ আগবঢ়োৱা হ'ল...

- **ছাৰ্জিকেল ষ্ট্ৰাইক:** দহ বছৰৰ পূৰ্বে, ২০১৬ চনৰ ২৮-২৯ ছেপ্টেম্বৰত ভাৰতীয় সেনাই পাকিস্তানত থকা সন্ত্ৰাসবাদীৰ ঘাটিসমূহত ছাৰ্জিকেল ষ্ট্ৰাইক চলাইছিল। আমাৰ সাহসী সৈনিকসকলে সন্ত্ৰাসবাদৰ বিৰুদ্ধে অভিযান চলাবলৈ নিয়ন্ত্ৰণ ৰেখা (LoC) পাৰ হৈ যি ধৰণেৰে কাৰ্যসূচী গ্ৰহণ কৰিছিল, সেয়াদেখি সমগ্ৰ বিশ্বই বিস্ময় প্ৰকাশ কৰিছিল।

- **এটা উপযুক্ত উত্তৰ:** যোৱা এটা দশকত- বালাকোট এয়াৰষ্ট্ৰাইকৰ পৰা 'অপাৰেচন সেন্দূৰ'লৈকে-ভাৰতে বাৰে বাৰে এটা স্পষ্ট বাৰ্তা প্ৰেৰণ কৰিছে যে ভাৰতৰ বিৰুদ্ধে চলোৱা সন্ত্ৰাসবাদীৰ যিকোনো আগ্ৰাসনৰ উপযুক্ত প্ৰত্যুত্তৰ প্ৰদান কৰা হ'ব।

- **"শূন্য সহনশীলতা' নীতি:** আধুনিক ভাৰতে 'সন্ত্ৰাসবাদৰ প্ৰতি শূন্য সহনশীলতা নীতি গ্ৰহণ কৰে, আৰু আমি এই দৃষ্টিভংগীৰ ফলাফল প্ৰত্যক্ষ কৰি আছো।

- **ৰাম জন্মভূমি আন্দোলন:** বিশ্ব হিন্দু পৰিষদৰ প্ৰাক্তন আন্তঃৰাষ্ট্ৰীয় কাৰ্যকৰী সভাপতি, শ্ৰদ্ধেয় প্ৰয়াত অশোক সিংহলে ৰাম জন্মভূমি আন্দোলনক যি নেতৃত্ব আৰু শক্তি প্ৰদান কৰিছিল, তাৰ পৰিণতিতে আজি আমি অযোধ্যাত এই মহিমান্বিত মন্দিৰটো দেখা পাবলৈ সক্ষম হৈছোঁ।

- **প্ৰথম সৌৰশক্তিচালিত গাঁও ঃ** মধেৰা এতিয়া কেৱল সূৰ্য্য মন্দিৰৰ বাবেই পৰিচিত নহয়, গুজৰাটৰ এই গাঁওখন এতিয়া দেশৰ প্ৰথম সৌৰশক্তিচালিত গাঁও হিচাপে পৰিগণিত হৈছে। আজি মধেৰা সম্পূৰ্ণৰূপে সৌৰশক্তিৰ ওপৰত নিৰ্ভৰশীল আৰু দেশৰ বাবে বহনক্ষমতাৰ এক উৎকৃষ্ট উদাহৰণ হিচাপে পৰিচিত হৈছে।

- **নতুন সম্ভাৱনা:** উত্তৰ প্ৰদেশৰ প্ৰতাপগড়ত আমলখিয়ে নতুন সুযোগৰ সৃষ্টি কৰিছে। 'এখন জিলা, এটা সামগ্ৰী' উদ্যোগৰ জৰিয়তে আমলখিৰ সৈতে জড়িত স্থানীয় উদ্যোগসমূহে এক নতুন গতি লাভ কৰিছে। আজি প্ৰতাপগড়ত আমলখি সংসাধনৰ সৈতে জড়িত প্ৰায় ১০০টা ইউনিট কাৰ্যক্ষম হৈ আছে।

- **পুষ্টিকৰ ছজিনা (মৰিংগা):** ছত্তীশগড়ত আৰম্ভ হৈছে 'হৰ ঘৰ মুংগা- ঘৰ-ঘৰ মুংগা' (প্ৰতিটো ঘৰতে মৰিংগা) অভিযান। ইয়াৰ জৰিয়তে মানুহক পুষ্টিকৰ ছজিনা বা মৰিংগাক খাদ্য তালিকাত অন্তৰ্ভুক্ত কৰিবলৈ উৎসাহিত কৰা হৈছে।

- **অষ্টবিনায়ক যাত্ৰা:** পপ্তৌন থিৰখাননৰ প্ৰচেষ্টাৰ ফলত থাইলেণ্ডৰ ভক্তসকলৰ মাজত অষ্টবিনায়ক যাত্ৰা জনপ্ৰিয় হৈ পৰিছে। ২০০২ চনত তেওঁ উত্তৰ থাইলেণ্ডৰ চিয়াং মাইত গণেশ হিমাল মিউজিয়াম প্ৰতিষ্ঠা কৰে; আজি এই সংগ্ৰহালয়টোত ভগৱান গণেশৰ ১০,০০০ৰো অধিক মূৰ্তি সংৰক্ষিতহৈ আছে।

- **নিচা মুক্ত অভিযানঃ** নিচা মুক্তি যুৱ অভিযান' (ড্ৰাগছ মুক্ত যুৱ অভিযানয়)ৰ অধীনত সমগ্ৰ দেশৰ লাখ লাখ যুৱকে নিচা জাতীয় দ্ৰব্য সেৱনৰ বিৰুদ্ধে উল্লেখযোগ্য অংগীকাৰ গ্ৰহণ কৰিছে। তেওঁলোকে নিজে ড্ৰাগছৰ পৰা আঁতৰি থকাৰ প্ৰতিজ্ঞা কৰাৰ লগতে এই বাৰ্তা আনকো প্ৰচাৰ কৰাৰ দায়িত্বও গ্ৰহণ কৰিছে।

- **এটা প্ৰেৰণাদায়ক উদাহৰণ:** প্ৰকৃতিৰ সৈতে আমাৰ সম্পৰ্ক কেৱল ইয়াক সংৰক্ষণ কৰাতে সীমাবদ্ধ নহয়। যেতিয়া আমি প্ৰকৃতিৰ যত্ন লওঁ তেতিয়া ই প্ৰায়ে আমাৰ নিজৰ জীৱনৰ সহায়ক উৎস হৈ পৰে। পশ্চিম বংগৰ সুন্দৰবনত একাংশ মহিলাই এই স্নেহ-বন্ধনৰ প্ৰেৰণাদায়ক নিদৰ্শন দাঙি ধৰিছে।

- **হাতীৰ জাক:** অসমত অৱস্থিত সোণাই-ৰূপাই বন্যপ্ৰাণী অভয়াৰণ্যলৈ হাতীৰ জাক পুনৰ উভতি আহিছে। যি অঞ্চলত বছৰ বছৰ ধৰি হাতীৰ কোনো উপস্থিতিৰ চিন দেখা পোৱা নগৈছিল, সেই অঞ্চলত এতিয়া পুনৰ হাতীৰ জাক দেখা পোৱা গৈছে।

*'মন কী বাত' শুনিবলৈ কিউ আৰ ক'ড স্কেন কৰক।*

নিউ ইণ্ডিয়া
সমাচাৰ
৭ম বৰ্ষ, সংখ্যা ৮, অক্টোবৰ ১৬-৩১, ২০২৬

মুখ্য সম্পাদক
**ধীৰেন্দ্ৰ ওঝা**
মুখ্য সঞ্চালক প্ৰধান
প্ৰেছ ইনফৰ্মেশ্যন ব্যুৰো, নতুন দিল্লী

জ্যেষ্ঠ পৰামৰ্শদাতা সম্পাদক
**সন্তোষ কুমাৰ**

জ্যেষ্ঠ সহকাৰী পৰামৰ্শদাতা সম্পাদক
**পৱন কুমাৰ**

সহকাৰী পৰামৰ্শদাতা সম্পাদক
**অখিলেশ কুমাৰ**
**চন্দন কুমাৰ চৌধুৰী**

ভাষা সম্পাদক
**সুমিত কুমাৰ (ইংৰাজী)**
**ৰজনীশ মিশ্ৰ (ইংৰাজী)**
**নাদীম আহমেদ (উৰ্দু)**

জ্যেষ্ঠ ডিজাইনাৰ
**ফুল চন্দ তিৱাৰী**

ডিজাইনাৰ
**সত্যম সিং**
**অনিল কুমাৰ**




১৩টা ভাষাত উপলব্ধ নিউ ইণ্ডিয়া সমাচাৰ পঢ়িবলৈ ক্লিক কৰক
https: //newindiasamachar.pib.gov.in/news.aspx

নিউ ইণ্ডিয়া সমাচাৰৰ আৰ্কাইভ সংস্কৰণবোৰ পঢ়িবলৈ ক্লিক কৰক
https://newindiasamachar.pib.gov.in.archive.aspx

'নিউ ইণ্ডিয়া সমাচাৰ'ৰ নিয়মীয়া আপডেটৰ বাবে টুইটাৰ @NISPIBIndia ত অনুসৰণ কৰক

# ভিতৰৰ পৃষ্ঠাসমূহত...



National Unity Day Special
Cover Story

**এক ভাৰত-শ্ৰেষ্ঠ ভাৰত**

## সাংস্কৃতিক সংহতকৰণৰ পৰা ব্যৱস্থাসমূহৰ একত্ৰীকৰণলৈ

একতা হৈছে সেই শক্তিশালী ভেটি যাৰ ওপৰত এখন দেশ আৰু সমাজ প্ৰতিষ্ঠিত হয়। ২০১৫ চনৰ ৩১ অক্টোবৰত-চৰ্দাৰ বল্লভভাই পেটেলৰ জন্ম বাৰ্ষিকীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গুজৰাটৰ কেৱড়িয়াৰ পবিত্ৰ ভূমিৰ পৰা 'এক ভাৰত-শ্ৰেষ্ঠ ভাৰত' পদক্ষেপৰ শুভাৰম্ভ কৰিছিল। চৰ্দাৰ পেটেলে যি দৃষ্টিভংগীৰে এক ৰাষ্ট্ৰৰ অধীনত প্ৰায় ৫৫০খন ৰাজবংশৰ দ্বাৰা শাসিত ৰাজ্যক একত্ৰিত কৰিছিল, তাৰ পৰা অনুপ্ৰাণিত হৈ ৰব বছৰ পূৰ্বে আৰম্ভ কৰা 'এক ভাৰত-শ্ৰেষ্ঠ ভাৰত' পদক্ষেপে এতিয়া কৰ, ৰেচন, পেঞ্চন, সংবিধান, পৰীক্ষা, আৰু গৱেষণা আদিকে ধৰি কেইবা ডজন ব্যৱস্থাৰ এটাকৈ বাট মুকলি কৰি "এক ৰাষ্ট্ৰ, এক ব্যৱস্থা"ৰ কাঠামোৰ স্তম্ভ হিচাপে কাম কৰি আহিছে... |১০-২৭

**ছেমিকন ইণ্ডিয়া ২০২৬**

**ছেমিকণ্ডাক্টৰে উদ্ভাৱন, বিনিয়োগ আৰু বিকাশৰ বাবে নতুন সম্ভাৱনাৰ দুৱাৰ মুকলি কৰিছে**

প্ৰধানমন্ত্ৰী মোদীয়ে ভাৰত আৰু বিদেশৰ প্ৰতিভাৱান যুৱক-যুৱতীসকলক আধুনিক প্ৰযুক্তি বিকাশৰ ক্ষেত্ৰত অংশীদাৰ হ'বলৈ আহ্বান জনায় |৩২-৩৩




সংক্ষিপ্ত সংবাদ |৪-৫

ব্যক্তিত্ব: কোমাৰাম ভীম
"জল, জংঘল, জমীন" শ্লোগান দিয়া ব্যক্তি গৰাকী |৬

ৰবি শস্যৰ বাবে এমএছপি বৃদ্ধি, সেউজ শক্তি কৰিড'ৰ তৃতীয় পৰ্যায়ত অনুমোদন
কেন্দ্ৰীয় কেবিনেট বৈঠকত লোৱা মূল সিদ্ধান্তসমূহ |২৮-২৯

ভাৰত চৰকাৰে যুৱসমাজক ভৱিষ্যতৰ বাবে প্ৰস্তুত কৰি তুলিছে
৫১,০০০ৰো অধিক নিযুক্তিপত্ৰ বিতৰণ কৰা হৈছে |৩০-৩১

সংযোগ ব্যৱস্থা শক্তিশালী হৈছে... আত্মনিৰ্ভৰ ভাৰতক অধিক শক্তিশালী কৰা হৈছে
'উড়ান'ৰ ১০ বছৰ |৩৪-৩৫

বংগৰ নাৰীসকলৰ সবলীকৰণ
অন্নপূৰ্ণা আঁচনিৰ অধীনত ৩,০০০ টকাৰ চতুৰ্থ কিস্তি মুকলি কৰা হৈছে |৩৬-৩৭

উন্নয়নৰ সমান্তৰালভাৱে পৰিৱেশ সংৰক্ষণ
জলবায়ু পৰিৱৰ্তন বিষয়ক আন্তঃৰাষ্ট্ৰীয় সন্মিলনত প্ৰধানমন্ত্ৰী মোদীৰ ভাষণ |৩৮-৩৯

ৰাজধানীৰ সৈতে সংযোগৰ নতুন গতি
গৃহমন্ত্ৰী অমিত শ্বাহেবোৰাপুল্লা পৰ্যায়-৩ এলিভেটেড কৰিড'ৰ উদ্বোধন কৰে |৪২


**বিশেষ: প্ৰধানমন্ত্ৰীৰ প্ৰবন্ধ**

"শ্ৰী অশোক সিংহলৰ ব্যক্তিত্ব - দৃঢ় সংকল্প আৰু সৰলতাৰ এক অনন্য সমন্বয়।"



অশোক সিংহলৰ জন্মবাৰ্ষিকীত তেওঁৰ জীৱন আৰু আদৰ্শৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি প্ৰধানমন্ত্ৰী মোদীয়ে আগবঢ়াইছে এটি প্ৰবন্ধ |৭-৯

**৭২ সংখ্যক ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা**

**ভাৰতীয় চলচ্চিত্ৰৰ** ভৱিষ্যৎ সম্ভাৱনা



ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে ৭২ সংখ্যক ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা প্ৰদান কৰে |৪০-৪১




**Published:** Kanchan Prasad, Director General, on behalf of Central Bureau of Communication
**Communication Address :** Room No–1077, Soochna Bhawan, CGO Complex, New Delhi -110003.
**E-Mail : response-nis@pib.gov.in, RNI No. :** DELENG/2020/78811

# সম্পাদকৰ মেজৰ পৰা...

## চৰ্দাৰ পেটেলৰ দৃষ্টিভংগীয়ে আঁকোৱালি লৈছে

## ঐক্যৰ ভাৱনা

## ‘এক ভাৰত-শ্ৰেষ্ঠ ভাৰত’ৰ ১১ বছৰ

সৌহাৰ্দ্যপূৰ্ণ শুভেচ্ছা,

এখন দেশৰ ৰাজনৈতিক শক্তিৰ একমাত্ৰ পৰিচায়ক দেশখনৰ মানচিত্ৰ বা ভৌগোলিক সীমাৰেখা নহয়; বৰঞ্চ গভীৰ একাত্মবোধৰ দ্বাৰাই এই শক্তি গঢ় লৈ উঠে আৰু অটুট থাকে। এই দৃঢ় বিশ্বাস ভাৰতৰত্ন চৰ্দাৰ বল্লভভাই পেটেলে স্বাধীনতাৰ ঠিক পিছতেই গ্ৰহণ কৰিছিল, যেতিয়া তেওঁ ৫৫০খনতকৈও অধিক সিঁচৰতি হৈ থকা ৰাজ-শাসিত ৰাজ্যসমূহক একত্ৰিত কৰি এখন ৰাষ্ট্ৰ গঠন কৰিছিল। চৰ্দাৰ পেটেলৰ মতে কেৱল ইতিহাস লিখি সময় নষ্ট কৰা উচিত নহয় বৰঞ্চ ইতিহাস সৃষ্টিৰ বাবে চেষ্টা কৰা উচিত। এই মনোভাবেই তেওঁৰ সিদ্ধান্তবোৰত প্ৰতিফলিত হৈছিল।

চৰ্দাৰ পেটেলৰ বাবে ব্যৱহাৰিক ক্ষেত্ৰত বাস্তৱবাদী, সংকল্পত সত্যনিষ্ঠ, কৰ্মতমানৱতাবাদী আৰু উদ্দেশ্যত ৰাষ্ট্ৰবাদী হিচাপে- ‘এক ভাৰত - শ্ৰেষ্ঠ ভাৰত’ৰ দৃষ্টিভংগী আছিল সবাতোকৈ গুৰুত্বপূৰ্ণ। এই ভাৱনাৰ প্ৰতীক হিচাপে থিয় দিছে- “ষ্টেচু অৱ ইউনিটি”! ঐক্যৰ মূৰ্তি, যিটো সমগ্ৰ দেশৰ কৃষকৰ কৃষি সঁজুলিৰ পৰা সংগ্ৰহ কৰা লোহা ব্যৱহাৰ কৰি নিৰ্মাণ কৰা হৈছিল।

সেই বাৰ্তাটোকে আগবঢ়াই লৈ গৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০১৫ চনৰ ৩১ অক্টোবৰত গুজৰাটৰ কেৱড়িয়াৰ পৰা ‘এক ভাৰত-শ্ৰেষ্ঠ ভাৰত’ৰ দৃষ্টিভংগী বাস্তৱায়িত কৰাৰ সংকল্প গ্ৰহণ কৰিছিল। যোৱা ১১ বছৰত, ধাৰাবাহিকভাৱে গ্ৰহণ কৰা বিভিন্ন নীতিৰ জৰিয়তে এই সংকল্পই বাস্তৱৰূপ লাভ কৰিছে। এটা একত্ৰিত কৰ ব্যৱস্থাই ৰাজ্যসমূহৰ বজাৰসমূহক সংযুক্ত কৰিলে; ‘ৱান ৰেংক ৱান পেঞ্চন’ ব্যৱস্থাই সৈনিকসকলৰ মাজত দশকজুৰি চলি অহা বৈষম্য দূৰ কৰিলে; অনুচ্ছেদ ৩৭০ বাতিল কৰাৰ ফলত জম্মু আৰু কাশ্মীৰকে ধৰি সমগ্ৰ দেশৰ বাবে একে সাংবিধানিক অধিকাৰ প্ৰযোজ্য হ’ল; আৰু সমগ্ৰ দেশতে ভাৰতীয় মান সময়ৰ একে মান অটুট ৰখাটো নিশ্চিত কৰিবলৈ নিয়মাৱলী প্ৰণয়ন কৰা হ’ল। নতুন শিক্ষা নীতিত ভাৰতীয় ভাষাৰ ক্ষেত্ৰত গুৰুত্ব দিয়াৰ লগতে- তামিল, তেলুগু, সংস্কৃত, মালয়ালম, ওড়িয়া আৰু কানাড়া ভাষাৰ উপৰিও মাৰাঠী, বাংলা, অসমীয়া, পালি আৰু প্ৰাকৃত ভাষাক ‘ধ্ৰুপদী ভাষা’ৰ মৰ্যাদা প্ৰদান কৰা কাৰ্য্যই- এই ঐক্যক আৰু অধিক শক্তিশালী কৰে। দ্ৰুতগতিত সম্প্ৰসাৰিত হোৱা ৰেল, বাট-পথ, ঘাইপথ, আৰু ইণ্টাৰনেট নেটৱৰ্কেও গাঁওসমূহক চহৰৰ সৈতে সংযোগ কৰি এই ঐক্যক শক্তিশালী কৰি তুলিছে।

প্ৰতি বছৰৰ দৰে এইবাৰো ৩১ অক্টোবৰত যেতিয়া আমি চৰ্দাৰ পেটেলৰ জন্মবাৰ্ষিকী পালন কৰিবলৈ লৈছোঁ, এই উপলক্ষ কেৱল তেওঁক স্মৰণ কৰাৰ বাবেই নহয়, বৰঞ্চ আমাৰ সংকল্পক পুনৰ দৃঢ় কৰাৰোই এক সুযোগ। ৰাষ্ট্ৰীয় একতা দিৱস উপলক্ষে প্ৰকাশিত আমাৰ এই বিশেষ সংখ্যাৰ প্ৰচ্ছদ নিবন্ধত এঘাৰ বছৰৰ পূৰ্বে আৰম্ভ হোৱা ‘এক ভাৰত-শ্ৰেষ্ঠ ভাৰত’ৰ মনোভাব কেনেদৰে নীতি আৰু প্ৰশাসনিক ব্যৱস্থাসমূহক একত্ৰিত কৰাৰ এক দৃঢ় প্ৰতিশ্ৰুতিত পৰিণত হৈছে, তাকেই উদ্‌ঘাটন কৰিছে।

ব্যক্তিত্ব শিতানত ‘জল, জংঘল, জমীন’ (পানী, বন, ভূমি) শ্লোগান প্ৰথমে উত্থাপন কৰা কোমাৰাম ভীমৰ বিষয়ে পঢ়ি চাওক। ইয়াৰ লগতে কেন্দ্ৰীয় মন্ত্ৰীসভাৰ গুৰুত্বপূৰ্ণ সিদ্ধান্তসমূহৰ এক আভাসো দিয়া হৈছে। এইসংখ্যাত ‘উড়ান’ আঁচনিৰ ১০ বছৰীয়া যাত্ৰাৰ ওপৰত বিশেষ আলোকপাত কৰাৰ লগতে যোৱা পযেকটোত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অংশগ্ৰহণ কৰা বিভিন্ন ৰাজহুৱা অনুষ্ঠানসমূহৰ ওপৰতো আলোকপাত কৰা হৈছে।

ভিতৰৰ পৃষ্ঠাত ‘মন কী বাত’ আৰু পিছফালৰ প্ৰচ্ছদত আজাদ হিন্দ চৰকাৰ প্ৰতিষ্ঠা দিৱস (২১ অক্টোবৰ) উপলক্ষে প্ৰকাশিত বিশেষ লেখা এই সংখ্যাৰ আন দুটা উল্লেখযোগ্য আকৰ্ষণ হৈ পৰিছে।

আপোনাসবৰ পৰামৰ্শ আমালৈ প্ৰেৰণ কৰি থাকিব।

(ধীৰেন্দ্ৰ ওঝা)

হিন্দী, ইংৰাজী আৰু আন ১১টা ভাষাত উপলব্ধ আলোচনীখন পঢ়ক/ডাউনলোড কৰক।
https://newindiasamachar.pib.gov.in/

# মেইল বক্স






**'নিউ ইণ্ডিয়া সমাচাৰ' আলোচনীখন অতি উপযোগী**

মই 'নিউ ইণ্ডিয়া সমাচাৰ'ৰ নিয়মীয়া পাঠক, আৰু ভাৰত চৰকাৰৰ আঁচনি, নীতি, আৰু সাম্প্ৰতিক পৰিস্থিতিৰ বিষয়ে অৱগত হৈ থকাৰ বাবে এই আলোচনীখন অত্যন্ত উপযোগী বুলি বিবেচনা কৰোঁ। ই দেশৰ প্ৰগতিৰ সন্দৰ্ভত মোৰ জ্ঞান বৃদ্ধি কৰে আৰু এজন দায়িত্বশীল নাগৰিক হিচাপে মোৰ ভূমিকাক ভালদৰে বুজিবলৈ আৰু সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিবলৈ অনুপ্ৰাণিত কৰে।

নিৱেশ গোৱেল

goyalnivesh98@gmail.com

**নতুন সংখ্যাটোৰ বাবে আগ্ৰহেৰে অপেক্ষা কৰো**

'নিউ ইণ্ডিয়া সমাচাৰ' আলোচনী পঢ়ি ভাল পাওঁ আৰু ইয়াৰ নতুন সংখ্যাটোলৈ আগ্ৰহেৰে বাট চাই থাকো। প্ৰতিবাৰ পঢ়িলেই ভাৰতৰ সাংস্কৃতিক আৰু ধৰ্মীয় বৈচিত্ৰ্যৰ বিষয়ে অধিক জানিব পাৰোঁ। ইয়াৰ সমান্তৰালকৈ আলোচনীখনে ভাৰতৰ উন্নয়নৰ সম্ভাৱনাক প্ৰদৰ্শন কৰিছে। ইয়াত দেখুওৱা হৈছে যে দেশখনে কেনেকৈ 'বিকশিত ভাৰত ২০৪৭'ৰ লক্ষ্যত উপনীত হ'বলৈ প্ৰতিটো ক্ষেত্ৰতে দ্ৰুতগতিত আগবাঢ়িছে।

shivanshchouhan397@gmail.com

**লক্ষ্য অভিমুখে কৰা আমাৰ যাত্ৰাক উৎসাহিত কৰে**

প্ৰথমবাৰৰ বাবে নিউ ইণ্ডিয়া সমাচাৰ আলোচনীখন প্ৰায় সম্পূৰ্ণৰূপে পঢ়িলো। এতিয়া, পৰৱৰ্তী সংখ্যাৰ বাবে অপেক্ষা কৰিম। ই বহু উপযোগী খবৰ কঢ়িয়াই আনে। ইয়াত দেশখনে নিজৰ লক্ষ্যসমূহ পূৰণৰ দিশত অবিৰতভাৱে আগবঢ়াই নিয়া যাত্ৰাৰ প্ৰতিফলন ঘটিছে। ভাৰত সদায় জ্ঞানৰ কেন্দ্ৰস্থল হিচাপে পৰিগণিত হৈ আহিছে। মোৰ এটা পৰামৰ্শ আছে: সামগ্ৰিক প্ৰগতিৰ শিপা শক্তিশালী কৰিবলৈ শিশুৰ বিকাশ অতি প্ৰয়োজনীয়। গতিকে শিশুৰ বিকাশৰ বিষয়টোৱে এই আলোচনীখনত স্থান লাভ কৰা উচিত, যাতে এই মঞ্চৰ জৰিয়তে ভৱিষ্যতক আৰু অধিক সুৰক্ষিত কৰিব পৰা যায়।

nanda.purnimaa@gmail.com

**বিভিন্ন আঁচনিৰ বিস্তৃত বিৱৰণ**

'নিউ ইণ্ডিয়া সমাচাৰ' আলোচনীখন সাত বছৰ ধৰি প্ৰকাশিত হৈ আছে। ই এখন বহুলভাৱে পঠিত পষেকীয়া আলোচনী। ইয়াত বিভিন্ন আঁচনি, ডাঙৰ প্ৰকল্প, নতুন শিক্ষা নীতি, উল্লেখযোগ্য আইনগত পৰিৱৰ্তন, পৰিৱেশ সংৰক্ষণৰ প্ৰচেষ্টা, আৰু বিশ্ব পৰ্যায়ত শক্তিশালী বাণিজ্যিক সম্পৰ্কৰ সম্পৰ্কে বিশদ তথ্য প্ৰকাশ কৰা হয়। এই আলোচনীখনে মোৰ জ্ঞানৰ পৰিসৰ বহুখিনি বৃদ্ধি কৰিছে।

যোগেশ্বৰ বুৱা

buwayogesh82@gmail.com

Communication Address : Room No–1077, Soochna Bhawan, CGO Complex, New Delhi -110003

E-Mail: response-nis@pib.gov.in

# সংক্ষিপ্ত সংবাদ

## পিএম বিশ্বকৰ্মা আঁচনি

### ৩০ লাখ পঞ্জীয়নভুক্ত কাৰিকৰৰ 'সন্মান, সামৰ্থ্য আৰু সমৃদ্ধি'ৰ তৃতীয় বছৰ







দেশৰ কাৰিকৰসকলৰ সন্মান, সামৰ্থ্য আৰু সমৃদ্ধি বৃদ্ধি কৰাৰ লক্ষ্যৰে আৰম্ভ কৰা প্ৰধানমন্ত্ৰী বিশ্বকৰ্মা আঁচনিয়ে মাত্ৰ প্ৰথম তিনিটা বছৰৰ ভিতৰতে ৩০ লাখৰো অধিক কাৰিকৰক পঞ্জীয়ন কৰি সহায় আগবঢ়াইছে। ২০২৩ চনৰ ১৭ ছেপ্টেম্বৰত আৰম্ভ হোৱাৰ পিছৰে পৰা এই আঁচনিখনে প্ৰায় ২৪.৫০ লাখ ব্যক্তিক মৌলিক দক্ষতা প্ৰশিক্ষণ প্ৰদান কৰিছে। ইয়াৰ উপৰিও ভাৰতীয় ডাকৰ জৰিয়তে ১৮.১৫ লাখ আধুনিক সঁজুলি কিট বিতৰণ কৰা হৈছে।

পিএম বিশ্বকৰ্মা আঁচনিৰ তৃতীয় বৰ্ষপূৰ্তি উপলক্ষে কলকাতাত অনুষ্ঠিত এক অনুষ্ঠানত ভাষণ দি কেন্দ্ৰীয় ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগ মন্ত্ৰী জিতন ৰাম মাঝিয়ে কয় যে ৬.১৮ লাখ বিশ্বকৰ্মা হিতাধিকাৰীক ৫% ৰেহাইমূলক বাৰ্ষিক সুতৰ হাৰত ১ লাখ পৰ্যন্ত ঋণ প্ৰদান কৰা হৈছে, যাৰ পৰিমাণ মুঠ ৫,২৯৭ কোটি। পশ্চিম বংগত এই আঁচনিখন কাৰ্যকৰী কৰাৰ সিদ্ধান্ত লোৱা হৈছিল। সেই অনুসৰি ২০২৬ চনৰ মে' মাহত ৰাজ্যখনত কাৰ্যকৰী কৰা হৈছিল আৰু ইয়াৰ বাবে ৭ লাখৰো অধিক লোকে আবেদন কৰিছিল।

## 'প্ৰজেক্ট চিতা'ৰ পিছত, এতিয়া 'প্ৰজেক্ট ৰাইনো'ৰ শুভাৰম্ভ

অসম হৈছে দেশৰ একমাত্ৰ ৰাজ্য, যি বিশ্বৰ প্ৰায় ৮০% গঁড়ৰ বাসস্থান। সেয়েহে, বিশ্ব গঁড় দিৱস উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অসমৰ কাজিৰঙাত চলোৱা চোৰাং চিকাৰবিৰোধী প্ৰচেষ্টাৰ প্ৰশংসা কৰে আৰু দেশত গঁড় সংৰক্ষণৰ ব্যৱস্থা অধিক শক্তিশালী কৰাৰ উদ্দেশ্যে 'প্ৰজেক্ট ৰাইনো' আৰম্ভ কৰাৰ কথা ঘোষণা কৰে।

'প্ৰজেক্ট ৰাইনো'ৰ অধীনত গঁড়ৰ বাসস্থান থকা ৰাজ্যসমূহক আৰ্থিক আৰু কাৰিকৰী সাহায্য প্ৰদান কৰা হ'ব। এই উদ্যোগৰ অধীনত গঁড়ৰ সুৰক্ষা নিশ্চিত কৰা, সিহঁতৰ বাসস্থান সংৰক্ষণ কৰা, গঁড়ৰ প্ৰজনন উন্নত কৰা আৰু গঁড়ৰ জনসংখ্যাৰ সংখ্যা নিৰীক্ষণ কৰাৰ দৰে কাৰ্যকলাপত গুৰুত্ব দিয়া হ'ব। প্ৰধানমন্ত্ৰী মোদীয়ে উল্লেখ কৰে যে বিহাৰ আৰু পশ্চিম বংগৰ কিছুমান অঞ্চলত পুনৰ গঁড় ঘূৰি আহিছে নাইবা সিহঁতৰ ভালদৰে যত্ন লোৱা হৈছে। উত্তৰ প্ৰদেশৰ দুধৱাত গঁড় পুনৰসংস্থাপনৰ প্ৰচেষ্টাও সফলহৈছে। তেওঁ কয় যে এই সফলতাসমূহে বন্যপ্ৰাণীৰ সুৰক্ষা আৰু অধিক উন্নত যত্নৰ প্ৰতি জনসাধাৰণৰ অব্যাহত নিষ্ঠাকে প্ৰদৰ্শন কৰে।



## বিদেশত নিয়োগ লাভৰ বাবে ভাৰতত দক্ষতা বিকাশ

ভাৰত চৰকাৰে কেৱল দেশত কৰ্মসংস্থাপনৰ সুযোগ সম্প্ৰসাৰণ কৰাই নহয়, বিদেশৰ সুযোগৰ সৈতে প্ৰাসংগিক দক্ষতাৰে যুৱক-যুৱতীসকলক সজ্জিত কৰিছে। দক্ষতা বিকাশ আৰু উদ্যোগীকৰণ মন্ত্ৰালয়ে প্ৰায় ২০খন দেশৰ সৈতে তেওঁলোকৰ নিৰ্দিষ্ট প্ৰয়োজন অনুসৰি দক্ষ চাকৰিৰ ভূমিকা সৃষ্টিৰ বাবে এক প্ৰক্ৰিয়া আৰম্ভ কৰিছে।

২০২৬ চনৰ মে' মাহৰ পৰা নীতি আয়োগৰ এক কাৰ্য্যকৰী দস্তাৱেজ অনুসৰি ভাৰতৰ পৰা প্ৰব্ৰজনকাৰী নাগৰিকৰ সংখ্যা ১ কোটি ৮৫ লাখ। এমএছডিইয়ে অষ্ট্ৰেলিয়া, ডেনমাৰ্ক, ফ্ৰান্স, জাৰ্মানী, জাপান, কাটাৰ, ছিংগাপুৰ, ইউএইকে ধৰি আঠখন দেশৰ সৈতে দক্ষতা আৰু প্ৰশিক্ষণ সহযোগিতাৰ বাবে চুক্তিবদ্ধ হৈছে। ইয়াৰ সমান্তৰালভাৱে, বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে ২২খন প্ৰব্ৰজন আৰু গতিশীলতা চুক্তি স্বাক্ষৰ কৰিছে, যিসমূহত দক্ষতা বিকাশৰ বাবে নিৰ্দিষ্ট ব্যৱস্থা অন্তৰ্ভুক্ত কৰা হৈছে।



## 'মাই ভাৰত'ৰ সৈতে সংযুক্ত ৩ কোটি যুৱক-যুৱতী... অংশগ্ৰহণৰ প্ৰতি এক দৃঢ় প্ৰতিশ্ৰুতি

তিনি বছৰতকৈও কম সময়ৰ ভিতৰত ৩ কোটিতকৈও অধিক যুৱক-যুৱতী 'মাই ভাৰত' (https://mybharat.gov.in/) প্লেটফৰ্মত যোগদান কৰিছে, যিটো যুৱ অংশগ্ৰহণৰ অন্যতম বৃহৎ মঞ্চ। এই সফলতাই নেতৃত্ব, ব্যৱহাৰিক শিক্ষা, স্বেচ্ছাসেৱা, নাগৰিকৰ অংশগ্ৰহণ আৰু ৰাষ্ট্ৰ নিৰ্মাণ সম্পৰ্কীয় সুযোগ-সুবিধাসমূহৰ প্ৰতি যুৱক-যুৱতীসকলৰ ক্ৰমবৰ্ধমান আগ্ৰহ তথা অংশগ্ৰহণকে প্ৰতিফলিত কৰে। ২০২৩ চনৰ ৩১ অক্টোবৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে 'মাই ভাৰত'ৰ শুভাৰম্ভ কৰিছিল। 'মাই ভাৰত'ৰ জৰিয়তে 'বিকশিত ভাৰত ইয়ং লিডাৰ্ছ ডায়েলগ ২০২৭'ৰ দৰে বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে, যিয়ে যুৱ প্ৰজন্মক তেওঁলোকৰ ধাৰণা, সৃষ্টিশীলতা, নেতৃত্ব আৰু উদ্ভাৱনী শক্তি প্ৰদৰ্শন কৰাৰ এক সুন্দৰ সুযোগ প্ৰদান কৰিছে।



## ভাৰতীয় বিদ্যুতেৰে পোহৰাই তোলা হৈছে নেপাল

'প্ৰতিবেশী প্ৰথম' নীতিৰ মনোভাৱেৰে ভাৰতে এতিয়া নেপালক দৈনিক ১৮ ঘণ্টা ধৰি (নিশা ১২.০০ বজাৰ পৰা বিয়লি ৬.০০ বজালৈ) বিদ্যুৎ যোগান ধৰিব। এই সিদ্ধান্তই ভাৰত আৰু নেপালৰ মাজত থকা সুদৃঢ় তথা দীৰ্ঘদিনীয়া শক্তি সহযোগিতাক অধিক শক্তিশালী কৰিব। শক্তি মন্ত্ৰালয়ে ১৩ ছেপ্টেম্বৰৰ পৰা নেপাল বিদ্যুৎ প্ৰাধিকৰণলৈ বিদ্যুৎ ৰপ্তানি আৰম্ভ কৰিছে, যি যোগান ২০২৬ চনৰ ৩১ ডিচেম্বৰলৈকে অব্যাহত থাকিব। ২০২৭ চনৰ জানুৱাৰী মাহৰ পৰা বিদ্যুৎ যোগানৰ পৰিমাণ আৰু সময়সীমা নিৰ্ধাৰণ কৰিবলৈ ২০২৬ চনৰ ডিচেম্বৰ মাহত এক পৰ্যালোচনা বৈঠক অনুষ্ঠিত হ'ব। শেহতীয়াকৈ দেশখনত অহা ভয়াবহ বানপানীৰ ফলত নেপালৰ বিদ্যুৎ আন্তঃগাঁথনিৰ ব্যাপক ক্ষতিসাধন হৈছিল আৰু বিদ্যুৎ যোগান ব্যাহত হৈ পৰিছিল। এই পদক্ষেপৰ অধীনত মুজাফ্ফৰপুৰ-ঢালকেবাৰ ৪০০ কেভি ডিচি লাইনৰ জৰিয়তে ৬০০ মেগাৱাট পৰ্যন্ত আৰু টনকপুৰ-মহেন্দ্ৰনগৰ ১৩২ কেভি এছ/চি লাইনৰ জৰিয়তে ৫৪ মেগাৱাট পৰ্যন্ত বিদ্যুৎ যোগান ধৰা হ'ব।



## ভাৰতত প্ৰথমবাৰৰ বাবে কৃষকে লাভ কৰিলে মাটিৰ কাৰ্বনৰ মূল্য

পঞ্জাব আৰু হাৰিয়ানাৰ কৃষকসকলে পৰিৱেশ আৰু প্ৰাকৃতিক সম্পদ ৰক্ষা কৰা নতুন কৃষি পদ্ধতি গ্ৰহণ কৰাৰ ফলত অৰ্থনৈতিকভাৱে উপকৃত হৈছে। ভূমিৰ স্বাস্থ্য উন্নত কৰাৰ উদ্দেশ্যে গ্ৰহণ কৰা এই ব্যতিক্ৰমী পদক্ষেপৰ অধীনত ২,৫০০তকৈও অধিক কৃষকে ৩,০০০ টকাৰ পৰা ১৫,০০০ টকালৈকে ধন লাভ কৰিছে, যাৰ সৰ্বমুঠ পৰিমাণ প্ৰায় ২.৯ কোটি টকা। দেশত প্ৰথমবাৰৰ বাবে আৰম্ভ কৰা এই কাৰ্যসূচী বৰ্তমান সাতখন ৰাজ্যৰ ১ লাখৰো অধিক কৃষক আৰু ২০ লাখ একৰতকৈও অধিক কৃষিভূমিলৈ সম্প্ৰসাৰিত হৈছে। পঞ্জাব কৃষি বিশ্ববিদ্যালয়ৰ (লুধিয়ানা) এক কাৰ্যসূচীত প্ৰথমটো কিস্তি মুকলি কৰা হয়। ২০১৯ চনত আৰম্ভ হোৱা 'গ্ৰ' ইণ্ডিগো'ৰ 'আদি' কাৰ্বন কাৰ্যসূচীৰ জৰিয়তে কৃষকসকলে এই ধন লাভ কৰিছে। ২০১৯ৰ পৰা ২০২২ চনৰ ভিতৰত কৃষকসকলে প্ৰত্যক্ষ ধান সিঁচা পদ্ধতি (ডিএছআৰ), কম হাল বোৱা আৰু শস্যৰ অৱশিষ্ট ব্যৱস্থাপনাৰ দৰে কৌশলসমূহ গ্ৰহণ কৰিছিল। কাৰ্যসূচীৰ তথ্য অনুসৰি, এই পদ্ধতিসমূহৰ ফলত ৪৫ বিলিয়ন লিটাৰ পানী ৰাহি হয়, ২ লাখ টনতকৈও অধিক শস্যৰ অৱশিষ্ট জুইত জ্বলোৱাৰ পৰা ৰক্ষা পৰে আৰু বায়ুমণ্ডলত প্ৰায় ১,০০০ টন ক্ষতিকাৰক PM2.5 কণাৰ নিৰ্গমন হ্ৰাস পায়।



# কোমাৰাম ভীম

## জনজাতীয় যোদ্ধা, যিগৰাকী আছিল “জল, জংঘল, জমীন” শ্লোগানৰ স্ৰষ্টা



জন্ম: ২২ অক্টোবৰ, ১৯০১
মৃত্যু: ৮ অক্টোবৰ, ১৯৪০

কোমাৰাম ভীমক সাহসিকতা আৰু আত্মত্যাগৰ প্ৰতীক হিচাপে স্মৰণ কৰা হয়। তেওঁ আছিল এগৰাকী নিৰ্ভীক জনজাতীয় যোদ্ধা, যিগৰাকীয়ে প্ৰথমবাৰৰ বাবে “জল, জংঘল, জমীন” (পানী, বন আৰু মাটি) শ্লোগান আওৰাইছিল। তেওঁ হায়দৰাবাদৰ নিজাম আৰু ব্ৰিটিছ শাসন-উভয়ৰে বিৰুদ্ধে অকলেই সংগ্ৰাম কৰি গেৰিলা যুদ্ধ চলাইছিল। গোণ্ড সম্প্ৰদায়ৰ মাজত কোমাৰাম ভীমক দেৱতাৰ দৰে পূজা কৰা হয়। বিদ্ৰোহ আৰু প্ৰতিৰোধৰ প্ৰতীক ভীমে কোটি কোটি মানুহৰ হৃদয়ত এক অবিস্মৰণীয় সাঁচ বহুৱাই থৈ গৈছে।

কোমাৰাম ভীমে সমগ্ৰ জীৱন অত্যাচাৰ আৰু শোষণৰ বিৰুদ্ধে যুঁজ দিছিল আৰু আজিও জনজাতীয় সম্প্ৰদায়ে তেওঁক ভগৱানৰ দৰে শ্ৰদ্ধা কৰে। বৰ্তমান তেলেংগানাৰ কোমাৰাম ভীম জিলাৰ সংকেপল্লী গাঁৱত ১৯০১ চনৰ ২২ অক্টোবৰত এটা গোণ্ড জনজাতীয় পৰিয়ালত তেওঁৰ জন্ম হৈছিল। নিজাম আৰু ব্ৰিটিছৰ উৎপীড়নকাৰী শাসনৰ বিৰুদ্ধে তেওঁ নীৰৱচ্ছিন্ন সংগ্ৰাম চলাইছিল।

এজন জমিদাৰৰ অত্যাচাৰৰ বিৰোধিতা কৰাৰ পিছত গাঁও এৰিবলৈ বাধ্য হৈ তেওঁ অৱশেষত অসমৰ চাহ বাগিচাত উপস্থিত হয়। তাত তেওঁ চাহ শ্ৰমিকসকলৰ দুৰ্দশা প্ৰত্যক্ষ কৰে। তাতেই তেওঁ চাৰিওফালে চলি থকা বিভিন্ন আন্দোলনৰ পৰা প্ৰেৰণা লাভ কৰে। তেওঁ লিখা-পঢ়া শিকাৰ উপৰি অনুধাৱন কৰে যে অন্যায়ৰ বিৰুদ্ধে সংগঠিত সংগ্ৰামেই হ'ল আটাইতকৈ শক্তিশালী অস্ত্ৰ। যেতিয়া তেওঁ ঘৰলৈ ঘূৰি আহে, নিজৰ মানুহখিনিক একত্ৰিত আৰু জাগ্ৰত কৰাৰ এক মহান লক্ষ্য লৈ ঘূৰি আহে।

১৯২৬ চনৰ পৰা ১৯৪০ চনলৈ ভীমে নিজাম শাসনৰ বিৰুদ্ধে ধাৰাবাহিকভাৱে গেৰিলা অভিযান চলাইছিল। তেওঁ অৰণ্যত ধনু, কাঁড়, যাঠি আৰু পৰম্পৰাগত অস্ত্ৰৰে সুসজ্জিত কৰি এটা গেৰিলা বাহিনী গঢ়ি তোলাৰ লগতে তেওঁলোকে নিজামৰ আধুনিক, সুসজ্জিত বাহিনীক প্ৰত্যাহ্বান জনাবলৈ সক্ষম হৈছিল। ভীমে গাঁৱে গাঁৱে ভ্ৰমণ কৰি চলি থকা অত্যাচাৰৰ বিৰুদ্ধে ৰাইজক একত্ৰিত কৰিছিল। বহু সময়ত কৰ সংগ্ৰহ কৰিবলৈ গাঁৱত উপস্থিত হোৱা সৈন্যসকলক ভীম আৰু তেওঁৰ লোকসকলে খেদি পঠিয়াইছিল।

তেওঁ আল্লুৰী সীতাৰাম ৰাজুৰ দ্বাৰা গভীৰভাৱে প্ৰভাৱিত হৈছিল বুলি বিশ্বাস কৰা হয়। দেশক ৰক্ষা কৰাৰ সময়তে, ১৯৪০ চনৰ ৮ অক্টোবৰত-অশ্বিনী পূৰ্ণিমাৰ দিনা এখন তীব্ৰ যুদ্ধত নিজামৰ সৈন্যৰ বিশ্বাসঘাতকতা আৰু প্ৰৱঞ্চনাৰ চক্ৰান্তত পৰি তেওঁ শ্বহীদ হয়। ২০১৬ চনত আছিফাবাদ জিলাখনৰ নাম সলনি কৰি ‘কোমাৰাম ভীম আছিফাবাদ’ জিলা কৰা হয়। তাত এটা স্মৃতিসৌধ আৰু ‘কোমাৰাম ভীম সংগ্ৰহালয়’ স্থাপন কৰা হৈছে। গোণ্ড সম্প্ৰদায়ে প্ৰতিবছৰে অশ্বিনী পূৰ্ণিমাৰ দিনা তেওঁৰ মৃত্যুতিথি পালন কৰে। এই উপলক্ষে জোড়ঘোটত এটা বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়; এই জোড়ঘোটতে ১৯৪০ চনত কোমাৰাম ভীমৰ মৃত্যু হৈছিল।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০২৫ চনৰ ২৬ অক্টোবৰত ‘মন কী বাত’ৰ ১২৭সংখ্যক খণ্ডত কোমাৰাম ভীমৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। তেওঁ কয়, “মই যিগৰাকী মহান ব্যক্তিৰ কথা কৈছোঁ, তেওঁ হ'ল কোমাৰাম ভীম। ২২ অক্টোবৰত তেওঁৰ জন্ম বাৰ্ষিকী পালন কৰা হয়। কোমাৰাম ভীমে দীৰ্ঘায়ু লাভ কৰা নাছিল; তেওঁ মাত্ৰ ৪০ বছৰহে জীয়াই আছিল, কিন্তু তেওঁৰ জীৱনকালত তেওঁ অসংখ্য মানুহৰ, বিশেষকৈ জনজাতীয় সমাজৰ হৃদয়ত এক অবিস্মৰণীয় ছাপ ৰাখি থৈ গৈছে। নিজামৰ বিৰুদ্ধে যুঁজ দিয়া সকলৰ মনত তেওঁ এক নতুন শক্তিৰ সঞ্চাৰ কৰিছিল। তেওঁ নিজামৰ শাসনৰ বাবে এক ডাঙৰ প্ৰত্যাহ্বান হৈ পৰিছিল। ১৯৪০ চনত নিজামৰ মানুহে তেওঁক হত্যা কৰে। মই যুৱপ্ৰজন্মক তেওঁৰ বিষয়ে যিমান পাৰি সিমান শিকিবলৈ আৰু জানিবলৈ আহ্বান জনাইছোঁ।” তেওঁ লগতে কয় যে, “কোমাৰাম ভীম-কী... নম্ৰ শ্ৰদ্ধাঞ্জলি। অয়ন প্ৰজাল হৃদয়াল্ল’... অপ্পাতিকি নিলিচি-ভুন্তাৰু।” ইয়াৰ আক্ষৰিক অৰ্থ হ'ল: “কোমাৰাম ভীম দেৱলৈ মোৰ বিনম্ৰ শ্ৰদ্ধাঞ্জলি; তেওঁ মানুহৰ হৃদয়ত চিৰদিন জীয়াই থাকিব।”

# “শ্ৰী অশোক সিংহল ডাঙৰীয়াৰ ব্যক্তিত্ব আছিল দৃঢ় সংকল্প আৰু সৰলতাৰ এক অনুপম সংমিশ্ৰণ।”



**নৰেন্দ্ৰ মোদী,**
**প্ৰধানমন্ত্ৰী**

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২৭ ছেপ্টেম্বৰত অশোক সিংহলৰ জন্ম বাৰ্ষিকী উপলক্ষে তেওঁৰ দৃঢ় বিশ্বাস, সৰলতা আৰু সামাজিক ঐক্যৰ প্ৰতি থকা অটুট নিষ্ঠাক স্মৰণ কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। চলিত বৰ্ষৰ পৰাই অশোক সিংহলৰ জন্মশতবৰ্ষৰ আৰম্ভণি হৈছে। এই উপলক্ষে প্ৰধানমন্ত্ৰীয়ে সিংহলৰ জীৱন আৰু আদৰ্শৰ প্ৰতি উচৰ্গিত এটা প্ৰবন্ধ শ্বেয়াৰ কৰাৰ লগতে তেওঁৰ অক্লান্ত সাংগঠনিক কাৰ্যাৱলীকো সোঁৱৰণ কৰে।

এযাৰ ধুনীয়া নীতিবচন আছে, “**वृक्ष कबहुँ नहिं फल भखै, नदी न संचै नीर। परमारथ के कारने, साधुन धरा शरीर।**” অৰ্থাৎ, গছে নিজৰ ফল নিজে নাখায় আৰু নদীয়েও নিজৰ পানী ধৰি নাৰাখে। দুয়োৰে অস্তিত্ব কেৱল পৰোপকাৰৰ বাবেই। আমাৰ সাধু-সন্ত আৰু ঋষি-মুনিসকলে যুগ যুগ ধৰি শিকাই আহিছে যে ব্যক্তিগত সাফল্যতকৈ সমাজৰ কল্যাণত উৎসৰ্গিত জীৱনে অধিক মহৎ তাৎপৰ্য বহন কৰে। যদি এনে কোনো ব্যক্তি আছিল, যিজনে নিজৰ সমগ্ৰ জীৱনত এই মনোভাব নিৰন্তৰ প্ৰতিফলিত কৰিছিল, তেৱেঁই আছিল শ্ৰী অশোক সিংহলজী।

২৭ ছেপ্টেম্বৰৰ পৰা আমি এনে এগৰাকী মহান ব্যক্তিত্বৰ জন্মশতবৰ্ষ উদযাপন কৰিবলৈ লৈছোঁ, যিজনে আধ্যাত্মিক সাধনা, সাংস্কৃতিক জাগৰণ আৰু দশক দশক ধৰি চলাই নিয়া সমৰ্পিত সাংগঠনিক কাৰ্যসূচীক একত্ৰিত কৰিছিল।

অশোকজীৰ সৈতে বাৰ্তালাপ কৰাৰ আৰু তেওঁৰ স্নেহ-আশীৰ্বাদ লাভ কৰাৰ অজস্ৰ সুযোগ পোৱাটো মই মোৰ বাবে এক বিশেষ সৌভাগ্য বুলি গণ্য কৰোঁ। ইয়াৰ এক উপযুক্ত উদাহৰণ আছিল ১৯৮১ চনৰ, যেতিয়া মই মোক অৰ্পণ কৰা সাংগঠনিক দায়িত্ব পালন কৰা এজন সাধাৰণ কাৰ্যকৰ্তা আছিলোঁ। সেই সময়তে মই তেওঁৰ পৰা এখন হাতেৰে লিখা চিঠি লাভ কৰিছিলোঁ। স্বাভাৱিকতে, সেয়া মোৰ বাবে এক বিশেষ ক্ষণ আছিল। চিঠিখনত তেওঁ আগন্তুক এক গুৰুত্বপূৰ্ণ কাৰ্যসূচীৰ বিষয়ে উল্লেখ কৰাৰ লগতে কেইটামান দায়িত্ব অৰ্পণ কৰিছিল।

দশক দশক ধৰি মই তেওঁক দিন-ৰাতি একাকাৰ কৰি কাম কৰা দেখিছিলোঁ। তেওঁ দূৰ-দূৰণিৰ অতি দুৰ্গম অঞ্চলসমূহলৈও দীৰ্ঘ আৰু কষ্টকৰ যাত্ৰা কৰিছিল। বিশেষকৈ গুজৰাটৰ জনজাতীয় অঞ্চলসমূহত ভ্ৰমণ কৰাৰ ক্ষেত্ৰত তেওঁৰ বিশেষ আগ্ৰহ আছিল। সমাজৰ একেবাৰে পিছপৰা শ্ৰেণীৰ লোকসকলৰ বাবে আৰু কি কৰিব পৰা যায়, সেয়াই তেওঁৰ মনত নিৰন্তৰ দোলা দি আছিল। দেশৰ যিকোনো প্ৰান্ততে প্ৰাকৃতিক দুৰ্যোগে দেখা দিলেই অশোকজী হয় নিজেই প্ৰথম উপস্থিত হৈছিল, নহয় আক্ৰান্তসকলক সহায় কৰিবলৈ কাৰ্যকৰ্তাসকলক মাৰ্গদৰ্শন কৰিছিল। ২০০১ চনৰ কচ্ছৰ ভূমিকম্পৰ পাছৰ সময়ছোৱাত আনৰ প্ৰতি থকা এই দয়া আৰু কৰুণাৰ ভাব অশোকজীৰ জীৱনৰ একেবাৰে কম বয়সতেই গঢ় লৈ উঠিছিল। তেওঁ এক

> “অশোকজীৰ সৈতে বাৰ্তালাপ কৰাৰ আৰু তেওঁৰ স্নেহ-মৰম লাভ কৰাৰ অজস্ৰ সুযোগ পোৱাটো মই মোৰ বাবে এক বিশেষ সৌভাগ্য বুলি গণ্য কৰোঁ। ”

*প্ৰধানমন্ত্ৰীৰ প্ৰবন্ধ পঢ়িবলৈ কিউ আৰ ক'ড স্কেন কৰক*



অত্যন্ত বিখ্যাত আৰু প্ৰতিষ্ঠিত পৰিয়ালৰ সন্তান আছিল। তেওঁৰ

প্ৰয়াগৰাজত ডাঙৰ-দীঘল হোৱা অশোকজীয়ে সততে সংগমৰ পাৰত ঘণ্টাৰ পিছত ঘণ্টা বহি সময় কটাইছিল। নদীখনৰ প্ৰতি তেওঁৰ এক স্বাভাৱিক টান আছিল আৰু সংগমলৈ অহা সাধু-সন্ত তথা পুণ্যাৰ্থীসকলৰ সৈতে তেওঁৰ এক গভীৰ আত্মিক সম্পৰ্ক গঢ়ি উঠিছিল।
তেওঁৰ সৈতে লাভ কৰা মোৰ নিজৰ অভিজ্ঞতা আছিল অবিস্মৰণীয়।

পিতৃ শ্ৰী মহাবীৰজী আছিল এগৰাকী বিশিষ্ট প্ৰশাসক। তেওঁৰ এজন ভাতৃ শ্ৰী বি পি সিংহলজী এগৰাকী জ্যেষ্ঠ আৰক্ষী বিষয়া আৰু পৰৱৰ্তী সময়ত সাংসদ হৈছিল। আন এগৰাকী ভাতৃ শ্ৰী ভি পি সিংহলজী ত্ৰিপুৰা ৰাজ্য গঠন হোৱাৰ সময়ত ৰাজ্যখনৰ মুখ্য সচিব আছিল। পৰিয়ালৰ অন্যান্য সদস্যসকলেও বাণিজ্য আৰু কৃষি ক্ষেত্ৰত সফলতা অৰ্জন কৰিছিল। কিন্তু তৰুণ অৱস্থাৰ পৰাই অশোকজী সম্পূৰ্ণ সুকীয়া এক লক্ষ্যৰ প্ৰতিহে আকৰ্ষিত হৈছিল... সেয়া আছিল ভাৰতৰ নৱজাগৰণ আৰু মা ভাৰতীৰ সন্তানসকলৰ গৌৰৱ পুনৰুদ্ধাৰ কৰা।
প্ৰয়াগৰাজত ডাঙৰ-দীঘল হোৱাৰ সময়ছোৱাত অশোকজীয়ে সংগমৰ পাৰত ঘণ্টাৰ পিছত ঘণ্টা বহি সময় কটাইছিল। নদীখনে তেওঁক স্বাভাৱিকতেই আকৰ্ষিত কৰিছিল, কিন্তু তাৰ সমান্তৰালভাৱে তালৈ অহা সাধু-সন্ত, ঋষি-মুনি আৰু ভক্তসকলৰ সৈতেও তেওঁৰ অন্তৰংগতা গঢ়ি উঠিছিল। ইয়েই তেওঁৰ মনত ভাৰতীয় সংস্কৃতিৰ অন্তৰ্নিহিত ভাবধাৰাৰ বোধগম্যতা গঢ়ি তুলিছিল আৰু সমাজৰ বাবে কিবা কৰাৰ সংকল্পক সুদৃঢ় কৰিছিল। আনৰ বাবে জীয়াই থকাৰ এই ইচ্ছাৰ বাবেই তেওঁ আৰএছএছৰ প্ৰতি আকৰ্ষিত হৈছিল। পৰৱৰ্তী সময়ত তেওঁলৈ অহা প্ৰতিটো দায়িত্বই তেওঁ উচাহ-উদ্দীপনা, অনুশাসন আৰু কৰ্তব্যবোধেৰে আদৰি লৈছিল।
শ্ৰী অশোক সিংহলজীয়ে নিজৰ অধ্যৱসায় আৰু পৰিশ্ৰমৰ জৰিয়তে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান আৰু জনআন্দোলন গঢ়ি তুলিছিল। তেওঁ এক গম্ভীৰ, আকৰ্ষণীয় কণ্ঠ আৰু তেজস্বী বক্তৃতা শৈলীৰ অধিকাৰী আছিল, যিয়ে সমবেত জনতাক সন্মোহিত কৰি ৰাখিব পাৰিছিল। তাৰ সমান্তৰালভাৱে সতীৰ্থ কাৰ্যকৰ্তাসকলৰ প্ৰতি থকা তেওঁৰ আদৰ-যত্নও আছিল সমানেই উল্লেখযোগ্য। তেওঁৰ সংস্পৰ্শলৈ অহা যিকোনো ব্যক্তিয়েই তেওঁৰ অতুলনীয় সৰলতাত মুগ্ধ নোহোৱাকৈ থাকিব নোৱাৰিছিল। সমগ্ৰ দেশৰ সাধু-সন্তসমাজৰ সৈতে তেওঁৰ এক গভীৰ আত্মিক সম্পৰ্ক আছিল আৰু তেওঁলোকৰ মাজত অশোকজীয়ে অপাৰ শ্ৰদ্ধা লাভ কৰিছিল। সাধু-সন্তসকলেও তেওঁৰ পৰামৰ্শক উচ্চ মূল্য দিছিল আৰু অত্যন্ত শ্ৰদ্ধাৰে তেওঁৰ কথা শুনিছিল।”
শ্ৰী অশোক সিংহলজীৰ স্বকীয় কালজয়ী ব্যক্তিত্ব ফুটি উঠা দুটা বিশেষ ঘটনাৰ কথা মোৰ মনলৈ আহে। প্ৰথমটো আছিল ১৯৯৩ চনৰ, যেতিয়া স্বামী বিবেকানন্দৰ ঐতিহাসিক চিকাগো ভাষণৰ শতবাৰ্ষিকী উপলক্ষে বিশ্ব হিন্দু পৰিষদে আমেৰিকাত এখন বিশেষ সমাৰোহৰ আয়োজন কৰিছিল। বিদেশৰ মাটিত এনে এক সন্মিলন আয়োজন কৰাৰ দূৰদৰ্শী চিন্তা, সূক্ষ্ম পৰিকল্পনা আৰু বিভিন্ন ক্ষেত্ৰৰ লোকসকলক একত্ৰিত কৰাৰ কাৰ্যই অশোকজীৰ অসাধাৰণ সাংগঠনিক প্ৰতিভাৰ কথা প্ৰমাণ কৰিছিল।






দ্বিতীয় ঘটনাটো আছিল ২০০০ চনৰ। ট্ৰিনিদাদ আৰু ট'বেগ'ৰ

বৰ্তমান অযোধ্যাত যি ভব্য ৰাম মন্দিৰ গঢ় লৈ উঠিলে, সেয়া কেৱল তেওঁৰ দৰে মহান ব্যক্তিত্বসকলৰ বাবেই সম্ভৱ হৈছে, যিসকলে নিস্বাৰ্থভাৱে এই সপোন বাস্তৱায়িত কৰাৰ প্ৰচেষ্টাত সমৰ্পিত কৰিছিল।

পৰ্ট অৱ স্পেইনত বিশ্ব হিন্দু সন্মিলনৰ আয়োজন কৰা হৈছিল। সন্মিলনত তেওঁৰ উপস্থিতিয়ে আন আন প্ৰতিনিধিসকলৰ মনত কিদৰে অভূতপূৰ্ব উৎসাহৰ সৃষ্টি কৰিছিল, সেয়া মই প্ৰত্যক্ষ কৰিছিলোঁ। মোৰ ভাষণৰ পাছত তেওঁ আগবঢ়োৱা প্ৰশংসাসূচক বাক্যবোৰ মোৰ বাবে আছিল এক অতি হৃদয়স্পৰ্শী অভিজ্ঞতা। তেওঁৰ প্ৰেৰণাই প্ৰতিজন কাৰ্যকৰ্তাক কেনেকৈ অপাৰ শক্তিৰে ভৰাই তুলিছিল, তাক মই পুনৰ প্ৰত্যক্ষ কৰিছিলোঁ।

ৰাম জন্মভূমি আন্দোলনত পালন কৰা গুৰুত্বপূৰ্ণ ভূমিকাৰ কথা স্মৰণ নকৰাকৈ শ্ৰী অশোক সিংহলজীৰ কোনো কথাই সম্পূৰ্ণ হ'ব নোৱাৰে। ১৯৯১ চনৰ বোট ক্লাবৰ সমাবেশত তেওঁ দিয়া ভাষণ কোনে পাহৰিব? অথবা আন্দোলনৰ উত্তাল সময়ছোৱাত আঘাতপ্ৰাপ্ত আৰু ৰক্তাক্ত অৱস্থাত থকা অশোকজীৰ সেই গুৰুত্বপূৰ্ণ ছবিখন। আজি অযোধ্যাত যি ভব্য ৰাম মন্দিৰ গঢ় লৈ উঠিলে, সেয়া কেৱল তেওঁৰ দৰে মহান ব্যক্তিত্বসকলৰ বাবেই সম্ভৱ হৈছে, যিসকলে কোনো স্বাৰ্থ নোহোৱাকৈ এই সপোন বাস্তৱায়িত কৰাৰ বাবে নিজকে সমৰ্পিত কৰিছিল। অযোধ্যাত ৰাম মন্দিৰে ৰূপ লোৱা প্ৰত্যক্ষ কৰা হ'লে হয়তো তেওঁৰেই আটাইতকৈ সুখী মানুহ হ'লহেঁতেন।"

শ্ৰী অশোক সিংহলজী চিন্তাৰ অসাধাৰণ স্পষ্টতাৰ অধিকাৰী আছিল। আমাৰ সমাজখন সম্প্ৰীতিপূৰ্ণ হোৱাটো যে অত্যন্ত প্ৰয়োজনীয় আৰু ভ্ৰাতৃত্ববোধৰ বাৰ্তাক যে পুনৰ প্ৰতিষ্ঠা কৰিব লাগিব, এই বিশ্বাসতেই তেওঁৰ সেই স্পষ্টতা প্ৰতিফলিত হৈছিল। তেওঁ সামাজিক একতা আৰু সমতা সুদৃঢ় কৰাৰ দিশত অহৰহ কাম কৰিছিল। সমাজত কোনো ধৰণৰ প্ৰভেদ বা বৈষম্য থাকিব নোৱাৰে আৰু প্ৰতিজন ব্যক্তিয়েই সমান মৰ্যাদা তথা শ্ৰদ্ধাৰ প্ৰাপ্য বুলি তেওঁ দৃঢ়ভাৱে বিশ্বাস কৰিছিল। তেওঁৰেই যুগান্তকাৰী চিন্তাৰ ফচল আছিল যে অযোধ্যাৰ ৰাম মন্দিৰৰ প্ৰথমটো ইটা বিহাৰৰ অতি প্ৰান্তীয় সম্প্ৰদায়ৰ পৰা অহা বিশ্ব হিন্দু পৰিষদৰ তৃণমূল কাৰ্যকৰ্তা শ্ৰী কামেশ্বৰ চৌপালজীৰ দ্বাৰা স্থাপন কৰোৱা হৈছিল। কাশীত অনুষ্ঠিত ধৰ্ম সংসদত তেওঁ ডোম ৰাজাক সন্মানিত কৰাৰ সিদ্ধান্ত লৈছিল আৰু পৰৱৰ্তী সময়ত বিভিন্ন সামাজিক কল্যাণমূলক কাৰ্যসূচীৰ জৰিয়তে তেওঁৰ সৈতে একেলগে কাম কৰিছিল।

ৰাষ্ট্ৰ নিৰ্মাণৰ উপৰিও শ্ৰী অশোক সিংহলজীৰ হৃদয়ৰ অতি নিভৃত আছিল দুটা মূল বিষয়- শিক্ষা (বিশেষকৈ বৈদিক শিক্ষা) আৰু সংগীত। বাৰাণসীৰ সাংসদ হিচাপে মই অতি গৌৰৱ অনুভৱ কৰোঁ যে মই প্ৰতিনিধিত্ব কৰা এই চিৰন্তন নগৰী কাশীয়ে শ্ৰী অশোক সিংহলজীৰ জীৱন যাত্ৰাত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। তেওঁ বেনাৰছ হিন্দু বিশ্ববিদ্যালয়ত (বিএইচইউ) শিক্ষা গ্ৰহণ কৰিছিল আৰু এজন মেধাৱী ছাত্ৰ হিচাপেও জনাজাত আছিল। দূৰ-দূৰণিৰ গাওঁসমূহ, বিশেষকৈ জনজাতীয় এলেকাবোৰত প্ৰাথমিক শিক্ষা সম্প্ৰসাৰিত কৰাৰ লক্ষ্যৰে কাম কৰা 'একক বিদ্যালয়' পদক্ষেপৰ সৈতে তেওঁ ওতপ্ৰোতভাৱে জড়িত হৈ পৰিছিল। তেওঁ আছিল এগৰাকী গভীৰ অধ্যয়নশীল ব্যক্তি আৰু একেদৰে এজন ভাল শ্ৰোতা; কনিষ্ঠ কাৰ্যকৰ্তাসকলক তেওঁ সদায় যথাসম্ভৱ বেছিকৈ অধ্যয়ন কৰিবলৈ পৰামৰ্শ দিছিল।

যিসকলে অশোকজীক কাষৰ পৰা পাইছিল, তেওঁলোকে ভালদৰেই জানিছিল যে তেওঁ কিমান সুন্দৰ গীত গাব পাৰে- নাগপুৰৰ বৈঠকবোৰৰ কথা মোৰ মনত পৰে, য'ত তেওঁ একক গীত পৰিবেশন কৰি সকলোকে মন্ত্ৰমুগ্ধ কৰি তোলাৰ লগতে বৈঠকৰ এক সুন্দৰ বাতাৱৰণ সৃষ্টি কৰিছিল। ২০১৫ চনত তেওঁৰ ৯০সংখ্যক জন্ম বাৰ্ষিকী উদযাপনৰ সময়ত হঠাৎ "হে মাতৃভূমি মেৰী, হে পিতৃভূমি মেৰী" গীতটি গাই সকলোকে আচৰিত কৰি তোলা দৃশ্যৰ এটা ভিডিঅ' অতি জনপ্ৰিয় হৈ পৰিছিল। তেওঁৰ জন্ম শতবাৰ্ষিকীত আমি নিশ্চিত কৰোঁ আহক যাতে অধিক সংখ্যক যুৱ প্ৰজন্মই তেওঁৰ এই মহানতাৰ বিষয়ে জানিব পাৰে। আহক, আমাৰ দেশ আৰু দেশবাসীৰ বাবে তেওঁ দেখা সপোনসমূহ বাস্তৱায়িত কৰিবলৈ আমি আমাৰ সংকল্প পুনৰ দোহাৰোঁ।

National Unity Day Special

প্ৰচ্ছদ
নিবন্ধ

## এক ভাৰত, শ্ৰেষ্ঠ ভাৰত

# সাংস্কৃতিক সংহতিৰ

পৰা

# একত্ৰিত ব্যৱস্থালৈ



একতাই হৈছে এক সুদৃঢ় ভেটি, যাৰ ওপৰত ভিত্তি কৰি এখন ৰাষ্ট্ৰ আৰু সমাজ সমৃদ্ধ হৈ উঠে। একতা থাকিলেহে ৰাষ্ট্ৰৰ অখণ্ডতা সুৰক্ষিত হৈ থাকে। এখন উন্নত ভাৰত গঢ়াৰ লক্ষ্য প্ৰাপ্তিৰ প্ৰধান চাবি-কাঠিয়েই হৈছে একতা। ২০১৫ চনৰ ৩১ অক্টোবৰত চৰ্দাৰ পেটেলৰ জন্ম বাৰ্ষিকীৰ দিনা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কেৱাদিয়াৰ পৱিত্ৰ ভূমিৰ পৰা ‘এক ভাৰত, শ্ৰেষ্ঠ ভাৰত’ কাৰ্যসূচীৰ শুভাৰম্ভ কৰিছিল। প্ৰথম অৱস্থাত ভাষা, সংস্কৃতি আৰু পৰম্পৰাৰ আদান-প্ৰদানৰ এক প্ৰচেষ্টা হিচাপে ধাৰণা কৰা এই উদ্যোগেই বিগত এক দশকত শাসন ব্যৱস্থাৰ মূল আত্মা হৈ পৰিছে। যিটো দৃষ্টিভংগীয়ে চৰ্দাৰ পেটেলক ৫৫০তকৈও অধিক দেশীয় ৰাজ্য একত্ৰিত কৰিবলৈ অনুপ্ৰাণিত কৰিছিল, সেয়াই এতিয়া কৰ ব্যৱস্থা, ৰেচন বিতৰণ, পেঞ্চন, সংবিধান, পৰীক্ষা আৰু গৱেষণা আদি সামৰি লোৱা বহুসংখ্যক “এক দেশ, এক ব্যৱস্থা” উদ্যোগৰ ভেটি হিচাপে গঢ় লৈ উঠিছে।

**এইবাৰ ৩১ অক্টোবৰৰ ৰাষ্ট্ৰীয় একতা দিৱস উপলক্ষে দেশে চৰ্দাৰ পেটেলৰ ১৫০সংখ্যক জন্ম বাৰ্ষিকীৰ দুবছৰীয়া ৰাষ্ট্ৰীয় উদযাপন অনুষ্ঠানৰ শুভাৰম্ভ কৰিবলৈ সাজু হৈছে। আহক, সাংস্কৃতিক একতাৰ মূল মন্ত্ৰৰে পুষ্ট 'এক ভাৰত, শ্ৰেষ্ঠ ভাৰত' নীতিয়ে কেনেকৈ নীতি নিৰ্ধাৰণ আৰু নাগৰিকসকলৰ 'সহজ জীৱন যাপন'ৰ মূল আধাৰ হৈ পৰিছে, তাৰ এক আলোকপাত কৰোঁ।**

উত্তৰ প্ৰদেশৰ 'এক দেশ, এক ৰেচন কাৰ্ড' আঁচনিৰ হিতাধিকাৰী বৃন্দাবন চৌৰাশীয়াৰ পাঁচজনীয়া পৰিয়াল। তেওঁ জনায় যে তেওঁলোকৰ পাঁচোটা নাম থকা ৰেচন কাৰ্ডখন পোনপটীয়াকৈ এখন সুলভ মূল্যৰ দোকানৰ সৈতে সংযোজিত আৰু প্ৰতি মাহেই তেওঁলোকে খাদ্যশস্য লাভ কৰে। 'এক দেশ, এক ৰেচন কাৰ্ড' আঁচনিৰ সুবিধাৰ বাবেই তেওঁ এতিয়া দেশৰ যিকোনো প্ৰান্তৰ সুলভ মূল্যৰ দোকানৰ পৰা ৰেচন সংগ্ৰহ কৰিব পাৰে; ইয়াৰ বাবে তেওঁ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে। আন এগৰাকী হিতাধিকাৰী কৃষ্ণা কুমাৰ মৌৰ্যই কয় যে তেওঁৰ পাঁচটা ইউনিটৰ কাৰ্ড আছে আৰু কোনো অসুবিধা নোহোৱাকৈয়ে প্ৰতি মাহে চাউল আৰু ঘেঁহু লাভ কৰি আহিছে। 'এক দেশ, এক ৰেচন কাৰ্ড' আঁচনিৰ বাবে তেওঁ দেশৰ যিকোনো ঠাইতে এই খাদ্যশস্য লাভ কৰিবলৈ সক্ষম হৈছে, যিটো সুবিধাৰ বাবে তেওঁ প্ৰধানমন্ত্ৰী মোদীক ধন্যবাদ জনায়। প্ৰব্ৰজিত শ্ৰমিকসকলৰ বাবে এই আঁচনিখন কোনো বৰদানতকৈ কম নহয়, যি তেওঁলোকৰ বাবে সঞ্জীৱনী হিচাপে প্ৰমাণিত হৈছে। এতিয়া প্ৰতিজন ৰেচন কাৰ্ডধাৰীয়েই দেশৰ যিকোনো প্ৰান্তৰ যিকোনো সুলভ মূল্যৰ দোকানৰ পৰা ৰেচন লাভ কৰিব পাৰে।

*ৰাজ্য ভিন্ন, ৰাষ্ট্ৰ এক; ধাৰণা ভিন্ন, লক্ষ্য এক; উপভাষা ভিন্ন, কণ্ঠ স্বৰ এক; ভাষা ভিন্ন, প্ৰকাশ এক; ৰং ভিন্ন, পতাকা এক; সমাজ ভিন্ন, ভাৰত এক; ৰীতি-নীতি ভিন্ন, সংস্কৃতি এক; জীৱিকা ভিন্ন, সংকল্প এক; পথ ভিন্ন, গন্তব্য এক; মুখাৱয়ব ভিন্ন, হাঁহি এক– এয়াই হৈছে একতা আৰু সংহতিৰ সেই মূল মন্ত্ৰ, যাক সাৰোগত কৰি সমগ্ৰ ৰাষ্ট্ৰই বিকাশৰ পথত আগুৱাই যাব লাগে।*

খাদ্য সুৰক্ষা আইনৰ অধীনত প্ৰতিজন নাগৰিকৰ খাদ্য সুৰক্ষা নিশ্চিত কৰাৰ লক্ষ্যৰে ২০১৯ চনত আৰম্ভ কৰা 'এক দেশ-এক ৰেচন কাৰ্ড' আঁচনিৰ জৰিয়তে এই পৰিৱৰ্তন সম্ভৱ হৈ উঠিছিল। এই আঁচনিৰ মূল ধাৰণাটো ম'বাইল নম্বৰ পৰ্টেবিলিটিৰ দৰেই। যেনেকৈ নিজৰ নম্বৰ সলনি নকৰাকৈ সেৱা প্ৰদানকাৰী কোম্পানী সলাব পাৰি, ঠিক তেনেদৰে হিতাধিকাৰীসকলেও এতিয়া নতুন কাৰ্ড নোলোৱাকৈয়ে দেশৰ যিকোনো প্ৰান্তৰ পৰা নিজৰ প্ৰাপ্য ৰেচন লাভ কৰিব পাৰে। সকলো ৰেচন কাৰ্ড আধাৰৰ সৈতে সংযোগ কৰা আৰু সুলভ মূল্যৰ দোকানবোৰত 'ই-পছ' (e-PoS) যন্ত্ৰ সংস্থাপন কৰাৰ ফলতে এই সুবিধাটো বাস্তৱায়িত হৈ উঠিছে।

জীৱিকাৰ সন্ধানত অন্য ৰাজ্যলৈ যোৱা লাখ লাখ প্ৰব্ৰজিত শ্ৰমিকৰ বাবেই বিশেষভাৱে এই আঁচনি প্ৰস্তুত কৰা হৈছিল; তেওঁলোকে এতিয়া নিজ ৰাজ্যৰ দৰেই দেশৰ যিকোনো ৰাজ্যতে নিজৰ এই অধিকাৰ সাব্যস্ত কৰিব পাৰে।

বৃন্দাবন চৌৰাশীয়া আৰু কৃষ্ণা কুমাৰ মৌৰ্যৰ দৰে লাখ লাখ প্ৰব্ৰজিত শ্ৰমিক, কাৰিকৰ আৰু ক্ষুদ্ৰ শ্ৰমিকসকলৰ বাবে এই ব্যৱস্থাই আত্মমৰ্যাদা আৰু বিশ্বাস কঢ়িয়াই আনিছে। বিগত এক দশকত ভাৰতে কেনেকৈ ইয়াৰ সিঁচৰতি হৈ থকা ব্যৱস্থাসমূহক একত্ৰিত কৰি এটা সুসংহত ৰূপ দিছে, ই কেৱল তাৰেই এক প্ৰতিচ্ছবি।

মহাত্মা গান্ধীয়ে কৈছিল, 'বৈচিত্ৰ্যৰ মাজত ঐক্য' অক্ষুণ্ণ ৰখাৰ আমাৰ ক্ষমতাক ক্ৰমাগতভাৱে পৰীক্ষা কৰা হ'ব... আৰু যিকোনো মূল্যৰ বিনিময়ত আমি এই পৰীক্ষাত উত্তীৰ্ণ হ'বই লাগিব। " যোৱা ১২ বছৰত ভাৰতে বৈচিত্ৰ্যৰ মাজত একতাৰ এই ভাবধাৰাক বাস্তৱায়িত কৰাৰ প্ৰতিটো প্ৰচেষ্টাতে সফলতা লাভ কৰিছে। চৰকাৰে নিজৰ নীতি আৰু সিদ্ধান্তসমূহৰ জৰিয়তে 'এক ভাৰত'ৰ অনুভূতিক ধাৰাবাহিকভাৱে সুদৃঢ় কৰি তুলিছে। আজি 'এক দেশ-এক পৰিচয়' (আধাৰ), 'এক দেশ-এক কৰ' (জিএছটি), 'এক দেশ-এক পাৱাৰ গ্ৰীড', 'এক দেশ-এক ৰেচন কাৰ্ড' আৰু 'এক দেশ-এক স্বাস্থ্য বীমা'ৰ দৰে একত্ৰিত ব্যৱস্থাই সমগ্ৰ দেশখনক এডাল সূতাৰে বান্ধি পেলাইছে। বৰ্তমান ৰাষ্ট্ৰই 'এক দেশ-এক নিৰ্বাচন'ৰ দিশে অগ্ৰসৰ হৈছে, যিটো পদক্ষেপে ভাৰতৰ গণতন্ত্ৰক অধিক শক্তিশালী কৰিব। তদুপৰি, ভাৰত 'এক দেশ দেৱানী বিধি'- অৰ্থাৎ এক ধৰ্ম নিৰপেক্ষ অসামৰিক সংহিতাক আদৰি লোৱাৰ দিশত আগবাঢ়িছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নিজেই লালকিল্লাৰ প্ৰাচীৰৰ পৰা এই কথা ঘোষণা কৰিছিল। ইয়াৰ মূল অন্তৰালত আছে চৰ্দাৰ পেটেলৰ সামাজিক একতাৰ সপোনৰ অনুপ্ৰেৰণা। এই পদক্ষেপে বিভিন্ন সামাজিক গোটৰ মাজত থকা বৈষম্যমূলক অভিযোগসমূহ দূৰ কৰি ৰাষ্ট্ৰৰ একতাক অধিক সুদৃঢ় কৰি তুলিব।

## জনকল্যাণৰ নীতিৰূপে বিকশিত এটা আৱেগ

২০১৫ চনৰ ৩১ অক্টোবৰত চৰ্দাৰ পেটেলৰ জন্ম বাৰ্ষিকী উপলক্ষে

- যিজনে প্ৰায় ৫৫০খন ৰাজকীয় ৰাজ্যক কূটনীতি আৰু দৃঢ়তাৰে একত্ৰিত কৰি আধুনিক ভাৰতক গঢ় দিছিল - প্ৰধানমন্ত্ৰী মোদীয়ে ৰাষ্ট্ৰীয় একতা দিৱস উদযাপনৰ সময়ত 'এক ভাৰত-শ্ৰেষ্ঠ ভাৰত' পদক্ষেপ আৰম্ভ কৰে। ইয়াৰ মূল উদ্দেশ্য আছিল এক নীৰৱচ্ছিন্ন প্ৰক্ৰিয়া স্থাপন কৰা - ৰাজ্য, কেন্দ্ৰীয় শাসিত অঞ্চল, কেন্দ্ৰীয় মন্ত্ৰালয়, শিক্ষানুষ্ঠান আৰু সাধাৰণ জনতাৰ মাজত ভাষা, সাহিত্য, সংস্কৃতি আৰু পৰম্পৰাৰ প্ৰত্যক্ষ আদান-প্ৰদানৰ সুবিধা প্ৰদান কৰা-তাৰ দ্বাৰা ৰাষ্ট্ৰৰ ঐক্য আৰু অখণ্ডতা আৰু অধিক শক্তিশালী কৰা।

শিক্ষা মন্ত্ৰালয়ৰ নেতৃত্বত এই কাৰ্যসূচীত প্ৰতিখন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলক আন এখন ৰাজ্যৰ সৈতে জড়িত কৰি সাংস্কৃতিক ভ্ৰমণ, ভাষা শিবিৰ, ছাত্ৰ-শিক্ষক বিনিময়, আৰু উৎসৱৰ আয়োজন কৰা হৈছিল। ফলস্বৰূপে তামিলনাডুৰ এজন ছাত্ৰই পঞ্জাৱৰ পৰম্পৰা অনুভৱ কৰিব পাৰিছিল, আনহাতে অসমৰ এজন যুৱকে গুজৰাটৰ গৰ্বাত অংশগ্ৰহণ কৰি সেই অঞ্চলৰ সুগন্ধিৰ সাৰমৰ্ম অনুভৱ কৰিব পাৰিছিল। বিদ্যালয়-মহাবিদ্যালয়ত ৰচনা প্ৰতিযোগিতা, কুইজ, সাংস্কৃতিক উৎসৱ এই পদক্ষেপৰ অবিচ্ছেদ্য অংশ হৈ পৰিল, "বৈচিত্ৰ্যত ঐক্য"ৰ ধাৰণাটোক কেৱল পাঠ্যপুথিৰ বাক্যাংশৰ পৰা শিশুৰ বাবে এক জীৱিত অভিজ্ঞতালৈ ৰূপান্তৰিত কৰিলে। সময়ৰ লগে লগে এই পদক্ষেপত আন কেইবাটাও মাত্ৰা সংযোজন হ'ল। সমগ্ৰ দেশতে স্থানীয় সংস্কৃতি আৰু শিল্পকলাৰ প্ৰসাৰৰ বাবে 'পৰ্যটন পৰ্ব'ৰ দৰে প্ৰচেষ্টা, বিশ্ববিদ্যালয়ত "মাতৃভাষা গৌৰৱ"ৰ দৰে অনুষ্ঠান, চৰকাৰী কাৰ্যসূচীত বিভিন্ন ভাষা আৰু উপভাষা অন্তৰ্ভুক্ত কৰা-এই সকলোবোৰ প্ৰচেষ্টা এই বিশ্বাসৰ দ্বাৰা পৰিচালিত হৈছিল যে একতা একক ভাষা বা সংস্কৃতি জাপি দিয়াৰ জৰিয়তে নহয়, বৰং বৈচিত্ৰ্যক আঁকোৱালি লোৱাৰ পৰাই উদ্ভৱ হয়; চৰ্দাৰ পেটেলে বিভিন্ন ৰাজকীয় ৰাজ্যক যেনেকৈ একে পতাকাৰ তলত একত্ৰিত কৰিছিল আৰু তেওঁলোকৰ সুকীয়া পৰিচয় ৰক্ষা কৰিছিল।

> যিকোনো সমাজৰ শক্তি নিহিত হৈ থাকে ইয়াৰ একতাত। সেইবাবে শক্তিশালী ৰাষ্ট্ৰৰ হিতৈষীয়ে একতাৰ এই মনোভাবৰ প্ৰশংসা কৰে আৰু ইয়াৰ বাবে চেষ্টা কৰে। সেয়ে, দেশৰ একতা আৰু সংহতি আমাৰ সকলোৰে সামূহিক দায়িত্ব।
>
> --নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী

কিন্তু সাংস্কৃতিক পৰীক্ষা হিচাপে আৰম্ভ হোৱাটো ক্ৰমান্বয়ে একব্যাপক দৰ্শনলৈ পৰিৱৰ্তন হ'ল। ইয়াৰ মূলতে আছিল এই ধাৰণা যে যদি ভাৰতীয় হোৱাৰ অৰ্থ হ'ল এক উমৈহতীয়া পৰিচয়, তেন্তে ৰাজ্য, ভাষা বা পটভূমি নিৰ্বিশেষে প্ৰতিজন নাগৰিকৰ বাবে শাসন ব্যৱস্থাৰ মৌলিক ব্যৱস্থাসমূহো একে হ'ব লাগে। ফলস্বৰূপে পৰৱৰ্তী বছৰবোৰত এই মানসিকতা ধাৰাবাহিকভাৱে বৃহৎ গাঁথনিগত সংস্কাৰলৈ ৰূপান্তৰিত হ'বলৈ ধৰিলে।

**উন্নয়ন আৰু বিশ্বাসৰ ঐক্য: 'এক ভাৰত'ৰ ভেটি**

বিগত ১২ বছৰত চৰ্দাৰ পেটেলৰ সপোন বাস্তৱায়িত কৰাৰ সমান্তৰালকৈ কেন্দ্ৰীয় চৰকাৰে এক সংহত ব্যৱস্থাৰ ভেটি স্থাপন কৰিছে য'ত সকলো নাগৰিককে-ৰাজ্যৰ সীমা অতিক্ৰম কৰি-



# ভাৰতৰ একতাৰ চাৰিটা স্তম্ভ



**সাংস্কৃতিক একতা**
ভাৰতৰ সহস্ৰাব্দ পুৰণি সাংস্কৃতিক পৰম্পৰা, তীৰ্থস্থান, উৎসৱ, যোগাসন আৰু সাংস্কৃতিক আদান-প্ৰদানসমূহে ৰাষ্ট্ৰৰ একত্ৰীকৰণ শক্তি হিচাপে কাম কৰে।

**বৈষম্যমুক্ত উন্নয়ন**
দৰিদ্ৰতা, বৈষম্য, আৰু ভেদভাবক সামাজিক ঐক্যৰ বাধা হিচাপে লোৱাৰ লগতে প্ৰতিজন নাগৰিকৰ বাবে উন্নয়ন আৰু মৌলিক সুবিধাসমূহ লাভ কৰাটো নিশ্চিত কৰা।

**ভাষিক ঐক্য**
ভাৰতৰ বৈচিত্ৰ্য আৰু শক্তিৰ উৎস হিচাপে শ শ ভাষা আৰু উপভাষাক স্বীকৃতি দি সকলো ভাৰতীয় ভাষাক সন্মান আৰু উৎসাহিত কৰা।

**সংযোগৰ জৰিয়তে হৃদয়ৰ সংযোগ কৰা**
পথ, ৰে'ল, ঘাইপথ, আৰু বিমান নেটৱৰ্কৰ লগতে ডিজিটেল আন্তঃগাঁথনিৰ জৰিয়তে ভৌগোলিক দূৰত্ব হ্ৰাস কৰা আৰু মানুহৰ মাজত সংযোগ গঢ়ি তোলা।

এটা উমৈহতীয়া জাতীয়তাবোধেৰে একত্ৰিত কৰা হৈছে। এয়া ভাৰতবৰ্ষৰ প্ৰতি দেশবাসীৰ শ্ৰদ্ধাঞ্জলি আৰু চৰ্দাৰ পেটেলৰ কৰ্মৰাজিৰ জৰিয়তে আগবঢ়োৱা অসাধাৰণ অৱদান। তেওঁৰ দৃষ্টিভংগীয়ে আমাক শিকায় যে অসম্ভৱ যেন লগা কামবোৰো সম্পন্ন কৰিব পাৰি। ভাৰতে স্বাধীনতা লাভ কৰাৰ সময়ত সন্দেহবাদীসকলে ইয়াৰ বিভাজন হোৱাৰ ভৱিষ্যদ্বাণী কৰিছিল; শ শ ৰাজকীয় ৰাজ্যক একত্ৰিত কৰি একক ভাৰত হিচাপে গঢ়ি তুলিব পৰা যাব বুলি তেওঁলোকৰ আশা নাছিল। তথাপিও চৰ্দাৰ পেটেলে ঠিক সেইখিনি সাধন কৰিলে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মতে এয়া এইবাবেই সম্ভৱ হ'ল যিহেতু চৰ্দাৰ পেটেল কাৰ্যক্ষেত্ৰত বাস্তৱবাদী, সংকল্পত সত্যবাদী, কৰ্মত মানৱতাবাদী, মিছনত জাতীয়তাবাদী আছিল।

আজি ভাষাৰ প্ৰতি ভাৰতৰ দৃষ্টিভংগীয়েও ঐক্যৰ এক শক্তিশালী বান্ধোন হিচাপে কাম কৰে। নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতিত ভাৰতীয় ভাষাৰ শিক্ষাৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব দিয়া হৈছে। কেন্দ্ৰীয় চৰকাৰে মাৰাঠী, বাংলা, অসমীয়া, পালি, আৰু প্ৰাকৃতক 'ধ্ৰুপদী ভাষা'ৰ মৰ্যাদা প্ৰদান কৰিছে। ভাষাৰ দৰেই বৰ্তমান সমগ্ৰ দেশতে চলি থকা সংযোগৰ পদক্ষেপেও ইয়াৰ ঐক্যক শক্তিশালী কৰি তুলিছে।

আধুনিক আন্তঃগাঁথনি -ৰে'লপথ, পথ, ঘাইপথ আৰু ইণ্টাৰনেটক সামৰি লৈছে-গাঁও আৰু চহৰৰ মাজৰ ব্যৱধান দূৰ কৰিছে। যেতিয়া কাশ্মীৰ আৰু উত্তৰ-পূবৰ ৰাজধানীসমূহ ৰে'লযোগে সংযোগ কৰা হয়, যেতিয়া লাক্ষাদ্বীপ আৰু আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জক সাগৰৰ তলৰ কেবলৰ জৰিয়তে দ্ৰুতবেগী ইণ্টাৰনেটৰ সৈতে সংযুক্ত কৰা হয়, আৰু যেতিয়া পাহাৰীয়া অঞ্চলৰ মানুহে মোবাইল নেটৱৰ্কৰ সুবিধা লাভ কৰে, তেতিয়া উন্নয়নৰ দৌৰত পিছ পৰি থকাৰ ভয় নাইকিয়া হয়। 'সবকা সাথ, সবকা বিকাশ' এতিয়া সুশাসনৰ মন্ত্ৰত পৰিণত হৈছে। এই বিকাশ আৰু বিশ্বাসৰ ঐক্যই 'এক ভাৰত-শ্ৰেষ্ঠ ভাৰত'ৰ সৃষ্টি ত্বৰান্বিত কৰে।

## চাৰিটা স্তম্ভৰ ওপৰত ভাৰতৰ ঐক্য ৰক্ষা কৰা

একতা হৈছে এখন 'বিকশিত ভাৰত'ৰ লক্ষ্যত উপনীত হোৱাৰ মৌলিক ভিত্তি। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নিজেই এই ঐক্যৰ বাবে চাৰিটা মূল স্তম্ভৰ ৰূপৰেখা দাঙি ধৰিছে, যাৰ ওপৰত ৰাষ্ট্ৰই অহৰহ কাম কৰি আছে।

একতাৰ প্ৰথম স্তম্ভ হৈছে সাংস্কৃতিক ঐক্য। ভাৰতৰ সংস্কৃতিয়েই পৰিৱৰ্তিত ৰাজনৈতিক পৰিস্থিতিক অতিক্ৰম কৰি সহস্ৰাব্দ ধৰি

National Unity Day Special
প্ৰচ্ছদ নিবন্ধ

# এক ভাৰত - শ্ৰেষ্ঠ ভাৰত

## সংস্কৃতিৰ পৰা ৰাষ্ট্ৰীয় সংহতিলৈ

*আৰম্ভণি: ৩১ অক্টোবৰ ২০১৫*

- ৰাষ্ট্ৰীয় একতা দিৱসত আৰম্ভ কৰা - চৰ্দাৰ বল্লভভাই পেটেলৰ ১৪০ সংখ্যক জয়ন্তীৰ লগত সংগতি ৰাখি লোৱা এই পদক্ষেপৰ মূল উদ্দেশ্য আছিল ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ মাজত ভাষা, সাহিত্য, সংস্কৃতি, পৰম্পৰাৰ আদান-প্ৰদান বৃদ্ধি কৰা।
- ৰাজ্যসমূহক সংযোগ কৰি সাংস্কৃতিক ভ্ৰমণ, ভাষা শিবিৰ, ছাত্ৰ-শিক্ষক বিনিময়, উৎসৱ, কুইজ, আৰু ৰচনা প্ৰতিযোগিতা আয়োজন কৰা হৈছিল। ইয়াৰ উদ্দেশ্য আছিল যে দেশৰ এটা অংশৰ নাগৰিকে আনটো অংশ কেৱল মানচিত্ৰৰ জৰিয়তে নহয়, প্ৰত্যক্ষ অভিজ্ঞতাৰ জৰিয়তেও জানিব পাৰিব।
- সময়ৰ লগে লগে এই পদক্ষেপ এক বহল দৰ্শনলৈ বিকশিত হয়। বৈচিত্ৰ্য ৰক্ষা কৰাৰ লগতে ঐক্য শক্তিশালী কৰাৰ দৃষ্টিভংগীয়ে ব্যৱস্থাসমূহৰ সংহতিৰ পথ প্ৰশস্ত কৰিলে।
- ভাষিক ঐক্যৰ পোষকতা কৰিবলৈ ভাৰতীয় ভাষাৰ শিক্ষা আৰু ভাষাৰ প্ৰসাৰ।
- সৌৰাষ্ট্ৰ-তামিল সংগমম আৰু কাশী-তামিল সংগমম আদি সাংস্কৃতিক অনুষ্ঠান।
- আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ জৰিয়তে সাংস্কৃতিক বন্ধন।

### কাশী-তামিল সংগমম

*২০২২ চনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উদ্বোধন কৰা কাশী-তামিল সংগমমে আজিলৈকে চাৰিটা সংস্কৰণৰ মাজেৰে অধিক শক্তিশালী হৈ উঠা এখন সাংস্কৃতিক সেতুৰ ভেটি স্থাপন কৰে। ই তামিলনাডু আৰু কাশীৰ মাজত সাংস্কৃতিক আৰু শৈক্ষিক সংযোগৰ এক মঞ্চলৈ বিকশিত হৈছে।*

- কেটিএছ ১.০এ এক নিমজ্জিত সাংস্কৃতিক অভিজ্ঞতা আগবঢ়াইছিল। কেটিএছ ২.০ত জনসাধাৰণৰ অংশগ্ৰহণ আৰু বিষয়ভিত্তিক নিয়োজনৰ সম্প্ৰসাৰণ অন্তৰ্ভুক্ত কৰা হৈছিল। কেটিএছ ৩.০ আছিল জ্ঞানকেন্দ্ৰিক। কেটিএছ ৪.০ৰ সহায়ত তামিল ভাষা শিকিবলৈ অগ্ৰাধিকাৰ দিয়া হৈছিল।

**সৌৰাষ্ট্ৰ-তামিল সংগমম:** ২০২৩ চনত আয়োজন কৰা সৌৰাষ্ট্ৰ-তামিল সংগমমে গুজৰাট আৰু তামিলনাডুৰ মাজত ভাগ-বাটোৱাৰা কৰা সংস্কৃতি আৰু ঐতিহ্যৰ উদযাপনৰ কাম কৰিছিল। ১০ দিনীয়া এই উৎসৱত সৌৰাষ্ট্ৰ সম্প্ৰদায়ৰ ৩ হাজাৰৰো অধিক তামিল লোকে অংশগ্ৰহণ কৰে।



**যুৱ সংগম ঃ** ইয়াৰ ৭ম পৰ্যায় বৰ্তমান চলি আছে, য'ত যুৱক-যুৱতীসকলক শৈক্ষিক ভ্ৰমণৰ সুযোগ প্ৰদান কৰা হৈছে।

**ভাষা সংগমঃ** এই এপটোৰ উদ্দেশ্য হৈছে নাগৰিকসকলক বিভিন্ন ভাৰতীয় ভাষাৰ সৈতে পৰিচিত কৰা আৰু তেওঁলোকক শিকিবলৈ সুযোগ প্ৰদান কৰা।

দেশখনক চিৰন্তন ৰাষ্ট্ৰ হিচাপে সংৰক্ষণ কৰি ৰাখিছে। বাৰটা জ্যোতিৰ্লিংগ, সাতখন পৱিত্ৰ নগৰ, চাৰ ধাম, পঞ্চাশটাতকৈও অধিক শক্তিপীঠ আৰু তীৰ্থযাত্ৰাৰ পৰম্পৰাই ভাৰতক এক উজ্জীৱিত, সচেতন ৰাষ্ট্ৰ কৰি তোলা জীৱন শক্তি গঠন কৰে। এই পৰম্পৰাক আজি 'সৌৰাষ্ট্ৰ তামিল সংগমম' আৰু 'কাশী তামিল সংগমম'ৰ দৰে অনুষ্ঠানৰ জৰিয়তে আগুৱাই নিয়া হৈছে। ভাৰতৰ

## এক ৰাষ্ট্ৰ, এক সময়

### বিদেশী উপগ্ৰহভিত্তিক সময়ৰ উৎসৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস পাব

*২০২৬ চনৰ ২৭ আগষ্টত গ্ৰাহক পৰিক্ৰমা বিভাগে আইনী পৰিমাপ (ভাৰতীয় মানক সময়) নিয়ম, ২০২৬ৰ বিষয়ে জাননী জাৰি কৰে। এই নিয়মসমূহ ৰাজপত্ৰত প্ৰকাশ পোৱাৰ ১৮০ দিনৰ পিছত কাৰ্যকৰী হ'ব। ভাৰতীয় মানক সময় (IST) আইনী, প্ৰশাসনিক, বাণিজ্যিক, আৰু চৰকাৰী উদ্দেশ্যৰ বাবে সমগ্ৰ দেশতে একেধৰণৰ সময়ৰ উল্লেখ হিচাপে কাম কৰিব।*

- এই 'এক ৰাষ্ট্ৰ, এক সময়' পদক্ষেপে ভাৰতৰ সময় প্ৰসাৰণ আন্তঃগাঁথনিৰ বাবে বিদেশী উপগ্ৰহভিত্তিক সময়ৰ উৎসৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস কৰাত সহায় কৰিব।
- এটা শ্বেয়াৰড টাইম ৰেফাৰেন্সে বেংকিং আৰু ডিজিটেল পেমেণ্টৰ বাবে নিখুঁত টাইম-ষ্টেম্পিং সক্ষম কৰিব।
- ই ৰে'লৱে, বিমানবন্দৰ, দূৰসংযোগ, ইণ্টাৰনেট, আৰু শক্তি ব্যৱস্থাৰ মাজত উন্নত সমন্বয়ৰ সুবিধা প্ৰদান কৰিব।
- চৰকাৰী আৰু আইনী অভিলেখৰ লগতে জৰুৰীকালীন আৰু অন্যান্য সময়ৰ প্ৰতি সংবেদনশীল সেৱাসমূহৰ সম্পৰ্কেও সমন্বয় উন্নত হ'ব।



মহান যোগ বিজ্ঞানেও আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ জৰিয়তে নতুন স্বীকৃতি লাভ কৰিছে; আজি যোগ মানুহক সংযোগ কৰাৰ মাধ্যমত পৰিণত হৈছে।

> কাশী তামিল সংগমম আৰু সৌৰাষ্ট্ৰ তামিল সংগমম পদক্ষেপসমূহ সাংস্কৃতিক বিনিময়ৰ উজ্জীৱিত মঞ্চত পৰিণত হৈছে, পৰম্পৰা, ভাষা, আৰু সম্প্ৰদায়সমূহক সংযোগ কৰি বৈচিত্ৰ্যৰ মাজতো ভাৰতৰ ঐক্যক উদযাপন কৰা হৈছে।
>
> *-নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী*

ঐক্যৰ দ্বিতীয় স্তম্ভ হৈছে ভাষিক ঐক্য। ভাৰতৰ শ শ ভাষা আৰু উপভাষা ইয়াৰ মুক্ত আৰু সৃষ্টিশীল মানসিকতাৰ প্ৰতীক। কোনো সমাজ, কৰ্তৃত্ব, পন্থাই কেতিয়াও ভাষাক নিজৰ অস্ত্ৰত পৰিণত কৰা নাই, কোনো এটা ভাষাক জাপি দিয়াৰো চেষ্টা চলোৱা হোৱা নাই। সেয়ে ভাৰত ভাষিক বৈচিত্ৰ্যৰ দৃষ্টিৰে বিশ্বৰ ইমান সমৃদ্ধ ৰাষ্ট্ৰ হৈ পৰিছে। ভাৰতীয় ভাষাসমূহে সংগীতৰ বেলেগ বেলেগ সুৰৰ দৰে ৰাষ্ট্ৰৰ পৰিচয়ক শক্তিশালী কৰি তুলিছে। সেইবাবেই বৰ্তমানৰ চৰকাৰে প্ৰতিটো ভাষাক ৰাষ্ট্ৰীয় ভাষা হিচাপে গণ্য কৰে। ভাৰতত তামিলৰ দৰে বিশ্বৰ আটাইতকৈ পুৰণি ভাষা আছে, সংস্কৃতৰ দৰে জ্ঞানৰ ভঁৰাল আছে। আজি প্ৰতিটো ভাৰতীয় ভাষাক উৎসাহিত কৰা হৈছে, যাতে ভাৰতৰ প্ৰতিটো শিশুৱে নিজৰ মাতৃভাষাত পঢ়িব পাৰে। ভাৰতীয়সকলে যাতে দেশৰ অন্যান্য ভাষাৰ বিষয়ে আৰু ভাষাৰ পৰা শিকে, ভাষাসমূহে ৰাষ্ট্ৰৰ বাবে একত্ৰীকৰণ শক্তি হিচাপে কাম কৰিব পাৰে, তাৰ বাবেও প্ৰচেষ্টা চলোৱা হৈছে।

ঐক্যৰ তৃতীয় স্তম্ভ হৈছে বৈষম্যমুক্ত উন্নয়ন। দৰিদ্ৰতা আৰু বৈষম্যই হৈছে সামাজিক তন্ত্ৰৰ আটাইতকৈ ডাঙৰ দুৰ্বলতা। আক্ৰমণকাৰীয়ে সদায় এই দুৰ্বলতাসমূহৰ ব্যৱহাৰ কৰি আহিছে। সেইবাবেই চৰ্দাৰ পেটেলে দৰিদ্ৰতাৰ বিৰুদ্ধে যুঁজিবলৈ দেশৰ বাবে দীৰ্ঘম্যাদী পৰিকল্পনাত কাম কৰিব বিচাৰিছিল। তেওঁ এবাৰ মন্তব্য কৰিছিল যে ভাৰতে ১৯৪৭ চনৰ দহ বছৰ আগতে স্বাধীনতা লাভ কৰিলে সেই সময়লৈকে ৰাষ্ট্ৰ খাদ্য শস্যৰ নাটনিৰ সংকটৰ পৰা মুক্ত হ'লহেঁতেন।

আজি কেন্দ্ৰীয় চৰকাৰে চৰ্দাৰ পেটেলৰ এই অসাধ্য সংকল্পসমূহ পূৰণৰ বাবে কাম কৰি আছে। বিগত ১২ বছৰত ২৫ কোটি নাগৰিকক দৰিদ্ৰতাৰ পৰা উলিয়াই আনিছে। আজি লাখ লাখ

# ‘এক ভাৰত, শ্ৰেষ্ঠ ভাৰত’ৰ মূল স্তম্ভ



**খাদ্য উৎসৱ: খাদ্য পৰম্পৰা:** যোৰযুক্ত ৰাজ্যসমূহৰ মাজত খাদ্য সংস্কৃতিৰ আদান-প্ৰদানৰ সুবিধাৰ বাবে অনুষ্ঠানৰ আয়োজন কৰা হয়, যাৰ ফলত অংশগ্ৰহণকাৰীসকলে তেওঁলোকৰ অংশীদাৰ ৰাজ্যৰ খাদ্যৰ সোৱাদ ল’ব পাৰে আৰু তেওঁলোকৰ স্বকীয় খাদ্যৰ বিষয়ে জানিব পাৰে।

**সংস্কৃতিৰ আদান-প্ৰদান:** ভাৰতৰ সংস্কৃতি তথা উৎসৱৰ বিষয়ে জানিবলৈ এই বিষয়বস্তুৰ অধীনত বেলেগ বেলেগ ৰাজ্যৰ উৎসৱ কেনেদৰে পালন কৰা হয়, সিবিলাকৰ তাৎপৰ্য কি, এনেকুৱা কাৰ্যক্ৰম অনুষ্ঠিত কৰা হয়। ৰাজ্যৰ পৰম্পৰাগত স্থানীয় খাদ্য প্ৰণালী আৰু ৰান্ধনীশালৰ পদ্ধতিও প্ৰদৰ্শন কৰা হয়।

**যুৱ মহোৎসৱ:** ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ নিৰ্বাচিত প্ৰতিষ্ঠানসমূহে যুৱ মহোৎসৱৰ আয়োজন কৰে, নিজৰ আৰু নিজৰ অংশীদাৰ ৰাজ্য উভয়ৰে বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়সমূহক আমন্ত্ৰণ জনায়।

**‘এক ভাৰত, শ্ৰেষ্ঠ ভাৰত’ ক্লাব:** দেশজুৰি শিক্ষানুষ্ঠানসমূহত ‘এক ভাৰত, শ্ৰেষ্ঠ ভাৰত’ ক্লাবসমূহ স্থাপন কৰা হৈছে। এই ক্লাবসমূহে অভিযানৰ বাৰ্তা প্ৰচাৰ কৰে আৰু প্ৰতিমাহে ‘এক ভাৰত, শ্ৰেষ্ঠ ভাৰত দিৱস’ পালন কৰে।

**শৈক্ষিক বিনিময়:** ইয়াৰ জৰিয়তে শিক্ষানুষ্ঠানসমূহে আনুষংগিক বিষয়সমূহ আলোচনা কৰে। কাৰ্য্যসূচীসমূহৰ ভিতৰত আলোচনা চক্ৰ আৰু ৱেবিনাৰ আয়োজন কৰাৰ লগতে অংশীদাৰ ৰাজ্যসমূহৰ প্ৰতিষ্ঠানসমূহ ভ্ৰমণ কৰাটোও অন্তৰ্ভুক্ত।

**ক্ৰীড়া অনুষ্ঠান:** ‘এক ভাৰত, শ্ৰেষ্ঠ ভাৰত’ৰ অধীনত ক্ৰীড়াৰ অনুষ্ঠান আয়োজন কৰা হয় য’ত দলীয় ক্ৰীড়াৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰা হয় যাতে যুৱক-যুৱতীসকলৰ মাজত দলীয় মনোভাৱ গঢ়ি উঠে। পৰম্পৰাগত ক্ৰীড়াক অগ্ৰাধিকাৰ দিয়া হয়।

দৰিদ্ৰই ঘৰ লাভ কৰি আছে; বিশুদ্ধ পানী ঘৰে ঘৰে পাই আছে; আৰু বিনামূলীয়া চিকিৎসাৰ ব্যৱস্থা কৰা হৈছে। মূলতঃ প্ৰতিজন নাগৰিকৰ বাবে মৰ্যাদাপূৰ্ণ জীৱন নিশ্চিত কৰাটো আজিৰ ৰাষ্ট্ৰৰ মিছন আৰু দৃষ্টিভংগী দুয়োটা। বৈষম্য আৰু দুৰ্নীতিমুক্ত নীতিয়ে ৰাষ্ট্ৰীয় একতাক শক্তিশালী কৰি তুলিছে।

ৰাষ্ট্ৰীয় একতাৰ চতুৰ্থ স্তম্ভ হ’ল সংযোগৰ জৰিয়তে হৃদয়ৰ

পৰ্যটন বিনিময়ঃ উদ্দেশ্য হৈছে অংশীদাৰ ৰাষ্ট্ৰসমূহৰ প্ৰধান পৰ্যটন স্থলী আৰু আকৰ্ষণৰ বিষয়ে জ্ঞান আৰু বুজাবুজি লাভ কৰা। কাৰ্য্যকলাপসমূহৰ ভিতৰত আছে কীৰ্তিচিহ্ন আৰু পৰ্যটন স্থানৰ বিষয়ে তথ্য প্ৰচাৰ কৰা, ট্যুৰ অপাৰেটৰৰ বাবে ৰোডশ্ব' অনুষ্ঠিত কৰা, আৰু হোমষ্টেৰ প্ৰচাৰ কৰা।

কিতাপৰ অনুবাদ: অংশীদাৰ ৰাজ্যসমূহৰ পৰা কিতাপ আৰু পৰ্যটন প্ৰচাৰ পত্ৰিকা অনুবাদ কৰা হয় যাতে তেওঁলোকৰ সাহিত্য আৰু অন্যান্য তথ্যৰ বিষয়ে বুজিবলৈ সুবিধা হয়।

অংশীদাৰ ৰাজ্যৰ ভাষা শিক্ষণ: 'এক ভাৰত শ্ৰেষ্ঠ ভাৰত'ৰ উদ্দেশ্য হৈছে অংশীদাৰ ৰাজ্যৰ ভাষাৰ সৈতে মানুহক পৰিচিত কৰা, যাতে তেওঁলোকে তাৰ স্থানীয় জনসাধাৰণৰ সৈতে মৌলিক যোগাযোগ সম্ভৱপৰ কৰিব পাৰে। মাতৃভাষাৰ বাহিৰেও অন্য ভাৰতীয় ভাষা শিকিবলৈ উৎসাহিত কৰা হয়।

- একে অৰ্থৰ প্ৰবাদ শিকোৱা হয়; গীত অনুবাদ কৰা হয়; আৰু এটা দৈনন্দিন ব্যৱহৃত বাক্য ২২টা ভাষালৈ অনুবাদ কৰা হয়।
- ভ্ৰমণ আৰু শিবিৰ: অংশীদাৰ ৰাজ্যত ভ্ৰমণ আৰু শিবিৰৰ আয়োজন কৰা হয়।
- উৎসৱ আৰু উদযাপন: উৎসৱৰ আয়োজন কৰা হয়, আৰু অংশীদাৰ ৰাজ্যসমূহক অংশগ্ৰহণ কৰিবলৈ আমন্ত্ৰণ জনোৱা হয়।



## ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাসমূহে এতিয়া প্ৰতিখন ৰাজ্যকে আঁকোৱালি লৈছে

### একতাৰ বাবে এক নতুন পদক্ষেপ

- স্থানৰ এক ঐতিহাসিক পৰিৱৰ্তন: পূৰ্বতে দিল্লীতে সীমাবদ্ধ হৈ থকা ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা প্ৰদান অনুষ্ঠানটোক দেশৰ প্ৰধান পৰ্যটনস্থলীলৈ লৈ যোৱাৰ বাবে এক নতুন পদক্ষেপ গ্ৰহণ কৰা হৈছে।
- গুজৰাটৰ কেভাড়িয়াত আৰম্ভণি: ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে ২০২৬ চনৰ ২২ ছেপ্টেম্বৰত গুজৰাটৰ কেভাড়িয়াত থকা 'একতাৰ প্ৰতিমূৰ্তি'ত এই উদ্যোগৰ শুভাৰম্ভ কৰে।
- 'এক ভাৰত, শ্ৰেষ্ঠ ভাৰত'ৰ বাৰ্তা: চিনেমাৰ উৎকৰ্ষ আৰু বৈচিত্ৰ্যক সন্মান জনাই আধুনিক ভাৰতৰ স্থপতি চৰ্দাৰ বল্লভভাই পেটেলৰ প্ৰতিমূৰ্তিস্থলীত 'এক ভাৰত, শ্ৰেষ্ঠ ভাৰত'ৰ মনোভাবক মূৰ্ত কৰি তুলিছে।
- অনুষ্ঠান আয়োজন কৰিবলৈ ৰাজ্যসমূহক আমন্ত্ৰণ: কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে ৰাজ্যসমূহক তেওঁলোকৰ বিশিষ্ট পৰ্যটনস্থলীত এই অনুষ্ঠানৰ আয়োজন কৰাৰ প্ৰস্তাৱ দাখিল কৰিবলৈ আহ্বান জনাইছে; পৰৱৰ্তী বঁটা প্ৰদান অনুষ্ঠান নিৰ্বাচিত ৰাজ্যত অনুষ্ঠিত হ'ব।
- পৰ্যটন আৰু ৰাষ্ট্ৰীয় ঐক্য বৃদ্ধি কৰা: শিল্প, সংস্কৃতি, আৰু পৰ্যটনৰ এই সংগমে কেৱল আঞ্চলিক উন্নয়ন আৰু পৰ্যটনক ত্বৰান্বিত কৰাই নহয়, বৰং ৰাষ্ট্ৰক ঐক্যবদ্ধভাৱে একেলগে বান্ধি ৰাখিব।

সংযোগ। আজি সমগ্ৰ দেশতে অভিলেখ হাৰত ঘাইপথ আৰু এক্সপ্ৰেছৱে নিৰ্মাণৰ কাম চলি আছে। বন্দে ভাৰত আৰু নমো ভাৰতৰ দৰে ৰে'লে ভাৰতীয় ৰে'লৱেত অভূতপূৰ্ব পৰিৱৰ্তন আনিছে। আনকি সৰু চহৰবোৰো এতিয়া বিমানবন্দৰৰ জৰিয়তে সংযোগ কৰা হৈছে। এই আধুনিক আন্তঃগাঁথনিয়ে ভাৰতৰ প্ৰতি বিশ্বৰ ধাৰণা সম্পূৰ্ণৰূপে সলনি কৰি পেলাইছে। ই সমগ্ৰ দেশতে

National Unity Day Special

প্ৰচ্ছদ নিবন্ধ

# এক ৰাষ্ট্ৰ, এক কৰ

## অৰ্থনৈতিক সংহতিৰ এক নতুন যুগ

### এক ৰাষ্ট্ৰ, এক কৰ - জিএছটি

*আৰম্ভ: ১ জুলাই, ২০১৭*




- সামগ্ৰী আৰু সেৱা কৰ (জিএছটি)য়ে ৩০টা কৰ আৰু চেছক একত্ৰিত কৰি এক কৰ ব্যৱস্থাৰূপে ৰূপায়ণ কৰে।
- ইয়াৰ উদ্দেশ্য হৈছে বিভিন্ন ৰাজ্যৰ কৰ সীমাৰ পৰা উদ্ভৱ হোৱা জটিলতা হ্ৰাস কৰা আৰু ভাৰতক এক ঐক্যবদ্ধ বজাৰৰ দিশে আগুৱাই নিয়া। ইয়াৰ ফলত ৰাজ্যসমূহৰ মাজত বাণিজ্য আৰু অন্যান্য কৰসমূহৰ বুজাবুজি সৰল হৈ পৰিল।
- কেন্দ্ৰ আৰু ৰাজ্যসমূহক একত্ৰিত কৰি জিএছটি পৰিষদ এই ব্যৱস্থাৰ এক গুৰুত্বপূৰ্ণ উপাদান হৈ পৰিল।
- 'জিএছটি ২.০'ৰ অধীনত - পৰৱৰ্তী প্ৰজন্মৰ সংস্কাৰ - কৰ হাৰ মূলতঃ ৫% আৰু ১৮% স্লেবলৈ সংশোধন কৰা হৈছে।

২০২৬ **১.৬৫** কোটি

২০১৭ **৬৬.৫** লাখ

**একতাৰ এনাজৰী :** ৯ বছৰৰ ভিতৰত জিএছটিয়ে ভাৰতৰ 'এক ভাৰত - শ্ৰেষ্ঠ ভাৰত' (এক ভাৰত - মহান ভাৰত)ৰ দৃষ্টিভংগীক শক্তিশালী কৰি তুলিছে। ইয়াত ১৭টা ভিন্ন কৰ আৰু ১৩টা চেছক এক উমৈহতীয়া কাঠামোত একত্ৰিত কৰা হৈছে।

### এক ৰাষ্ট্ৰ, এক FASTag




*মুকলি: টোল সংগ্ৰহ ইলেক্ট্ৰনিকভাৱে একত্ৰিত কৰি ২০১৯ চনত আৰম্ভ কৰা হয়; ২০২১ চনৰ ফেব্ৰুৱাৰী মাহলৈকে ৰাষ্ট্ৰীয় ঘাইপথৰ সকলো টোল প্লাজা FASTag লেন হিচাপে নিৰ্ধাৰণ কৰা হৈছিল।*

- দেশৰ ঘাইপথসমূহৰ মাজেৰে যাত্ৰা নীৰৱচ্ছিন্ন আৰু দ্ৰুত হৈ পৰিছে; টোল প্লাজাত শাৰীৰ সংখ্যা হ্ৰাস পাইছে, আৰু ইন্ধনৰ ৰাহি হৈছে।
- ব্যক্তিগত গাড়ী, জীপ, আৰু ভেনৰ বাবে বাৰ্ষিক পাছৰ সুবিধা ২০২৫ চনৰ ১৫ আগষ্টত প্ৰৱৰ্তন কৰা হয়, যাৰ ব্যয় আছিল ৩,০৭৫ টকা। এই পাছ এবছৰৰ বাবে বা টোল পজাৰ মাজেৰে ২০০টা পাছৰ বাবে বৈধ।
- 'OneTag' এতিয়া প্ৰৱৰ্তন কৰা হৈছে, যিয়ে FASTag পৰ্টেবিলিটি প্ৰদান কৰে। ই ব্যৱহাৰকাৰীসকলক বাহনৰ সৈতে সংযুক্ত বৰ্তমানৰ FASTag থকাৰ সময়ত ইচ্ছুকাৰী সলনি কৰাৰ অনুমতি দিয়ে, FASTag ব্যৱহাৰকাৰীসকলৰ বাবে অধিক সুবিধা আৰু পছন্দ প্ৰদান কৰে।

**৯৮%**

ৰো অধিক ব্যৱহাৰ আৰু প্ৰায় ১৩ কোটি ব্যৱহাৰকাৰীৰে FASTag এ দেশত ইলেক্ট্ৰনিক টোল সংগ্ৰহ ব্যৱস্থাক ৰূপান্তৰিত কৰিছে।




**একতাৰ এনাজৰী:** দেশজুৰি এটা FASTag ব্যৱহাৰ কৰি আপুনি টোল দিব পাৰে। বহু স্থানত পাৰ্কিং পেমেণ্টৰ বাবেও ইয়াক ব্যৱহাৰ কৰিব পাৰি। বিভিন্ন ৰাজ্যত পৃথকে পৃথকে টোল দিয়াৰ প্ৰয়োজনীয়তা নাইকিয়া হৈছে, যাৰ ফলত শুল্কৰ সন্দৰ্ভত একেধৰণৰ ব্যৱহাৰ নিশ্চিত কৰা হৈছে।

দূৰত্বক সেতুবন্ধন কৰিছে-উত্তৰৰ পৰা দক্ষিণলৈ আৰু পূবৰ পৰা পশ্চিমলৈ। জনসাধাৰণৰ মাজত সংযোগ আৰু সাংস্কৃতিক আদান-প্ৰদানৰ এক নতুন যুগে ৰাষ্ট্ৰীয় একতাক শক্তিশালী কৰি তুলিছে। যোৱা ১২ বছৰত ভাৰতে যি ডিজিটেল বিপ্লৱৰ সাক্ষী হৈ আহিছে, সেইটোৱে এই ঐক্যক আৰু অধিক শক্তিশালী কৰি তুলিছে।

যোৱা ১২ বছৰত ভাৰতে প্ৰত্যক্ষ কৰা ডিজিটেল বিপ্লৱে এই ঐক্যক অধিক শক্তিশালী কৰিছে।

> ঐক্যৰ অভাৱে যেতিয়া নতুন সংকটৰ জন্ম দিয়ে, তেতিয়া সকলোৰে সামূহিক প্ৰচেষ্টাই ৰাষ্ট্ৰক নতুন উচ্চতালৈ আগুৱাই নিয়ে। স্বাধীন ভাৰত নিৰ্মাণৰ সময়ত প্ৰাসংগিক হৈ থকা 'সবকা প্ৰয়াস' (সামূহিক প্ৰচেষ্টা)ৰ ধাৰণাটো স্বাধীনতাৰ এই 'অমৃত কাল'ত আৰু অধিক গুৰুত্বপূৰ্ণ।
>
> *-নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী*



## যেতিয়া সমগ্ৰ ৰাষ্ট্ৰই একেলগে ব্যৱসায়ৰ ভাষাৰে কথা কৈছিল

এই ৰূপান্তৰৰ আটাইতকৈ গুৰুত্বপূৰ্ণ আৰু বহুলভাৱে চৰ্চিত উদাহৰণ হিচাপে গুডছ এণ্ড ছাৰ্ভিচেছ টেক্স (জিএছটি) থিয় দিছে। দশক দশক ধৰি ভাৰতত এক খণ্ডিত কৰ ব্যৱস্থা আছিল, য'ত প্ৰতিখন ৰাজ্যই নিজস্ব ব্যৱস্থাৰ অধীনত কাম কৰিছিল। ৰাজ্যৰ সীমা অতিক্ৰম কৰা ট্ৰাকসমূহে চেক-প'ষ্টত ঘণ্টাৰ পিছত ঘণ্টা অপেক্ষা কৰিবলগীয়া হৈছিল, আনহাতে বিভিন্ন কৰৰ হাৰ আৰু আমোলাতান্ত্ৰিক ৰঙা ফিতাৰ মেৰপেঁচেই আছিল স্বাভাৱিক পৰিঘটনা। একেটা সামগ্ৰীৰ মূল্য ৰাজ্যৰ সীমা অতিক্ৰম কৰাৰ লগে লগে সলনি হৈছিল আৰু ব্যৱসায়ীসকল পৃথক পৃথক ৰাজ্যৰ বাবে পৃথক হিচাপ-নিকাচ ৰখাৰ বোজাত ভাৰাক্ৰান্ত হৈছিল। ক্ষুদ্ৰ দোকানীসকলৰ পৰা আৰম্ভ কৰি বৃহৎ উদ্যোগপতিসকললৈকে সকলোৱেই এই জটিল ব্যৱস্থাৰ সৈতে মোকাবিলা কৰিবলগীয়া হৈছিল।

সংবিধানৰ ১০১ সংখ্যক সংশোধনীৰ পিছত ২০১৭ চনৰ ১ জুলাইত এই সমগ্ৰ পৰিৱেশ সলনি হৈ পৰে। 'এক ৰাষ্ট্ৰ, এক কৰ'ৰ দৃষ্টিভংগীৰ অধীনত ৰূপায়ণ কৰা জিএছটিয়ে আবকাৰী শুল্ক, সেৱা কৰ, ভেট আৰু স্থানীয় কৰ (অক্ট্ৰয়)ৰ দৰে কেইবাডজনো পৰোক্ষ কৰক এক একীভূত ব্যৱস্থাৰ অধীনলৈ আনে। এতিয়া এটা মাত্ৰ জিএছটি নম্বৰ, একক অনলাইন ৰিটাৰ্ণ প্ৰক্ৰিয়া আৰু এক মানদণ্ডৰ কৰ ব্যৱস্থাৰে ব্যৱসায়ীসকলে দেশৰ যিকোনো প্ৰান্তলৈ নীৰৱচ্ছিন্নভাৱে সামগ্ৰী পৰিবহণ কৰিব পাৰে। ইয়াৰ ফলত কেৱল ব্যৱসায় কৰাটো সৰল হৈ পৰাই নহয়, ভাৰত এখন প্ৰকৃত অৰ্থত একক বজাৰলৈও ৰূপান্তৰিত হৈছে। কেন্দ্ৰ আৰু ৰাজ্যসমূহক সিদ্ধান্ত গ্ৰহণৰ বাবে একত্ৰিত কৰা জিএছটি পৰিষদে এই ৰূপান্তৰক 'সহযোগিতামূলক ফেডাৰেলিজম'ৰ এক প্ৰাণৱন্ত উদাহৰণলৈ ৰূপান্তৰিত কৰিছে; ইয়াত সকলো ৰাজ্যৰ মতামত একেটা মঞ্চত শুনা হয় আৰু কৰৰ হাৰৰ পৰা ৰেহাইলৈকে প্ৰতিটো সিদ্ধান্ত পাৰস্পৰিক ঐকমত্যৰ জৰিয়তে গ্ৰহণ কৰা হয়।

## পেঞ্চনৰ বৈষম্য দূৰীকৰণ: এক সুষম ব্যৱস্থা প্ৰতিষ্ঠা

দশক দশক ধৰি দেশৰ প্ৰাক্তন সেনাসদস্যসকলে এটা নিৰ্দিষ্ট দাবী উত্থাপন কৰি আহিছিল: 'এক ৰেংক, এক পেঞ্চন' (অ'আৰঅ'পি)- অৰ্থাৎ একে ৰেংকৰ বাবে আৰু একে সময়ৰ সেৱাৰ বাবে সমান পেঞ্চন। পূৰ্বতে একে ৰেংকত বহু বছৰৰ পিছত অৱসৰ গ্ৰহণ কৰা এজন সৈনিকৰ তুলনাত আগতেই অৱসৰ গ্ৰহণ কৰা এজন সৈনিকে কম পেঞ্চন লাভ কৰিছিল, যদিও দুয়োগৰাকীয়ে একে ধৰণৰ সেৱা আগবঢ়োৱাৰ লগতে দেশৰ সীমান্ত সুৰক্ষিত কৰাৰ সময়ত একে ধৰণৰ বিপদৰ সন্মুখীন হৈছিল। এই বৈষম্য দশক দশক ধৰি প্ৰাক্তন সেনাসদস্যসকলৰ মাজত গভীৰ অসন্তুষ্টিৰ এক কাৰণ হৈ আছিল আৰু ইয়াৰ ফলত কেইবাটাও বৃহৎ আন্দোলনৰ সূচনা হৈছিল। ২০১৪ চনৰ পূৰ্বৰ সময়ছোৱাত প্ৰাক্তন সেনাসদস্যসকলে আনকি নিজৰ পদক ঘূৰাই দিয়াৰ দৰে প্ৰতিবাদো সাব্যস্ত কৰিছিল। ২০১৪

National Unity Day Special
প্ৰচ্ছদ নিবন্ধ

# সমাজ কল্যাণ

# এক সংহত সুৰক্ষা কবচ

## এক দেশ, এক ৰেচন কাৰ্ড

আৰম্ভ: ২০১৯

**৮১** কোটিৰো অধিক হিতাধিকাৰীক বিনামূলীয়া ৰেচন প্ৰদান কৰা হৈছে।

- প্ৰব্ৰজিত শ্ৰমিক আৰু নিজ গৃহভূমিৰ বাহিৰৰ স্থানত কৰ্মৰত হিতাধিকাৰীসকলৰ বাবে ৰেচন সুবিধা প'ৰ্টেবল কৰি তুলিবলৈ এক ব্যৱস্থা স্থাপন কৰা হৈছে।
- হিতাধিকাৰীসকলে এতিয়া নতুন ৰেচন কাৰ্ড বনোৱাৰ প্ৰয়োজন নোহোৱাকৈ দেশৰ যিকোনো স্থানতে তেওঁলোকৰ প্ৰাপ্য ৰেচন সংগ্ৰহ কৰিব পাৰে।
- আধাৰ-সংযুক্ত পৰিচয় আৰু সুলভ মূল্যৰ দোকানত ইলেক্ট্ৰনিক পইণ্ট অৱ ছেল (ইপিঅ'এছ) মেচিনৰ ব্যৱহাৰে এই প'ৰ্টেবিলিটি সম্ভৱ কৰি তুলিছে।



**একতাৰ এনাজৰী:** এগৰাকী নাগৰিকে য'তেই কাম নকৰক কিয়, খাদ্যৰ অধিকাৰো তাতেই তেওঁৰ ওচৰলৈকে গৈ পাব লাগে।

## এক ৰেংক, এক পেঞ্চন (অ'আৰঅ'পি)

*আৰম্ভ: ২০১৫*



- একে ৰেংকৰ আৰু একে সময়সীমাৰ সেৱা আগবঢ়োৱা প্ৰাক্তন সেনাসকলৰ বাবে একে ধৰণৰ পেঞ্চন প্ৰদান কৰা এক ব্যৱস্থা।
- বিভিন্ন সময়ত অৱসৰ গ্ৰহণ কৰা একে ৰেংকৰ সেনাসকলৰ মাজত থকা পেঞ্চনৰ বৈষম্য দূৰ কৰাই ইয়াৰ উদ্দেশ্য আছিল।
- ২৫ লাখৰো অধিক প্ৰাক্তন সেনা আৰু তেওঁলোকৰ পৰিয়াল ইয়াৰ পৰা উপকৃত হৈছে।

**একতাৰ এনাজৰী:** পেঞ্চন ব্যৱস্থাত সমতাৰ অনুভূতি আৰু দেশ সেৱা কৰা সেনাসকলৰ প্ৰতি সন্মান।

## 'এক দেশ, এক স্বাস্থ্য বীমা'ৰ দিশত ঐতিহাসিক পদক্ষেপ (আয়ুষ্মান ভাৰত)

*সমাজৰ অৰ্থনৈতিকভাৱে দুৰ্বল আৰু বঞ্চিত তলৰ ৪০ শতাংশ পৰিয়ালৰ বাবে দ্বিতীয় আৰু তৃতীয় পৰ্যায়ৰ চিকিৎসালয়ত ভৰ্তিৰ ক্ষেত্ৰত প্ৰতি পৰিয়ালক প্ৰতি বছৰে ৫ লাখ টকাৰ বিনামূলীয়া স্বাস্থ্য কভাৰেজ প্ৰদান কৰা হয়।*

- ২০১৮ চনৰ ছেপ্টেম্বৰত আঁচনিখন আৰম্ভ হোৱাৰ পৰা ২০২৬ চনৰ ১২ আগষ্টলৈকে...

**৪৮.৫৭** কোটিৰো অধিক আয়ুষ্মান কাৰ্ড জাৰি কৰা হৈছে।




চনত কেন্দ্ৰত এখন নতুন চৰকাৰে দায়িত্ব গ্ৰহণ কৰাৰ পিছত এই দীৰ্ঘদিনীয়া দাবীত সন্মতি প্ৰকাশ কৰি ২০১৫ চনত 'এক ৰেংক, এক পেঞ্চন' আঁচনি ৰূপায়ণ কৰে।

একে ৰেংকৰ আৰু একে সময়সীমাৰ বাবে সেৱা আগবঢ়োৱা সকলো প্ৰাক্তন সেনাই অৱসৰৰ বছৰ নিৰ্বিশেষে সমান পেঞ্চন লাভ কৰাটো নিশ্চিত কৰাই ইয়াৰ উদ্দেশ্য আছিল। এগৰাকী চুবেদাৰে ১৯৮৫ চনত সেৱাৰ পৰা অৱসৰ লওক বা ২০১০ চনত, তেওঁৰ

**১৩**

কোটিৰো অধিক

চিকিৎসালয়ত ভৰ্তি আৰু হিতাধিকাৰীসকলে ২ লাখ কোটি টকাৰো অধিক ৰাহি।

- বিভিন্ন ৰাজ্যৰ চিকিৎসালয়ত চিকিৎসা গ্ৰহণৰ বাবে ২৯.০৫ লাখৰো অধিক ৰোগীক অনুমোদন জনোৱা হৈছে, যাৰ সৈতে জড়িত মুঠ ধনৰ পৰিমাণ ৮,৮০০ কোটি টকাৰো অধিক।

- আয়ুষ্মান ভাৰত বয় বন্দনা যোজনাৰ অধীনত ১.২০ কোটি জ্যেষ্ঠ নাগৰিকক পঞ্জীয়ন কৰা হৈছে।

(২২ ছেপ্টেম্বৰ ২০২৬ৰ হিচাপত)

**একতাৰ এনাজৰী:** এখন সুস্থ ভাৰতেই এখন বিকশিত ভাৰতৰ ভেটি। এই লক্ষ্যত উপনীত হ'বলৈ দেশৰ প্ৰতিগৰাকী নাগৰিকৰ সমান স্বাস্থ্যসেৱাৰ সুবিধা লাভৰ সুযোগ থাকিব লাগিব।





## এক দেশ, এক স্বাস্থ্য অভিলেখ

*ৰাষ্ট্ৰীয় স্বাস্থ্য প্ৰাধিকৰণ (এনএইচএ)ৰ নেতৃত্বত ৰূপায়ণ কৰা 'আয়ুষ্মান ভাৰত ডিজিটেল মিছন' (এবিডিএম)-ৰ অধীনত 'এক নাগৰিক, এক ডিজিটেল স্বাস্থ্য অভিলেখ'ৰ লক্ষ্যত উপনীত হোৱাৰ দিশত উল্লেখযোগ্য অগ্ৰগতি লাভ কৰা হৈছে। এই পদক্ষেপৰ লক্ষ্য হৈছে দেশৰ প্ৰতিগৰাকী নাগৰিকৰ বাবে সুৰক্ষিত, কাগজবিহীন আৰু সংহত ডিজিটেল স্বাস্থ্য অভিলেখ সৃষ্টি কৰা।*

### মুখ্য সাফল্য আৰু পৰিসংখ্যা...

এবিএইচএ আইডি সৃষ্টি: প্ৰতিগৰাকী নাগৰিকক এক অনন্য ১৪টা সংখ্যাৰ পৰিচয় প্ৰদান কৰাৰ বাবে ৯৬ কোটিৰো অধিক আয়ুষ্মান ভাৰত স্বাস্থ্য একাউণ্ট (এবিএইচএ) সৃষ্টি কৰা হৈছে।

ডিজিটেল স্বাস্থ্য অভিলেখ সংযোগ: ১১০ কোটিৰো অধিক স্বাস্থ্য অভিলেখ (যেনে পৰীক্ষাগাৰৰ প্ৰতিবেদন, চিকিৎসকৰ প্ৰেছক্ৰিপচন, টিকাকৰণৰ বিৱৰণ, চিকিৎসালয়ৰ পৰা ছুটী দিয়াৰ সাৰাংশ আদি) এবিএইচএ একাউণ্টৰ সৈতে সংযুক্ত কৰা হৈছে।

সন্মতিভিত্তিক বিনিময়: ইয়াৰ জৰিয়তে ৰোগীসকলে নিজৰ সন্মতিৰ ভিত্তিত দেশৰ যিকোনো স্থানৰ চিকিৎসকৰ সৈতে তেওঁলোকৰ পূৰ্বৰ স্বাস্থ্য অভিলেখসমূহ ভাগ-বাটোৱাৰা কৰিব পাৰে। ইয়াৰ ফলত অপ্ৰয়োজনীয় পৰীক্ষা কৰাৰ প্ৰয়োজনীয়তা আৰু কাগজ-পত্ৰৰ ফাইল পৰিচালনাৰ অসুবিধা দূৰ হৈছে।

**একতাৰ এনাজৰী:**
দেশৰ যিকোনো স্থানতে চিকিৎসা গ্ৰহণ কৰক, আপোনাৰ স্বাস্থ্য অভিলেখ ডিজিটেলভাৱে উপলব্ধ থাকিব। মাত্ৰ এটা ক্লিকতে স্বাস্থ্য অভিলেখসমূহ লাভ কৰিব পাৰি।

পেঞ্চন এতিয়া একেটা স্কেলৰ ভিত্তিত নিৰ্ধাৰণ কৰা হয়। সামৰিক পৰিয়ালসমূহৰ মাজত দীৰ্ঘদিন ধৰি আলোচনাৰ বিষয় হৈ থকা এই বৈষম্যৰ অৱশেষত সমাধান কৰা হয়। এই নতুন সংহত ব্যৱস্থাৰ জৰিয়তে দেশে এক স্পষ্ট বাৰ্তা প্ৰদান কৰিলে: তেওঁলোকৰ সেৱা আৰু ভিন্ন মাপকাঠিৰে জোখা নহ'ব।

### এক দেশ, এক আইন, এক সংবিধান

এই একত্ৰীকৰণৰ যাত্ৰাৰ আটাইতকৈ ঐতিহাসিক অধ্যায়টো ২০১৯

# শিক্ষা - পৰীক্ষা - নিযুক্তি

## যুৱ সম্ভাৱনাৰ ঐক্যবদ্ধ শক্তি



### এক দেশ, এক পৰীক্ষা (এনটিএ)

আৰম্ভ: ২০১৭ চনত সূচনা;
২০২৬ৰ বাবে পৰিৱৰ্তনৰ পৰিকল্পনা

- ৰাষ্ট্ৰীয় পৰীক্ষা সংস্থা (এনটিএ) প্ৰতিষ্ঠাৰ ফলত এক ঐক্যবদ্ধ, প্ৰযুক্তি-চালিত ব্যৱস্থাৰ জৰিয়তে ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰৱেশ পৰীক্ষা অনুষ্ঠিত কৰাৰ পথ মুকলি হয়।
- চিকিৎসা শিক্ষাত নামভৰ্তিৰ বাবে নীটক একমাত্ৰ ৰাষ্ট্ৰীয় প্ৰৱেশ পৰীক্ষা হিচাপে প্ৰতিষ্ঠা কৰা হয়।
- এনটিএকে ধৰি ৰাজহুৱা পৰীক্ষাসমূহ সুৰক্ষিত আৰু দক্ষতাৰে অনুষ্ঠিত কৰাটো নিশ্চিত কৰাৰ বাবে ব্যৱস্থাৱলী সন্দৰ্ভত পৰামৰ্শ দিবলৈ কেন্দ্ৰীয় চৰকাৰে নন্দন নিলেকানিৰ অধ্যক্ষতাত এখন উচ্চ-পৰ্যায়ৰ টাস্ক ফ'ৰ্চ গঠন কৰিছে। টাস্ক ফ'ৰ্চখনে সকলো অংশীদাৰৰ পৰা পৰামৰ্শ আহ্বান কৰিছে।

**নিৰ্দেশনামূলক নীতি:**
এগৰাকী ছাত্ৰৰ সুযোগ তেওঁৰ ৰাজ্য বা শিক্ষাব'ৰ্ডৰ সীমাবদ্ধতাৰ ঊৰ্ধ্বত থাকি এক ৰাষ্ট্ৰীয় পৰীক্ষা মঞ্চৰ ভিত্তিত নিৰ্ধাৰিত হোৱা উচিত।



### এক দেশ, এক নিযুক্তি

*২০২০ চনৰ আগষ্টত কেন্দ্ৰীয় কেবিনেটে অনুমোদন জনোৱা ৰাষ্ট্ৰীয় নিযুক্তি সংস্থা (এনআৰএ) গঠনে 'এক দেশ, এক নিযুক্তি'ৰ দৃষ্টিভংগীৰ দিশত এক গুৰুত্বপূৰ্ণ পদক্ষেপ চিহ্নিত কৰে।*

- ৰাষ্ট্ৰীয় নিযুক্তি সংস্থা গঠন: কেন্দ্ৰীয় চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন বিভাগ, মন্ত্ৰালয় আৰু ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানসমূহত অৰাজপত্ৰিত পদ (গ্ৰুপ বি আৰু চি)ৰ বাবে প্ৰাৰম্ভিক বাছনি পৰীক্ষা অনুষ্ঠিত কৰিবলৈ স্বায়ত্তশাসিত সংস্থা হিচাপে এনআৰএ গঠনত অনুমোদন জনায়।
- মুখ্য নিযুক্তি সংস্থাসমূহৰ একত্ৰীকৰণ: প্ৰাৰম্ভিক পৰ্যায়ত কমন এলিজিবিলিটি টেষ্টে (চিইটি) তিনিটা মুখ্য নিযুক্তি সংস্থা-ষ্টাফ ছিলেকচন কমিছন (এছএছচি), ৰে'লৱে ৰিক্ৰুইটমেণ্ট ব'ৰ্ড (আৰআৰবি) আৰু ইনষ্টিটিউট অৱ বেংকিং পাৰ্ছনেল ছিলেকচন (আইবিপিএছ)ৰ প্ৰাৰম্ভিক পৰীক্ষাৰ স্থান লয়।

### এক দেশ, এক ছাবস্ক্ৰিপচন (অ'এনঅ'এছ)

*শেহতীয়াকৈ আৰম্ভ কৰা পদক্ষেপ*

- দেশৰ চৰকাৰী শিক্ষানুষ্ঠান আৰু গৱেষণা প্ৰতিষ্ঠানসমূহৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক আৰু গৱেষকসকলক ৰাষ্ট্ৰীয় ছাবস্ক্ৰিপচন মডেলৰ জৰিয়তে আগশাৰীৰ আন্তঃৰাষ্ট্ৰীয় গৱেষণা জাৰ্নেলসমূহত প্ৰৱেশাধিকাৰ প্ৰদান কৰাৰ বাবে এই ব্যৱস্থা প্ৰস্তুত কৰা হৈছে।
- এই আঁচনিৰ বাবে তিনি বছৰৰ বাবে ৬,০০০ কোটি টকাৰ বাজেট আৱণ্টন কৰা হৈছে।



**নিৰ্দেশনামূলক নীতি:**
জ্ঞানৰ প্ৰৱেশাধিকাৰ কোনো প্ৰতিষ্ঠানৰ আৰ্থিক সামৰ্থ্য বা ভৌগোলিক অৱস্থানৰ দ্বাৰা সীমাবদ্ধ হোৱা উচিত নহয়।

চনৰ ৫ আগষ্টত ৰচনা কৰা হৈছিল। কেইবা দশক ধৰি জম্মু আৰু কাশ্মীৰে সংবিধানৰ ৩৭০ অনুচ্ছেদৰ অধীনত বিশেষ সাংবিধানিক মৰ্যাদা লাভ কৰি আহিছিল; ফলস্বৰূপে, ভাৰতীয় সংবিধানৰ বহুতো ব্যৱস্থা তাত সম্পূৰ্ণৰূপে প্ৰযোজ্য হোৱা নাছিল আৰু দেশৰ আন অংশৰ লোকসকলে লাভ কৰা কিছুমান অধিকাৰ তাৰ বাসিন্দাসকলে উপভোগ কৰা নাছিল। ইয়াৰ উপৰি, আন ৰাজ্যৰ নাগৰিকসকলৰো তাত দেশৰ আন অংশত প্ৰচলিত সম্পত্তিৰ অধিকাৰৰ সমতুল্য অধিকাৰ নাছিল। দীৰ্ঘদিনীয়া এই প্ৰত্যাহ্বানৰ

প্ৰচ্ছদ নিবন্ধ

# সাংবিধানিক ব্যৱস্থা

## শাসন ব্যৱস্থাৰ একত্ৰীকৰণ

### এক দেশ, এক সংবিধান

**৩৭০ অনুচ্ছেদৰ পৰা মুক্তি**

নিৰ্ণায়ক পৰিৱৰ্তন: ৫ আগষ্ট, ২০১৯



- জম্মু আৰু কাশ্মীৰ সম্পৰ্কীয় সাংবিধানিক ব্যৱস্থাৰ পৰিৱৰ্তনৰ পিছত ‘এক দেশ, এক সংবিধান’ৰ ধাৰণাই এক নতুন মাত্ৰা লাভ কৰে।
- জম্মু আৰু কাশ্মীৰ তথা লাডাখক কেন্দ্ৰীয় শাসিত অঞ্চল হিচাপে পুনৰ্গঠন কৰা হয়, যাৰ ফলত কেন্দ্ৰীয় আইন আৰু প্ৰশাসনিক ব্যৱস্থা ৰূপায়ণৰ কাঠামোত পৰিৱৰ্তন ঘটে।

**একতাৰ এনাজৰী:**
‘এক দেশ, এক আইন, এক সংবিধান’ৰ সপোন বাস্তৱায়িত হ’ল। নাগৰিক অধিকাৰ আৰু সাংবিধানিক ব্যৱস্থাসমূহ এক উমৈহতীয়া ৰাষ্ট্ৰীয় কাঠামোৰ সৈতে সংগতিপূৰ্ণ কৰা হ’ল।

### এক দেশ, এক নিৰ্বাচন

প্ৰস্তাৱিত ব্যৱস্থা

*বিধেয়ক: ডিচেম্বৰ ২০২৪*

- লোকসভা আৰু ৰাজ্যিক বিধানসভাৰ নিৰ্বাচন একেসময়তে অনুষ্ঠিত কৰাৰ ধাৰণা।
- ২০২৩ চনৰ ছেপ্টেম্বৰত প্ৰাক্তন ৰাষ্ট্ৰপতি ৰামনাথ কোবিন্দৰ অধ্যক্ষতাত এখন উচ্চ-পৰ্যায়ৰ সমিতি গঠন কৰা হৈছিল।
- সমিতিখনৰ পৰামৰ্শৰ ভিত্তিত, প্ৰাসংগিক সাংবিধানিক সংশোধনী বিধেয়কখন ২০২৪ চনৰ ডিচেম্বৰত লোকসভাত উত্থাপন কৰা হয়।

**বৰ্তমানৰ স্থিতি:** ই এতিয়াও আইনত পৰিণত হোৱা নাই; বিধেয়কখন এখন যুটীয়া সংসদীয় সমিতিৰ বিবেচনাধীন হৈ আছে।

**একতাৰ এনাজৰী:** দেশজুৰি লোকসভা আৰু বিধানসভাৰ নিৰ্বাচন একেসময়তে অনুষ্ঠিত হোৱাকৈ নিৰ্বাচনী চক্ৰৰ সমন্বয় সাধনৰ এক প্ৰস্তাৱ। ইয়াৰ লক্ষ্য হৈছে নিৰ্বাচনৰ ব্যয় হ্ৰাস কৰা আৰু আদৰ্শ আচৰণ বিধি সঘনাই বলৱৎ কৰাৰ ফলত উন্নয়নমূলক কাম-কাজ ব্যাহত হোৱাটো ৰোধ কৰা।

### এক দেশ, এক নাগৰিক সংহিতা

*প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে লালকিল্লাৰ প্ৰাচীৰৰ পৰা কয় যে বৰ্তমান আমি যি নাগৰিক সংহিতাৰ অধীনত বাস কৰি আছোঁ, সেয়া প্ৰকৃতাৰ্থত বৈষম্যমূলক।*

- সংবিধানৰ চেতনা আৰু উচ্চতম ন্যায়ালয়েও এই ব্যৱস্থাৰ পোষকতা কৰে। সংবিধান প্ৰণেতাসকলে কল্পনা কৰা সপোন বাস্তৱায়িত কৰাটো সকলোৰে সামূহিক দায়িত্ব।
- এই গুৰুত্বপূৰ্ণ বিষয়টোৰ সন্দৰ্ভত দেশজুৰি ব্যাপক আলোচনা হোৱা উচিত। এখন ধৰ্মনিৰপেক্ষ নাগৰিক সংহিতা অতি জৰুৰী; ইয়াৰ ৰূপায়ণৰ দিশত আমি আগবাঢ়িব লাগিব।

**একতাৰ এনাজৰী:** এখন ধৰ্মনিৰপেক্ষ নাগৰিক সংহিতাই দেশক ধৰ্মৰ ভিত্তিত হোৱা বৈষম্যৰ পৰা মুক্ত কৰিব আৰু সাধাৰণ নাগৰিকসকলে অনুভৱ কৰা বিচ্ছিন্নতাৰ ভাৱনা দূৰ কৰিব। একতাৰ চেতনা আৰু ‘এক ভাৰত শ্ৰেষ্ঠ ভাৰত’ অধিক শক্তিশালী হ’ব।

সমাধানৰ বাবে ভাৰতীয় সংসদে ২০১৯ চনৰ ৫ আগষ্টত ৩৭০ অনুচ্ছেদ বাতিল কৰে, যাৰ জৰিয়তে ‘এক দেশ, এক আইন, এক সংবিধান’ৰ মূল চেতনাক পুনৰ প্ৰতিষ্ঠা কৰা হয়। পৰৱৰ্তী সময়ত উচ্চতম ন্যায়ালয়ে এই ঐতিহাসিক সিদ্ধান্তক সমৰ্থন কৰে।

স্বাধীনতাৰ সাত দশকৰ পিছত ‘এক দেশ, এক সংবিধান’ৰ বাবে ৰাষ্ট্ৰৰ সংকল্প পূৰ্ণ হ’ল - কৃতজ্ঞ ৰাষ্ট্ৰই চৰ্দাৰ পেটেলক আগবঢ়াব পৰা এয়া আছিল সৰ্বশ্ৰেষ্ঠ শ্ৰদ্ধাঞ্জলি। ৭০ বছৰ ধৰি বাবাচাহেব আম্বেদকাৰে প্ৰণয়ন কৰা সংবিধানখন সমগ্ৰ দেশত সম্পূৰ্ণৰূপে

# পথ, ৰে'ল আৰু ইণ্টাৰনেট

## দূৰত্বৰ ব্যৱধান দূৰ কৰাৰ পৰা যোগাযোগ সক্ষম কৰালৈ



### এক দেশ, এক পৰিচয় - আধাৰ

- ই হৈছে বিশ্বৰ সৰ্ববৃহৎ ডিজিটেল পৰিচয় ব্যৱস্থা, যিয়ে বায়'মেট্ৰিক আৰু জনসাংখ্যিক তথ্যৰ ভিত্তিত ডিজিটেল পৰিচয় প্ৰদান কৰে।
- ইউপিআই, ডিজিলকাৰ, উমং এপ আৰু ই-ছাইনকে ধৰি অসংখ্য ৰাষ্ট্ৰীয় সেৱা এই ডিজিটেল পৰিচয়ৰ সৈতে সংযুক্ত হৈ আছে।

**১৪৪** কোটিৰো অধিক আধাৰ (এক দেশ, এক পৰিচয়) নম্বৰ জাৰি কৰা হৈছে।

### এক দেশ - এক গেছ গ্ৰীড



- 'এক দেশ - এক গেছ গ্ৰীড'ৰ লক্ষ্য হৈছে প্ৰতিটো পৰিয়ালত এলপিজি আৰু বাহনৰ বাবে চিএনজিৰ নীৰৱচ্ছিন্ন সংযোগ প্ৰদান কৰা।
- ২০১৪ চনৰ পূৰ্বৰ ২৭ বছৰত মাত্ৰ ১৫,০০০ কিলোমিটাৰ গেছ পাইপলাইন স্থাপন কৰা হৈছিল।
- দেশজুৰি প্ৰায় ৩৪,২৩৩ কিলোমিটাৰ পাইপলাইন স্থাপনৰ বাবে সংস্থাসমূহক অনুমোদন দিয়া হৈছে; ইয়াৰে ২০২৫ চনৰ জুনলৈকে ২৫,৪২৯ কিলোমিটাৰ পাইপলাইন কাৰ্যক্ষম হৈ উঠিছিল।
- গেছৰ অধিক উপলব্ধতা আৰু সংযোগৰ ফলত কেইবাখনো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চল কেৰাচিনমুক্ত হ'বলৈ সক্ষম হৈছে।

### এক দেশ, এক বিদ্যুৎ গ্ৰীড



- 'এক দেশ, এক বিদ্যুৎ গ্ৰীড, এক ফ্ৰিকুৱেন্সি'ৰ অভিযান ২০১৯ চনৰ ফেব্ৰুৱাৰীত লেহ-লাডাখক সংযুক্ত কৰাৰ জৰিয়তে সম্পূৰ্ণ কৰা হয়।
- ই হৈছে একক ফ্ৰিকুৱেন্সিত কাৰ্যকৰী বিশ্বৰ সৰ্ববৃহৎ বিদ্যুৎ গ্ৰীড। প্ৰায় ১.৭০ লাখ চাৰ্কিট-কিলোমিটাৰ ট্ৰেন্সমিছন লাইনৰ সংযোজন কৰা হৈছে।

**১.১২** লাখ মেগাৱাটৰ বিদ্যুৎ সঞ্চালন ক্ষমতা গঢ়ি তোলা হৈছে।

দেশৰ প্ৰতিটো অংশতে পৰ্যাপ্ত আৰু নীৰৱচ্ছিন্ন বিদ্যুৎ উপলব্ধতা নিশ্চিত কৰা হৈছে আৰু বিদ্যুৎ সঞ্চালনৰ ক্ষতি হ্ৰাস কৰা হৈছে।

### এক দেশ, এক ম'বিলিটি কাৰ্ড

*ৰাষ্ট্ৰীয় কমন ম'বিলিটি কাৰ্ড (এনচিএমচি) দেশজুৰি মেট্ৰ' ব্যৱস্থা, বাছ, কেব, মনোৰে'ল আৰু সকলো নগৰীয়া ৰে'ল নেটৱৰ্কত ব্যৱহাৰৰ বাবে ৰূপায়ণ কৰা হৈছে।*

- প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০১৯ চনৰ মাৰ্চত পৰিবহণৰ গতিশীলতাৰ বাবে 'এক দেশ, এক কাৰ্ড' পদক্ষেপ আৰম্ভ কৰে। ৰাষ্ট্ৰীয় কমন ম'বিলিটি কাৰ্ডৰ ওপৰত ভিত্তি কৰি গঢ়ি তোলা দেশীয় অটোমেটিক ফেয়াৰ কালেকচন ব্যৱস্থা ভাৰতত এই ধৰণৰ প্ৰথম ব্যৱস্থা।
- গ্ৰাহকসকলে মেট্ৰ', বাছ, উপনগৰীয় ৰে'ল, ট'ল, পাৰ্কিং, স্মাৰ্ট চিটি সেৱা আৰু খুচুৰা ক্ৰয়কে ধৰি সকলো খণ্ডতে পেমেণ্টৰ বাবে এই একেটা কাৰ্ড ব্যৱহাৰ কৰিব পাৰে।

ৰূপায়িত হোৱা নাছিল।

শেহতীয়া বিধানসভা নিৰ্বাচনত প্ৰথমবাৰৰ বাবে তাত কোনো ধৰণৰ বৈষম্য নকৰাকৈ ভোটদান কৰা হৈছিল। স্বাধীনতাৰ ৭৫ বছৰৰ পিছত প্ৰথমবাৰৰ বাবে জম্মু আৰু কাশ্মীৰৰ এগৰাকী মুখ্যমন্ত্ৰীয়ে ভাৰতৰ সংবিধানৰ প্ৰতি আনুগত্যৰ শপত গ্ৰহণ কৰে। এতিয়া কাশ্মীৰৰ পৰা কন্যাকুমাৰীলৈকে দেশৰ প্ৰতিটো অংশতে একেখন সংবিধান, একেটা আইনী কাঠামো আৰু নাগৰিকসকলৰ

# সংযোগৰ বাবে ৰে'ল, পথ, ৰাষ্ট্ৰীয় ঘাইপথ আৰু ডিজিটেল নেটৱৰ্ক

## পথ আৰু ৰাষ্ট্ৰীয় ঘাইপথ

**৬৩.৭৩** লাখ কিলোমিটাৰ জুৰি বিস্তৃত ভাৰতৰ পথ নেটৱৰ্ক সমগ্ৰ বিশ্বৰ ভিতৰতে দ্বিতীয় দীৰ্ঘতম।

*ৰাষ্ট্ৰীয় ঘাইপথৰ দৈৰ্ঘ্য:*

২০১৩-১৪ — ৯১,২৮৭ কি:মি:

মাৰ্চ ২০২৬ — ১,৪৬,৫৭২ কি:মি:

প্ৰায় ৬১% বৃদ্ধি পাইছে।



## ৰে'ল সেৱা

- ভাৰতীয় ৰে'লৱেই ২০২৬ চনৰ আগষ্ট মাহত ৬৭.২৭ কোটি যাত্ৰীক কঢ়িয়াইছিল।
- ভাৰতৰ মুঠ ব্ৰড-গেজ ৰে'ল নেটৱৰ্কৰ ৯৯.৬ শতাংশ বৈদ্যুতিকীকৰণ সম্পূৰ্ণ হৈছে।
- মুম্বাই-আহমেদাবাদ হাই-স্পীড ৰে'ল কৰিডৰ ৫০৮ কিলোমিটাৰ জুৰি বিস্তৃত আৰু ইয়াক প্ৰতি ঘণ্টা ৩৫০ কিলোমিটাৰ গতিবেগৰ বাবে আৰ্হি কৰা হৈছে।
- দেশৰ প্ৰথমখন থলুৱা হাইড্ৰ'জেন ইন্ধন চালিত ৰে'লগাড়ীৰ চলাচল ২০২৬ চনৰ জুলাই মাহত আৰম্ভ কৰা হৈছিল। প্ৰকল্পটো সোনকালেই সম্পূৰ্ণ কৰাৰ সময়সূচী নিৰ্ধাৰণ কৰা হৈছে।

১৬২খন বন্দে ভাৰত, ২খন বন্দে ভাৰত স্লিপাৰ, আৰু ৭২খন অমৃত ভাৰত সেৱা ৰে'লগাড়ীৰ জৰিয়তে সংযোগ আৰু ভ্ৰমণৰ সুবিধা বহুগুণে বৃদ্ধি কৰা হৈছে।



## ডিজিটেল সংযোগ

- দেশত ইণ্টাৰনেট গ্ৰাহকৰ সংখ্যা ১০৯.২ কোটিতকৈয়ো অধিক বৃদ্ধি পাইছে। ৱায়াৰলেছ ডাটাৰ মূল্য প্ৰতি জিবি-ত ৭.৫১ টকালৈ হ্ৰাস পাইছে।
- ভাৰতনেট প্ৰকল্প: দেশৰ গাঁও পঞ্চায়তসমূহক সংযুক্ত কৰাৰ উদ্দেশ্যে গ্ৰহণ কৰা এই আঁচনিৰ অধীনত ২.২১ লাখৰো অধিক গাঁও পঞ্চায়ত সেৱাৰ বাবে সাজু কৰি তোলা হৈছে।
- ফাইবাৰ আৰু ৫জি নেটৱৰ্ক: সমগ্ৰ দেশতে প্ৰায় ৭ লাখ কিলোমিটাৰ অপ্টিকেল ফাইবাৰ কেবল স্থাপন কৰা হৈছে, আৰু ৯৯.৯% জিলাত উপলব্ধ হৈছে ৫জি সেৱা।




**একতাৰ এনাজৰী**: কোনো এগৰাকী ব্যক্তি দেশৰ যি প্ৰান্ততে বাস নকৰক কিয়, ঘাইপথ, এক্সপ্ৰেছৱে' আৰু দ্ৰুতবেগী ৰে'লে এতিয়া অঞ্চল আৰু সংস্কৃতিসমূহৰ মাজত যাতায়াত সহজ কৰি তুলিছে। একেদৰে, ডিজিটেল সংযোগেও দূৰত্ব হ্ৰাস কৰিছে; আনকি গাঁওসমূহো এতিয়া ফাইবাৰ নেটৱৰ্কৰ জৰিয়তে সংযুক্ত হৈছে।

আছে সমান অধিকাৰ।

**আইনী কাঠামো, আৰু নাগৰিকসকলৰ বাবে সমান অধিকাৰ**

তদুপৰি, বিগত ১২টা বছৰত ভাৰতে জাতীয় একতাৰ বাবে ভাবুকি কঢ়িয়াই অনা কেবাটাও সমস্যা সমাধান কৰিছে। আজি সন্ত্ৰাসবাদৰ মাষ্টাৰমাইণ্ডসকলে জানে যে যদি তেওঁলোকে ভাৰতৰ ক্ষতি সাধন কৰে, তেন্তে দেশে তেওঁলোকক কেতিয়াও ৰেহাই নিদিয়ে। উত্তৰ-

National Unity Day Special
প্ৰচ্ছদ নিবন্ধ

# কৃষক সৱলীকৰণ

## গাঁও আৰু কৃষকসকলৰ বাবে সংহত ব্যৱস্থা

### এক দেশ, এক সাৰ

‘ভাৰত’ ব্ৰেণ্ডৰ সৈতে এক নতুন আৰম্ভণি

*২০২২ চনৰ ১৭ অক্টোবৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ‘ভাৰতীয়জন উৰ্বৰক পৰিযোজনা’ৰ অধীনত ‘এক দেশ, এক সাৰ’ মূলমন্ত্ৰৰে ‘ভাৰত’ ইউৰিয়া বেগ মুকলি কৰে।*

- এতিয়া সমগ্ৰ দেশতে বিক্ৰী হোৱা ইউৰিয়াৰ এটা নাম, গুণগত মান আৰু ব্ৰেণ্ড হ’ব: ‘ভাৰত’।



### এক দেশ, এক কৃষি বজাৰ

*২০১৬ চনৰ এপ্ৰিল মাহত ৰাষ্ট্ৰীয় কৃষি বজাৰ বা eNAM মুকলি কৰা হৈছিল। eNAM ৰ মাধ্যমেৰে দেশে ‘এক দেশ, এক কৃষি বজাৰ’ৰ দৃষ্টিভংগীৰ দিশে আগবাঢ়িছে।*

- eNAM পৰ্টেলত ১.৮০ কোটিৰো অধিক কৃষক আৰু ২.৭৩ লাখ ব্যৱসায়ী পঞ্জীয়নভুক্ত হৈছে।
- ২৩খন ৰাজ্য আৰু ৪খন কেন্দ্ৰীয় শাসিত অঞ্চলৰ ১, ৬৫৬খন মণ্ডী (কৃষি বজাৰ) eNAM প্লেটফৰ্মৰ সৈতে একত্ৰিত কৰা হৈছে।

ইয়াৰ আৰম্ভণিৰ পৰা ২০২৬ চনৰ মাৰ্চ মাহ পৰ্যন্ত eNAM ৰ জৰিয়তে

**৪.৮৪**

৪.৮৪ লাখ কোটি টকাতকৈও অধিক মূল্যৰ প্ৰায় ২০৫ লাখ মেট্ৰিক টন কৃষি সামগ্ৰীৰ ব্যৱসায় কৰা হৈছে।



পূৰ্বাঞ্চলত শান্তি আৰু সমৃদ্ধিৰ পথত বহু বাধা আছিল; তথাপি আলোচনা, উন্নয়ন আৰু বিশ্বাসৰ জৰিয়তে বিচ্ছিন্নতাবাদৰ জুই নুমুৱাই পেলোৱা হৈছিল। বড়ো চুক্তি-য়ে অসমত ৫০ বছৰীয়া পুৰণি বিবাদৰ অন্ত পেলালে। ব্ৰু-ৰিয়াং চুক্তি-ৰ ফলত হাজাৰ হাজাৰ বিতাড়িত লোক বহু দশকৰ পিছত নিজৰ ঘৰলৈ ঘূৰি আহিছে। নেশ্যনেল লিবাৰেচন ফ্ৰণ্ট অব ত্ৰিপুৰা-ৰ সৈতে হোৱা চুক্তিয়ে দীৰ্ঘদিনীয়া অশান্তিৰ অন্ত পেলাইছে। ইয়াৰ উপৰি অসম আৰু মেঘালয়ৰ মাজৰ সীমা-বিবাদৰো বহু পৰিমাণে সমাধান হৈছে। একবিংশ শতিকাৰ ইতিহাস যেতিয়া লিখা হ’ব, তাত এটা সোণালী অধ্যায় থাকিব যে দ্বিতীয় আৰু তৃতীয় দশকত ভাৰতে কেনেকৈ নক্সালবাদৰ ভয়ংকৰ অভিশাপ সফলতাৰে নিৰ্মূল কৰিছিল। এনে এটা সময় আছিল যেতিয়া নেপালৰ পশুপতিৰ পৰা ভাৰতৰ তিৰুপতিলৈকে ‘ৰে’ড কৰিডৰ’ বিস্তৃত হৈ আছিল। নক্সালবাদে ভাৰতৰ একতা আৰু অখণ্ডতাৰ বাবে এক ডাঙৰ প্ৰত্যাহ্বান হিচাপে আত্মপ্ৰকাশ কৰিছিল। আজি ভাৰত নক্সালবাদ মুক্ত হৈছে।

### যুৱক-যুৱতীসকলৰ আকাংক্ষা পূৰণ

দেশৰ যিকোনো কোণত জন্মগ্ৰহণ কৰা এটি শিশুৱে ডাক্তৰ বা ইঞ্জিনীয়াৰ হোৱাৰ সপোন দেখে; কিন্তু কেইবছৰমান আগলৈকে এই সপোন বাস্তৱায়িত কৰাৰ ক্ষেত্ৰত শিক্ষাৰ্থীগৰাকীয়ে কোনখন ৰাজ্যিক বোৰ্ডত পঢ়িছিল বা কোনখন ৰাজ্যৰ প্ৰৱেশ পৰীক্ষাৰ প্ৰপত্ৰ পূৰণ কৰিব পাৰিছিল আদি কাৰকৰ ওপৰত বহু পৰিমাণে নিৰ্ভৰ কৰিছিল। চিকিৎসা বিজ্ঞানত নামভৰ্তিৰ বাবে ডজন ডজন ৰাজ্যিক পৰ্যায়ৰ আৰু ব্যক্তিগত পৰীক্ষা অন্তৰ্ভুক্ত আছিল, যাৰ বাবে ছাত্ৰ-ছাত্ৰীসকলে একাধিক প্ৰপত্ৰ পূৰণ কৰিবলগীয়া হৈছিল, বিভিন্ন চহৰলৈ ভ্ৰমণ কৰিবলগীয়া হৈছিল, বেলেগ বেলেগ মাচুল দিবলগীয়া হৈছিল, আৰু বিভিন্ন মূল্যংকনৰ মানকৰ সৈতে যুঁজিবলগীয়া হৈছিল। এটা দুখীয়া পৰিয়ালৰ বাবে এই গোটেই প্ৰক্ৰিয়াটো এটা দুৰ্গম পৰ্বত বগাই যোৱাৰ দৰেই জটিল যেন লাগিছিল।

এই জটিলতাৰ সমাধানৰ বাবে ২০১৭ চনত 'নেশ্যনেল টেষ্টিং এজেন্সী' (NTA) গঠন কৰা হৈছিল। NEET-ক চিকিৎসা শিক্ষাৰ বাবে একক ৰাষ্ট্ৰীয় প্ৰৱেশ পৰীক্ষা হিচাপে নিৰ্ধাৰণ কৰা হয় আৰু JEE-ৰ দৰে অন্যান্য ডাঙৰ পৰীক্ষাসমূহ কেন্দ্ৰীভূত, স্বচ্ছ আৰু প্ৰযুক্তিভিত্তিকভাৱে পৰিচালনা কৰাৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হয়। আজি বিহাৰৰ চৰকাৰী স্কুলৰ ছাত্ৰই হওক বা দিল্লীৰ কোনো অভিজাত ব্যক্তিগত স্কুলৰ ছাত্ৰই হওক, তেওঁলোকৰ যোগ্যতা একে পৰীক্ষা, একে প্ৰশ্নকাকত আৰু একে মূল্যাংকন মেট্ৰিক্সৰ ভিত্তিত নিৰ্ধাৰণ কৰা হয়। একতাৰ এই ভাবনা স্কুল-কলেজৰ পৰা গৱেষণা আৰু উদ্ভাৱনৰ ক্ষেত্ৰখনলৈও সম্প্ৰসাৰিত হৈছে। আন্তঃৰাষ্ট্ৰীয় জাৰ্নেলসমূহৰ উচ্চ সদস্যতা মূল্যৰ বাবে দেশৰ ৰাজহুৱা শিক্ষা আৰু গৱেষণা প্ৰতিষ্ঠানসমূহৰ ছাত্ৰ, শিক্ষক আৰু গৱেষকসকল প্ৰায়ে শেহতীয়া গৱেষণাসমূহ লাভ কৰাৰ পৰা বঞ্চিত হৈছিল। 'এক দেশ, এক ছাবস্ক্ৰিপশ্বন' (ONOS) আঁচনিখন এই সমস্যাৰ সমাধান হিচাপে উপস্থাপিত হৈছে।

এই ৰূপান্তৰণ সম্পূৰ্ণৰূপে প্ৰত্যাহ্বানমুক্ত নাছিল। যিকোনো ডাঙৰ ৰাষ্ট্ৰীয় সালসলনিৰ দৰেই ব্যৱস্থাটোৰ সংশোধন আৰু সংস্কাৰৰ প্ৰচেষ্টা অব্যাহত আছে। তথাপিও, 'এক দেশ, এক পৰীক্ষা' আৰু 'এক দেশ, এক নিযুক্তি'ৰ মূল ভাবনাই শিক্ষাৰ ক্ষেত্ৰত সমান সুযোগৰ বাবে এক শক্তিশালী ভেটি স্থাপন কৰিছে।

## আগবাঢ়ি যোৱাৰ পথ: এক দেশ, এক নিৰ্বাচন

একত্ৰীকৰণৰ এই যাত্ৰা এতিয়াও শেষ হোৱা নাই। দেশজুৰি প্ৰতি বছৰে কোনোবা নহয় কোনোবা ৰাজ্যত নিৰ্বাচন অনুষ্ঠিত হয়; ফলত প্ৰশাসনিক যন্ত্ৰটো একেৰাহে ব্যস্ত হৈ থাকে, আৰু আদৰ্শ আচৰণ বিধি প্ৰায় সদায়েই বাহাল থাকে-যিবোৰ কাৰকে প্ৰায়ে উন্নয়নমূলক কাম-কাজ আৰু নীতিগত সিদ্ধান্তসমূহৰ গতিকে প্ৰভাৱিত কৰে। এই সমস্যা দূৰ কৰাৰ বাবে লোকসভা আৰু সকলো ৰাজ্যিক বিধানসভাৰ নিৰ্বাচন একেলগে অনুষ্ঠিত কৰাৰ বাবে "এক দেশ, এক নিৰ্বাচন" ধাৰণাটোৰ প্ৰসংগত দীৰ্ঘদিন ধৰি আলোচনা চলি আহিছে, যাতে পুনৰাবৃত্তিমূলক নিৰ্বাচনী চক্ৰই প্ৰশাসন আৰু সম্পদৰ ওপৰত পেলোৱা বোজা হ্ৰাস কৰিব পৰা যায়।

ঘনাই ঘনাই হোৱা নিৰ্বাচনে কেৱল ৰাজহুৱা ৰাজকোষৰ ওপৰতে গধুৰ বোজা জাপি নিদিয়ে, বৰঞ্চ সুৰক্ষা বাহিনী আৰু প্ৰশাসনিক কৰ্মচাৰীসকলক বাৰে বাৰে নিৰ্বাচনী কৰ্তব্যত নিয়োজিত কৰিবলগীয়া হয়, যাৰ ফলত উন্নয়নমূলক কামৰ ধাৰাবাহিকতা প্ৰভাৱিত হয়। একেটা সময়তে অনুষ্ঠিত নিৰ্বাচনে এই চক্ৰটো ভাঙি পেলাব, যাৰ ফলত চৰকাৰসমূহে সমগ্ৰ কাৰ্যকালত সুস্থিৰ নীতি প্ৰণয়নত গুৰুত্ব আৰোপ কৰিব পাৰিব।

এই দিশত ২০২৩ চনৰ ছেপ্তেম্বৰ মাহত প্ৰাক্তন ৰাষ্ট্ৰপতি ৰামনাথ কোবিন্দৰ নেতৃত্বত এখন উচ্চ পৰ্যায়ৰ সমিতি গঠন কৰা হৈছিল; এই সমিতিয়ে ব্যাপক ৰাজহুৱা পৰামৰ্শ আৰু বিশেষজ্ঞসকলৰ

> আজি প্ৰতিজন ভাৰতীয়ই ক'ব পাৰে- 'এক জাতি, এক সংবিধান'। চৰ্দাৰ চাহাবৰ 'এক ভাৰত, শ্ৰেষ্ঠ ভাৰত'ৰ দৃষ্টিভংগী বাস্তৱায়িত কৰাৰ বাবে আমি উৎসৰ্গিত। আমি এনে ব্যৱস্থা গঢ়ি তুলিব লাগিব যিয়ে জাতিটোৰ ঐক্যক শক্তিশালী কৰে, আৰু এই প্ৰক্ৰিয়াটো অবিৰত হ'ব লাগিব।
>
> *-নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী*

সৈতে কৰা আলোচনাৰ অন্তত চৰকাৰক নিজৰ পৰামৰ্শসমূহ দাখিল কৰে। এই প্ৰসংগত কেন্দ্ৰীয় চৰকাৰে ২০২৪ চনৰ ১৭ ডিচেম্বৰত লোকসভাত সংবিধান (১২৯ নং সংশোধনী) বিধেয়ক আৰু কেন্দ্ৰীয় শাসিত অঞ্চল আইন (সংশোধনী) বিধেয়ক উত্থাপন কৰে। বৰ্তমান এই বিধেয়কসমূহ বিস্তাৰিত আলোচনাৰ বাবে যুটীয়া সংসদীয় সমিতিৰ ওচৰত আছে। এই বিষয়ে সংসদত পৰৱৰ্তী আলোচনা হ'বলৈ বাকী আছে।

## একতাৰ সম্প্ৰসাৰিত পৰিসৰ

কোৱা হয়: ऐक्यं बलं समाजस्य तद्भावे स दुर्बलः। तस्मात् ऐक्यं प्रशंसन्ति दृढं राष्ट्र हितैषिणः॥ - অৰ্থাৎ যিকোনো সমাজৰ শক্তি ইয়াৰ একতাৰ মাজতে নিহিত হৈ থাকে। গতিকে যিসকলে এখন শক্তিশালী ৰাষ্ট্ৰ বিচাৰে তেওঁলোকে এই একতাৰ ভাবনাক প্ৰশংসা কৰে আৰু ইয়াৰ বাবে প্ৰচেষ্টা চলাব লাগে। গতিকে দেশৰ একতা আৰু সংহতি হৈছে সকলোৰে সামূহিক দায়িত্ব। চৰ্দাৰ পেটেলে বিশ্বাস কৰিছিল যে ইতিহাস লিখাত সময় নষ্ট কৰিব নালাগে; বৰঞ্চ ইতিহাস ৰচনা কৰিবলৈহে কঠোৰ পৰিশ্ৰম কৰিব লাগে।

নিশ্চয়কৈ এই মানসিকতাৰেই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০১৫ চনত 'এক ভাৰত-শ্ৰেষ্ঠ ভাৰত' পদক্ষেপ মুকলি কৰিছিল; সেই সময়ত কিছুমানৰ বাবে ই কেৱল এটা সাংস্কৃতিক কাৰ্যসূচী যেন লাগিব পাৰে। কিন্তু বিগত এটা দশকত এই ভাবনাই- কৰ ব্যৱস্থা, খাদ্য সুৰক্ষা (ৰেচন বিতৰণ), সৈনিকৰ প্ৰতি শ্ৰদ্ধা, সাংবিধানিক সমতা, পৰীক্ষাৰ সুযোগ, আৰু জ্ঞানৰ সুবিধা আদি সকলো খণ্ডতে গভীৰভাৱে প্ৰভাৱ পেলাইছে। এই যাত্ৰা অব্যাহত আছে, যাৰ মূল উদ্দেশ্য হৈছে দেশৰ যিকোনো ঠাইতে নাগৰিকসকলৰ বাবে এক



কেন্দ্ৰীয় কেবিনেটৰ সিদ্ধান্তসমূহ

# ৰবি শস্যৰ বাবে এমএছপি বৃদ্ধি

# গ্ৰীণ এনাৰ্জী কৰিডৰ পৰ্যায়-III আঁচনিলৈ অনুমোদন

কৃষকৰ কল্যাণ আৰু নৱীকৰণযোগ্য শক্তিৰ ব্যৱহাৰ সম্প্ৰসাৰণৰ বাবে কেন্দ্ৰীয় চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ, যাৰ বাবে দেশে ধাৰাবাহিকভাৱে কাম কৰি আছে। এই প্ৰসংগত ৩০ ছেপ্টেম্বৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ পৌৰোহিত্যত অনুষ্ঠিত কেন্দ্ৰীয় কেবিনেটৰ বৈঠকত ৰবি শস্যৰ ন্যূনতম সমৰ্থন মূল্য (MSP) বৃদ্ধিৰ প্ৰস্তাৱত অনুমোদন জনোৱা হয়। ইয়াৰ উপৰি গ্ৰীণ এনাৰ্জী কৰিডৰ পৰ্যায়-III আঁচনি আৰু ইণ্টেলিজেণ্ট ট্ৰেফিকিং মেনেজমেণ্ট ছিষ্টেম ৰূপায়ণৰ প্ৰস্তাৱত অনুমোদন জনোৱা হয়। এই ব্যৱস্থাসমূহে কৃষকসকলক সহায় কৰাত আৰু পৰিৱেশ সুৰক্ষাত অৰিহণা যোগাব...



**সিদ্ধান্ত ঃ** অৰ্থনৈতিক পৰিক্ৰমা সম্পৰ্কীয় কেবিনেট কমিটিয়ে ২০২৭-২৮ বিপণন বৰ্ষৰ বাবে সকলো অধিসূচিত ৰবি শস্যৰ ন্যূনতম সমৰ্থন মূল্য (MSP) বৃদ্ধিৰ প্ৰস্তাৱলৈ অনুমোদন জনায়।

**প্ৰভাৱ ঃ** সৰ্বোচ্চ বৃদ্ধি ঘোষণা কৰা হৈছে বেলিফুলৰ গুটিৰ বাবে প্ৰতি কুইণ্টলত ৬৭৫ টকা, তাৰ পিছতে তৈলবীজ তথা সৰিয়হৰ বাবে প্ৰতি কুইণ্টলত ৪১৩ টকা। মচুৰ দাইল, যৱ, বুট, আৰু ঘেঁহুৰ বাবে ক্ৰমে ৩৯০ টকা, ১৩৬ টকা, ৮৩ টকা, আৰু ২৫ টকাকৈ প্ৰতি কুইণ্টলত বৃদ্ধি কৰা হৈছে।

- ২০১৪-১৫ আৰু ২০২৫-২৬ চনৰ ভিতৰত ঘেঁহু ক্ৰয় ৩,৭১৫ লাখ মেট্ৰিক টনলৈ বৃদ্ধি পাইছে।

---

- ২০১৪-১৫ৰ পৰা ২০২৫-২৬ চনৰ ভিতৰত ছবিধ ৰবি শস্যৰ ক্ৰয় ৩, ৯২১ লাখ মেট্ৰিক টনলৈ বৃদ্ধি পাইছে।
- ২০১৪-১৫ ৰ পৰা ২০২৫-২৬ চনৰ ভিতৰত ঘেঁহু উৎপাদনকাৰী কৃষকসকলক পৰিশোধ কৰা মুঠ এমএছপি

৭.৩১ লাখ কোটি টকালৈ বৃদ্ধি পাইছে।

- ২০১৪-১৫ ৰ পৰা ২০২৫-২৬ চনৰ ভিতৰত ছবিধ ৰবি শস্য উৎপাদন কৰা কৃষকসকলক পৰিশোধ কৰা এমএছপি ৮.৩৬ লাখ কোটি টকালৈ বৃদ্ধি পাইছে।

**সিদ্ধান্ত ঃ** বেটাৰী এনাৰ্জী ষ্ট'ৰেজ ছিষ্টেম (BESS)ৰ সৈতে একত্ৰিত আন্তঃৰাজ্য সঞ্চাৰণ ব্যৱস্থাৰ উন্নয়নৰ বাবে গ্ৰীন এনাৰ্জী কৰিডৰ পৰ্যায়-III আঁচনিলৈ অনুমোদন।

**প্ৰভাৱ ঃ** এই ঐতিহাসিক পদক্ষেপে ভাৰতৰ ৰাজ্যসমূহৰ ভিতৰৰ সঞ্চাৰণ আন্তঃগাঁথনি শক্তিশালী কৰিব, যাৰ ফলত ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহত ১৩৫ গিগাৱাট পৰ্যন্ত নৱীকৰণযোগ্য শক্তিৰ সংগ্ৰহ আৰু সংমিশ্ৰণ সম্ভৱ হ'ব।

- এই আঁচনিখন ২০৩২-৩৩ বিত্তীয় বৰ্ষৰ ভিতৰত সম্পূৰ্ণ কৰাৰ লক্ষ্য গ্ৰহণ কৰা হৈছে, যাৰ মুঠ প্ৰকল্প ব্যয় হৈছে ১,৮৬,৪০৫ কোটি টকা।
- ই ২০৩৫ চনৰ ভিতৰত ৯০০ গিগাৱাট সংস্থাপিত অ-জীৱাশ্ম ইন্ধন শক্তি সামৰ্থ্যৰ লক্ষ্য প্ৰাপ্তিত সহায় কৰিব।
- এই আঁচনিয়েই কাৰ্বন নিৰ্মণৰ হাৰ হ্ৰাস কৰি দেশৰ দীৰ্ঘম্যাদী শক্তি সুৰক্ষা আৰু পৰিৱেশ-অনুকূলতা বৃদ্ধিত অৰিহণা যোগাব।
- ই শক্তি, উৎপাদন আৰু নিৰ্মাণ খণ্ডত বৃহৎ পৰিসৰৰ প্ৰত্যক্ষ আৰু পৰোক্ষ নিযুক্তিৰ সুযোগ সৃষ্টি কৰিব।
- বেটাৰী এনাৰ্জী ষ্ট'ৰেজ ছিষ্টেম (BESS)ৰ উৎপাদন আৰু নিয়োজনৰ ফলত ঘৰুৱা শক্তি সংৰক্ষণ উদ্যোগৰ ভিতৰত অতিৰিক্ত সংস্থাপনৰ সৃষ্টি হ'ব।
- এই আঁচনিয়ে অংশগ্ৰহণকাৰী ৰাজ্যসমূহৰ ভিতৰত অপাৰেশ্যন, ৰক্ষণাবেক্ষণ আৰু গ্ৰীড ব্যৱস্থাপনাৰ দৰে ক্ষেত্ৰত দীৰ্ঘম্যাদী দক্ষ নিযুক্তিৰ সৃষ্টি কৰিব।

**সিদ্ধান্ত ঃ** দিল্লীত ইণ্টেলিজেণ্ট ট্ৰেফিকিং মেনেজমেণ্ট ছিষ্টেম (ITMS) ৰূপায়ণৰ প্ৰস্তাৱত অনুমোদন জনোৱা হৈছে।




**প্ৰভাৱ ঃ** প্ৰকল্পটোৱে ৪২টা চিহ্নিত ট্ৰেফিকিং কৰিডৰক সামৰি ল'ব। এআই (AI) ব্যৱহাৰ কৰি বাহনসমূহ নিৰীক্ষণ কৰা হ'ব।

- ২৪ মাহৰ ভিতৰত তিনিটা পৰ্যায়ত ইয়াক ৰূপায়ণৰ দিহা কৰা হ'ব, তাৰ পিছত পাঁচ বছৰৰ অপাৰেশ্যন আৰু ৰক্ষণাবেক্ষণৰ ব্যৱস্থা কৰা হ'ব।
- নতুন ব্যৱস্থাটোত বাহনৰ পৰিমাণ আৰু যান-জঁটৰ অৱস্থাৰ ভিত্তিত সময় সলনি কৰিব পৰা ছিগনেল থাকিব।
- এআই-সহযোগিতাৰে কৰা নিৰীক্ষণৰ ফলত চুৰি হোৱা আৰু সন্দেহজনক বাহনসমূহ ট্ৰেক কৰাটো সহজ হৈ উঠিব।

*কেবিনেটৰ সিদ্ধান্তসমূহৰ ওপৰত হোৱা সংবাদমেল চাবলৈ কিউ আৰ ক'ডটো স্কেন কৰক*






৫১,০০০ৰো অধিক নিযুক্তি পত্ৰ বিতৰণ

# চৰকাৰে যুৱক-যুৱতীসকলক ভৱিষ্যতৰ বাবে সাজু কৰি তুলিছে

ৰাষ্ট্ৰীয় শিক্ষা নীতি, স্কিল ইণ্ডিয়া মিছন, প্ৰধানমন্ত্ৰী কৌশল বিকাশ যোজনা, আৰু পি এম সেতুৱে যুৱক-যুৱতীসকলক কেৱল ভৱিষ্যতৰ বাবে প্ৰস্তুত কৰাই নহয়, সংস্থাপন নিশ্চিত কৰাতো সহায় কৰিছে। এই অবিৰত প্ৰচেষ্টাৰ অংশ হিচাপে ১৯ ছেপ্টেম্বৰত অনুষ্ঠিত 'ৰোজগাৰ মেলা'ত ৫১,০০০ৰো অধিক যুৱক-যুৱতীৰ হাতত চৰকাৰী সেৱাৰ নিযুক্তি পত্ৰ তুলি দিয়া হয়। ২০ সংখ্যক ৰোজগাৰ মেলাত ভাষণ দি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন্তব্য কৰে যে তেওঁলোকে অৰ্জন কৰা এই মাইলৰ খুঁটি কেৱল তেওঁলোকৰ নিজৰ কঠোৰ পৰিশ্ৰমৰে ফল নহয়, বৰঞ্চ তেওঁলোকৰ পিতৃ-মাতৃ আৰু পৰিয়ালৰ নিষ্ঠা আৰু ত্যাগৰো ফল।

ৰাষ্ট্ৰীয় অৰ্থনীতি আগবাঢ়িলে, বিনিয়োগ বৃদ্ধি পালে, নতুন উদ্যোগ প্ৰতিষ্ঠা হ'লে আৰু নতুন খণ্ডসমূহ সম্প্ৰসাৰিত হ'লে যুৱক-যুৱতীসকলৰ বাবে নতুন সুযোগৰ সৃষ্টি হয়। আজি ভাৰত হৈছে ক্ষিপ্ৰতাৰে বিকশিত হোৱা এক বৃহৎ অৰ্থনীতি; চলিত বিত্তীয় বৰ্ষৰ প্ৰথমটো ত্ৰৈমাসিকত দেশে ৭.৮ শতাংশ বিকাশ-হাৰৰ অভিলেখ ৰচনা কৰিছে। অনুষ্ঠানত ভাষণ দি প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে চৰকাৰে বেচৰকাৰী খণ্ডতো নিযুক্তিৰ সুযোগ ক্ষিপ্ৰতাৰে বৃদ্ধি কৰাৰ বাবে প্ৰচেষ্টা চলাইছে।

এই দৃষ্টিভংগীক সন্মুখত ৰাখি 'প্ৰধানমন্ত্ৰী বিকশিত ভাৰত ৰোজগাৰ যোজনা' মুকলি কৰা হৈছে। এই আঁচনিত প্ৰায় এক লাখ কোটি টকা বিনিয়োগ কৰা হৈছে। ইয়াৰ দ্বাৰা প্ৰায় দুই কোটি যুৱক-যুৱতীয়ে প্ৰথমবাৰৰ বাবে সংস্থাপনত যোগদান কৰাৰ সুযোগ পাব। প্ৰধানমন্ত্ৰী মোদীয়ে আঙুলিয়াই দিয়ে যে- এই আঁচনিৰ অধীনত প্ৰথমটো চাকৰি লাভ কৰা যুৱক-যুৱতীসকলক চৰকাৰে ১৫,০০০ টকা পৰ্যন্ত প্ৰাথমিক উদগনি আগবঢ়াইছে। নতুন সংস্থাপন সৃষ্টি

### এই পৰ্যন্ত ১২.৭৫ লাখ যুৱক-যুৱতীয়ে নিযুক্তি পত্ৰ লাভ কৰিছে

- সমগ্ৰ দেশৰ ৪৫টা স্থানত এই ৰোজগাৰ মেলাৰ আয়োজন কৰা হৈছিল।
- নৱনিযুক্ত কৰ্মচাৰীসকলে ভাৰত চৰকাৰৰ বিভিন্ন মন্ত্ৰালয় আৰু বিভাগত যোগদান কৰিব।
- ইয়াৰ ভিতৰত ৰাজহ বিভাগ, ৰে'ল মন্ত্ৰালয়, গৃহ মন্ত্ৰালয়, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়, বিত্তীয় সেৱা বিভাগ, প্ৰতিৰক্ষা মন্ত্ৰালয় আদি অন্তৰ্ভুক্ত আছে।
- ২০ সংখ্যক ৰোজগাৰ মেলাৰ জৰিয়তে প্ৰায় ১২.৭৫ লাখ যুৱক-যুৱতীয়ে বিভিন্ন বিভাগ আৰু চৰকাৰী প্ৰতিষ্ঠানত সংস্থাপন লাভ কৰিছে।

“আজি ১.৭ কোটিৰো অধিক চৰকাৰী কৰ্মচাৰী iGOT কৰ্মযোগী প্লেটফৰ্মৰ সৈতে সংযুক্ত হৈছে।

আপোনালোক সকলোৰে এনে এটা সময়ত ভাৰত চৰকাৰত যোগদান কৰিছে যি মুহূৰ্তত দেশে ২০৪৭ চনৰ ভিতৰত ‘বিকশিত ভাৰত’ গঢ়ি তোলাৰ দৰে এক ঐতিহাসিক লক্ষ্যৰ দিশে আগবাঢ়িছে। এই প্ৰচেষ্টাত যুৱক-যুৱতীসকলে মুখ্য ভূমিকা পালন কৰিবলগীয়া আছে।

*– নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী*

## যুৱক-যুৱতীসকলক ভৱিষ্যতৰ বাবে প্ৰস্তুত কৰাত গুৰুত্ব

- ৰাষ্ট্ৰীয় শিক্ষা নীতি, স্কিল ইণ্ডিয়া মিছন, প্ৰধানমন্ত্ৰী কৌশল বিকাশ যোজনা, আৰু শিক্ষানবিচ প্ৰসাৰৰ প্ৰচেষ্টা।
- PM-SETU আঁচনিৰ অধীনত ৬০,০০০ কোটি টকা বিনিয়োগেৰে ১,০০০খন চৰকাৰী আই টি আইৰ আধুনিকীকৰণৰ দিহা কৰা হৈছে।

কৰা নিয়োগকৰ্তাসকলকো উদগনি আগবঢ়োৱা হৈছে। মূলতঃ চৰকাৰে সমগ্ৰ দেশতে সংস্থাপন বৃদ্ধিৰ বাবে সকলো দিশৰ পৰাই কাম কৰি আছে।

## ৰোজগাৰ মেলাই যুৱক-যুৱতীসকলক চৰকাৰী চাকৰি প্ৰদান কৰে

| কেতিয়া হৈছিল | নিযুক্তি পত্ৰ প্ৰদান |
|---|---|
| ২২ অক্টোবৰ ২০২২ | ৭৫,০০০+ |
| ২২ নৱেম্বৰ ২০২২ | ৭১,০০০+ |
| ২০ জানুৱাৰী ২০২৩ | ৭১,০০০+ |
| ১৩ এপ্ৰিল ২০২৩ | ৭১,০০০+ |
| ১৬ মে’ ২০২৩ | ৭০,০০০+ |
| ১৩ জুন ২০২৩ | ৭০,০০০+ |
| ২২ জুলাই ২০২৩ | ৭০,০০০+ |
| ২৮ আগষ্ট ২০২৩ | ৫১,০০০+ |
| ২৬ ছেপ্টেম্বৰ ২০২৩ | ৫১,০০০+ |
| ২৮ অক্টোবৰ ২০২৩ | ৫১,০০০+ |
| ৩০ নৱেম্বৰ ২০২৩ | ৫১,০০০+ |
| ১২ ফেব্ৰুৱাৰী ২০২৪ | ১,০০,০০০+ |
| ২৯ অক্টোবৰ ২০২৪ | ৫১,০০০+ |
| ২৩ ডিচেম্বৰ ২০২৪ | ৭১,০০০+ |
| ২৬ এপ্ৰিল ২০২৫ | ৫১,০০০+ |
| ১২ জুলাই ২০২৫ | ৫১,০০০+ |
| ২৪ অক্টোবৰ ২০২৫ | ৫১,০০০+ |
| ২৪ জানুৱাৰী ২০২৬ | ৬১,০০০+ |
| ২৩ মে’ ২০২৬ | ৫১,০০০+ |
| ১৯ ছেপ্টেম্বৰ ২০২৬ | ৫১,০০০+ |





## ছেমিকণ্ডাক্টৰ

# উদ্ভাৱন, বিনিয়োগ আৰু বিকাশৰ নতুন সুযোগৰ উন্মেষ

শক্তিশালী অৰ্থনীতি আৰু বিশ্বৰ বিশ্বাসৰ দ্বাৰা পৰিচালিত ভাৰত এক নতুন বিশ্ব উৎপাদন কেন্দ্ৰ (manufacturing hub) হোৱাৰ পথত অগ্ৰসৰ হৈছে। এই যাত্ৰাত অৰ্ধপৰিবাহী উদ্যোগে এটি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিবলৈ সাজু হৈছে। ১৭ ছেপ্টেম্বৰত দিল্লীত অনুষ্ঠিত 'ছেমিকন ইণ্ডিয়া, ২০২৬' কাৰ্য্যসূচীত ভাষণ প্ৰদান কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰতৰ অৰ্ধপৰিবাহী খণ্ড দ্ৰুতগতিত আগবাঢ়িছে বুলি কয়। তেওঁ ভাৰত আৰু বিদেশৰ প্ৰতিভাৱান যুৱক-যুৱতীসকলক আধুনিক প্ৰযুক্তিৰ এনে বিকাশৰ অংশীদাৰ হ'বলৈ আহ্বান জনায়।

২০২২-ত ছেমিকন ইণ্ডিয়াৰ শুভাৰম্ভ হৈছিল। মোহালি আৰু চুৰাটৰ দুটা নতুন প্ৰকল্পত বাণিজ্যিক উৎপাদন আৰম্ভ হৈছে তথা ইয়াত উৎপাদিত চিপ এতিয়া বিশ্বৰ গ্ৰাহকৰ কাষ চাপিছে। ইয়াৰ ফলত অভিলেখ সৃষ্টিৰে কম সময়ৰ ভিতৰতে দেশৰ ভিতৰতে চিপ ডিজাইন, সঁজুলি নিৰ্মাণ আৰু পৰীক্ষণ ক্ষমতাৰ বিকাশ ঘটিছে। ছেমিকন ইণ্ডিয়া, ২০২৬ কাৰ্য্যসূচীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ইয়াৰ সবিশেষ ব্যক্ত কৰি ১৩.৫ বিলিয়ন মাৰ্কিন ডলাৰৰ অৰ্ধপৰিবাহী অভিযানৰ দ্বিতীয় পৰ্য্যায়ৰ কথা ঘোষণা কৰে। তেওঁ আন্তঃৰাষ্ট্ৰীয় কোম্পানী, ষ্টাৰ্টআপ আৰু ডিজাইন ফাৰ্মসমূহৰ মাজত সহযোগিতা প্ৰশস্তকৰণৰ বাবে ডিজাইন কৰা নতুন নিয়ামক সংস্কাৰৰ ওপৰতো আলোকপাত কৰে।



## যোৱা ১৫ দিনৰ সাফল্যৰাজি...

**৩,০০০** কিমি-দৈৰ্ঘ্যৰ সমৰ্পিত ফ্ৰেইট কৰিডৰৰ শুভাৰম্ভ।

- প্ৰথম ত্ৰৈমাসিকত জিডিপি ৭.৮% বৃদ্ধি।
- সদস্য ৰাষ্ট্ৰসমূহৰ সৰ্বসন্মতিক্ৰমে ব্ৰিকছ দিল্লী ঘোষণাপত্ৰ গ্ৰহণ।
- মুম্বাইত অনুষ্ঠিত হোৱা গ্ল'বেল ফিনটেক ফেষ্টত এজেণ্টিক এআই আৰু কোৱাণ্টাম প্ৰযুক্তিৰ জৰিয়তে অন্তৰ্ভুক্ত বিত্তীয় সাহায্যৰ বিষয়ে আলোচনা।

### প্ৰধানমন্ত্ৰী মোদীৰ মন্তব্যৰ উল্লেখযোগ্য দিশ...

মূলতঃ এআই সৃষ্ট চাহিদাৰ ফলশ্ৰুতিত যোৱা দুবছৰত অৰ্ধপৰিবাহী বজাৰখনৰ **২০%** ৰো অধিক বৃদ্ধি ঘটিছে।

- চৰকাৰে এক লাখ অভিযান্ত্ৰিক পাঠ্যক্ৰমৰ ছাত্ৰ-ছাত্ৰীক প্ৰশিক্ষণ প্ৰদানৰ অভিলাষী পৰিকল্পনা গ্ৰহণ কৰিছে; ইয়াৰে ৭০ হাজাৰক প্ৰশিক্ষণ প্ৰদান ইতিমধ্যে সম্পূৰ্ণ হৈছে।
- সৌৰশক্তি ক্ষমতাই এতিয়া ৬০ গিগাৱাট অতিক্ৰম কৰিছে, এয়া এটা দশক পূৰ্বৰ প্ৰায় দুই গিগাৱাটতকৈ অধিক।






সাধাৰণতে এটা অৰ্ধপৰিবাহী বাতাবৰণ স্থাপন কৰিবলৈ কেইবা দশক সময় লাগে যদিও ভাৰতে কম সময়ৰ ভিতৰতে উল্লেখযোগ্য সফলতা লাভ কৰিছে। দেশখনে এই সকলোবোৰ ক্ষেত্ৰতে একে সময়তে কাম কৰিছে...

- চিপ ডিজাইন আৰু উৎপাদন।
- সঁজুলি আৰু কেঁচামালৰ যোগান।
- চিপ পৰীক্ষণ ক্ষমতা।

“ বৰ্তমান ভাৰতত গৱেষণাৰত যুৱ প্ৰতিভাসকল আগবাঢ়ি যোৱা উচিত। বিদেশত গৱেষণা কৰি থকাসকলেও... ভাৰতত উন্নত প্ৰযুক্তিৰ বিকাশ সাধন কাৰ্য্যত যোগদান কৰিব লাগে।

*- নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী*

*প্ৰধানমন্ত্ৰী মোদীৰ সম্পূৰ্ণ অনুষ্ঠান চাবলৈ কিউআৰ ক'ডটো স্কেন কৰক।*




‘উড়ান’ৰ ১০ বছৰ

# সংযোগক উদ্দীপনা...

## আত্মনিৰ্ভৰ ভাৰতক সুদৃঢ়কৰণ

“মই হাৱাই চেণ্ডেল (ফ্লিপ ফ্লপ) পিন্ধা লোকে বিমানত উঠা চাব বিচাৰো।” প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰথমখন উড়ান বিমানৰ শুভাৰম্ভণি অনুষ্ঠানত এইদৰে কৈছিল... আৰু আজি উড়ানৰ পৰিসংখ্যা অনুসৰি ১.৬৮ কোটিৰো অধিক লোকে এই সুলভ মূল্যৰ বিমান সেৱাৰ সুবিধা গ্ৰহণ কৰিছে। ৪ জুলাই, ২০২৬-ত আঁচনিখনৰ এটা সংশোধিত আৰু নতুন পৰ্য্যায়ৰ শুভাৰম্ভ কৰা হয়। আঁচনিখনৰ লক্ষ্য কেৱল ১২০টা নতুন গন্তব্যস্থানত উপনীত হোৱাৰ লগতে ৪ কোটি যাত্ৰীক সেৱা আগবঢ়োৱাই নহয়, বৰঞ্চ ঘৰুৱা মহাকাশ খণ্ড আৰু আত্মনিৰ্ভৰ ভাৰত অভিযানক সুদৃঢ় কৰা...

বৰ্তমানৰ কেন্দ্ৰীয় চৰকাৰখনে স্বাধীনতাৰ পিছত পোন-প্ৰথমবাৰৰ বাবে দেশৰ বিমান নীতি প্ৰণয়ন কৰিছিল। ইয়াৰ পিছত ২০১৬-ৰ ২১ অক্টোবৰত আঞ্চলিক বিমান সংযোগ আঁচনি ‘উড়ান’ (UDAN)- উড়ে দেশ কা আম নাগৰিকত অনুমোদন জনোৱা হৈছিল। ২০১৭-ৰ ২৭ এপ্ৰিলত আঁচনিখনৰ অধীনত প্ৰথমখন বিমানে উৰা মাৰিছিল। এতিয়া আঁচনিখনৰ আৰম্ভণিৰ দহ বছৰ পাৰ হৈ গ’ল। এই দশকটোত উড়ান আঁচনিয়ে ৬৭৯টা পথ কাৰ্য্যকৰী কৰিছে আৰু ৯৫টা বিমানবন্দৰ, হেলিপ’ৰ্ট তথা ৱাটাৰ এৰ’ড্ৰোমক সংযোগ কৰি আঞ্চলিক বিমান সংযোগৰ ক্ষেত্ৰত এক উল্লেখযোগ্য ৰূপান্তৰ সাধন কৰিছে। ২০২৬-ৰ জুলাইলৈকে ১.৬৮ কোটিৰো অধিক যাত্ৰী এই সুলভ মূল্যৰ সেৱাৰ দ্বাৰা উপকৃত হৈছে।

“

আমাৰ চৰকাৰে আগন্তুক বৰ্ষসমূহত সৰু চহৰত ১০০টা নতুন বিমানবন্দৰ আৰু ২০০টা নতুন হেলিপেড নিৰ্মাণৰ পৰিকল্পনাৰে উড়ান আঁচনিখনৰ অধিক সম্প্ৰসাৰণ ঘটাইছে। আঁচনিখনে ভাৰতৰ বিমান পৰিবহণ খণ্ডত এক ৰূপান্তৰশীল পৰিৱৰ্তন সাধন কৰিছে।

*- নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী*

### ভাৰতৰ আকাংক্ষাৰ এক উদযাপন

২০১৬-ৰ ২১ অক্টোবৰত শুভাৰম্ভ কৰা উড়ান আঁচনিয়ে ‘হাৱাই চেপ্পেল’ (ফ্লিপ-ফ্লপ) পিন্ধা লোকসকলক ‘হাৱাই জাহাজ’ (বিমান) ত উৰা মাৰিবলৈ সক্ষম কৰা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দৃষ্টিভংগীক এক ৰাষ্ট্ৰীয় অভিযানলৈ ৰূপান্তৰিত কৰিছে। আঁচনিখনে প্ৰতিজন ভাৰতীয়ৰ বাবে বিমান যাত্ৰাক সহজ আৰু সুলভ কৰি তুলিছে। আজি উড়ান কেৱল এখন সংযোগ আঁচনিয়েই নহয়, বৰঞ্চ এয়া ভাৰতৰ আকাংক্ষাৰাজিৰ এক উদযাপন। এই আঁচনিয়ে কৃষক, ছাত্ৰ-ছাত্ৰী, কাৰিকৰ আৰু ব্যৱসায়ীসকলক নতুন বিকাশৰ সুযোগ প্ৰদান কৰিছে। টায়াৰ-২ আৰু টায়াৰ-৩ চহৰ সমূহৰ পৰা দূৰৱৰ্তী অঞ্চল সমূহলৈকে বিমান পৰিবহণে অৰ্থনৈতিক উন্নয়ন, পৰ্যটন, নিয়োগ আৰু সামাজিক অন্তৰ্ভুক্তিৰ এক শক্তিশালী ইঞ্জিন হিচাপে আত্মপ্ৰকাশ কৰিছে।

### ভাৰতৰ বিমান যাত্ৰাত আন এক মাইলৰ খুঁটি

আঁচনিখনৰ সফলতা আৰু অভিজ্ঞতাৰ আধাৰত ২০২৬-ৰ ২৫ মাৰ্চত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত কেবিনেটে ইয়াৰ এক নতুন সংস্কৰণত অনুমোদন জনাইছিল। ২০২৬-ৰ ৪ এপ্ৰিলত শুভাৰম্ভ হোৱা এই সংশোধিত উড়ান আঁচনিৰ লক্ষ্য হৈছে ৰাষ্ট্ৰজুৰি সমগ্ৰ টায়াৰ-২ আৰু টায়াৰ-৩ চহৰ তথা দূৰৱৰ্তী অঞ্চলসমূহত আঞ্চলিক বিমান সংযোগৰ বৰ্ধন ঘটোৱা। অসামৰিক বিমান পৰিবহণ-চালিত উন্নয়নক ত্বৰান্বিত কৰাৰ বাবে অহা দহ বছৰত প্ৰায় ২৯,০০০ কোটি টকা ব্যয় কৰা হ’ব। আঁচনিখনত বৰ্তমানৰ সেৱাহীন (unserved) এয়াৰষ্ট্ৰীপৰ ১০০টা বিমানবন্দৰৰ উন্নয়ন সাধন তথা পাৰ্বত্য, উত্তৰ-পূৰ্বাঞ্চল আৰু আকাংক্ষী অঞ্চলসমূহত ২০০টা হেলিপ’ৰ্ট স্থাপন কাৰ্য্যক সামৰি লোৱা হৈছে। এই পদক্ষেপে ‘বিকশিত ভাৰত, ২০৪৭’ৰ দৃষ্টিভংগীক বাস্তৱায়িত কৰাৰ ক্ষেত্ৰত উল্লেখযোগ্য অগ্ৰগতি নিশ্চিত কৰিব। এই নতুন পৰ্য্যায়ে অন্তিম-প্ৰান্তৰে সংযোগ সাধন কাৰ্য্যক অধিক সম্প্ৰসাৰিত কৰিব। ইয়াৰ ফলত ‘সবকী উড়ান, সবকা বিকাশ’ৰ দৃষ্টিভংগী দেশৰ প্ৰতিটো প্ৰান্ততে বাস্তৱায়িত হোৱাটো নিশ্চিত হ’ব। ●

আন্তঃৰাষ্ট্ৰীয় অসামৰিক বিমান পৰিবহণ সংস্থাৰ (ICAO) ‘অসামৰিক বিমান পৰিবহণৰ অৰ্থনৈতিক লাভঃ সমৃদ্ধিৰ লহৰ’ শীৰ্ষক এক অধ্যয়ন অনুসৰি বিমান সংযোগৰ বাবে ব্যয় কৰা প্ৰতিটো টকাই ৩.২৫ গুণ অৰ্থনৈতিক প্ৰভাৱ পেলায়, একেদৰে নিয়োগৰ ওপৰত ইয়াৰ প্ৰভাৱ ৬.১ গুণ।

### ‘আত্মনিৰ্ভৰ ভাৰত’ অভিযানক সুদৃঢ়কৰণ

উড়ান আঁচনিৰ নতুন পৰ্য্যায়ত প্ৰত্যন্ত আৰু দুৰ্গম অঞ্চলসমূহৰ বাবে দুখন ‘ধ্ৰুৱ’ হেলিকপ্টাৰ আৰু দুখন ‘ডৰ্নিয়েৰ’ বিমান ক্ৰয় কৰা হ’ব। ইয়াৰ দ্বাৰা ‘আত্মনিৰ্ভৰ ভাৰত’ পদক্ষেপৰ অধীনত সৰু বিমানৰ নাটনি দূৰ হ’ব আৰু দেশৰ বিমান উদ্যোগক এক উদ্দীপনা যোগোৱা হ’ব। আঞ্চলিক পথসমূহত বিমান সেৱাৰ দীৰ্ঘ-ম্যাদী বহনক্ষমতা নিশ্চিত কৰিবলৈ আৰু যাত্ৰীৰ সংখ্যা বৃদ্ধি কৰিবলৈ আঁচনিখনত ভায়েবিলিটি গেপ ফাণ্ডিং (VGF) সমৰ্থন পাঁচ বছৰলৈ সম্প্ৰসাৰিত কৰাৰ ব্যৱস্থা অন্তৰ্ভুক্ত কৰা হৈছে।





অন্নপূৰ্ণা আঁচনিৰ অধীনত ৩,০০০ টকাৰ ৪ৰ্থ কিস্তি মুকলি

# বংগৰ মহিলাসকলৰ বাবে নতুন শক্তি

চলিত বৰ্ষৰ ৪ মে'ত পশ্চিম বংগই ৰূপান্তৰৰ এক নতুন পথ বাছি লৈছিল আৰু এই প্ৰক্ৰিয়াত মহিলাসকলে এটি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। মহিলাসকলক আত্ম-নিৰ্ভৰ কৰি তোলা আৰু তেওঁলোকৰ জীৱন-যাত্ৰাক সহজ কৰি তোলাৰ লক্ষ্যৰে আঁচনিসমূহ দ্ৰুতগতিত ৰূপায়ণ কৰিবলৈ কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে একেলগে কাম কৰি আছে...

গৃহস্থী এখনত মাতৃ আৰু ভগ্নীসকলে একাধিক দায়িত্ব পালন কৰে। এগৰাকী মহিলাই সম্ভৱপৰ সকলো ধৰণেৰে নিজৰ পৰিয়ালৰ যত্ন লয়। ঘৰ এখনৰ অত্যাৱশ্যকীয় ব্যয়ৰ প্ৰতি উদ্বিগ্নতা কমি যোৱা মাত্ৰকে তেওঁলোকৰ আত্ম-বিশ্বাস অধিক বৃদ্ধি পায়। এই উদ্দেশ্যেৰেই পশ্চিমবংগ চৰকাৰে অন্নপূৰ্ণা আঁচনিৰ শুভাৰম্ভ কৰিছিল। আঁচনিখনৰ অধীনত ১৭ ছেপ্টেম্বৰত ১.৫ কোটি মহিলাৰ একাউণ্টলৈ ৩,০০০ টকাকৈ হস্তান্তৰ কৰা হয়। এই কাৰ্য্যসূচীত ভাষণ প্ৰদান কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে বংগৰ মহিলাসকলৰ আত্ম-বিশ্বাস বৃদ্ধিৰ বাবে এয়া এক উল্লেখযোগ্য প্ৰচেষ্টা। চৰকাৰৰ লক্ষ্য হৈছে এগৰাকীও যোগ্য মহিলা যাতে আঁচনিখনৰ সুবিধা লাভৰ পৰা বঞ্চিত হ'বলগীয়া নহয় সেয়া নিশ্চিত কৰা। এগৰাকী মাতৃয়ে এই ধনেৰে সন্তানৰ শিক্ষাৰ খৰচ বহন কৰিব পাৰে; এগৰাকী ভগ্নীৰ বাবে এয়া ঔষধ বা ঘৰুৱা অত্যাৱশ্যকীয় সামগ্ৰী ক্ৰয়ৰ উপায় হ'ব পাৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে বংগৰ মহিলাসকলৰ প্ৰতি আমাৰ দৃষ্টিভংগী হৈছে তেওঁলোকেও সিদ্ধান্ত-গ্ৰহণৰ ক্ষমতা আহৰণ কৰা আৰু সাহসেৰে আগুৱাই যোৱাটো নিশ্চিত কৰা। এই ক্ষেত্ৰত অন্নপূৰ্ণা আঁচনিয়ে এটি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। নতুন চৰকাৰখনৰ অগ্ৰাধিকাৰ প্ৰদানৰ মূল বিষয় হৈছে বংগৰ মহিলাসকলৰ জীৱন-যাত্ৰাক সহজ কৰি তোলা আৰু তেওঁলোকৰ 'ইজ অৱ লিভিং'ৰ বৰ্ধন ঘটোৱা। সেয়েহে আমি কথা কম, কাজ বেছি-ৰ পথ প্ৰদৰ্শক নীতি গ্ৰহণ কৰিছো.. অৰ্থাৎ কথা কমকৈ কোৱা, কাম বেছিকৈ কৰা। ঠিক এই মানসিকতাৰেই অন্নপূৰ্ণা আঁচনিৰ শুভাৰম্ভ কৰা হৈছে।

## সৰ্বোচ্চ অগ্ৰাধিকাৰঃ জীৱনচক্ৰৰ প্ৰতিটো প্ৰত্যাহ্বানেৰে মোকাবিলা

| | |
|---|---|
| গৰ্ভাৱস্থাত পুষ্টি যোগান | মাতৃ বন্দনা যোজনা |
| কন্যা ভ্ৰূণহত্যা নিষেধ | বেটি বচাও-বেটি পঢ়াও |
| টয়লেটৰ অভাৱত বিদ্যালয় এৰা ঘটনাৰ অৱসান | লাখ-লাখ টয়লেট নিৰ্মাণ |
| কন্যাসকলৰ নিৰন্তৰ শিক্ষা সুনিশ্চিতকৰণ | সুকন্যা সমৃদ্ধি যোজনা |
| কন্যাৰ বাবে সৈনিক বিদ্যালয়ৰ দুৱাৰ মুকলি | সৈনিক বিদ্যালয়ৰ দুৱাৰ মুকলি |
| কন্যাসকলক নিজাকৈ উদ্যোগ (ventures) আৰম্ভ কৰিবলৈ সক্ষমকৰণ | মুদ্ৰা যোজনাৰ জৰিয়তে জামিন-বিহীন (Collateral-free) ঋণ |
| মাতৃত্বৰ পিছতো কৰ্মসংস্থাপন অব্যাহত | বৰ্ধিত প্ৰসূতিকালীন ছুটী |
| গাঁৱৰ জীয়ৰীসকলৰ বাবে উপাৰ্জনৰ নতুন সুযোগ | আত্ম-সহায়ক গোট |
| পাকঘৰৰ ধোঁৱাৰ পৰা সকাহ | উজ্জ্বালা গেছ সংযোগ |
| ঘৰতে পানীৰ সুবিধা | 'হৰ ঘৰ নল ছে জল' আঁচনি |
| আন্ধাৰৰ পৰা মুক্তি | সৌভাগ্য যোজনাৰ অধীনত বিনামূলীয়া বিদ্যুৎ সংযোগ |
| আৰ্থিক চিন্তা অবিহনে স্বাস্থ্যসেৱাৰ সুবিধা | আয়ুষ্মান কাৰ্ড |
| বেংকিং সেৱাৰ সুবিধা | জন ধন যোজনা |
| ঘৰুৱা সম্পত্তিৰ অধিকাৰ | পিএম আৱাস যোজনা |





"মাতৃ, ভগ্নী আৰু কন্যাসকলৰ জীৱনচক্ৰৰ সৈতে জড়িত প্ৰতিটো সমস্যা সমাধান কৰাটো সৰ্বোচ্চ অগ্ৰাধিকাৰৰ বিষয় হৈ আহিছে। আমি সকলোৱে মিলি এখন নতুন বংগ গঢ়িম। এখন বিকশিত বংগৰ শক্তিৰে এখন বিকশিত ভাৰতৰ সংকল্প অধিক শক্তিশালী হৈ উঠিব।

*- নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী*

চৰকাৰখনে কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ মাত্ৰ কেইদিনমানৰ ভিতৰতে আঁচনিখনৰ কাম আৰম্ভ কৰা হৈছে। ভালে সংখ্যক মহিলাৰ বেংক একাউণ্টত টকা সোমাবলৈ আৰম্ভ কৰিছে। কোনো ধৰণৰেই 'টকাৰ কৰ্তন' নহয়, কোনো মধ্যভোগী নাই। এতিয়া আৰু বংগত টকাৰ কৰ্তন নহয়... (এখন বাংলাই কাট মানি চলে না)।

### নতুনকৈ ৫ নিযুত দৰিদ্ৰ পৰিয়ালে স্থায়ী গৃহ লাভ কৰিব

বিগত ১২ বছৰত অৰ্থাৎ পূৰ্বৰ চৰকাৰৰ দিনত কেন্দ্ৰীয় চৰকাৰৰ ভিন্ন আঁচনিয়ে সময়মতে বংগক স্পৰ্শ নকৰাৰ পৰিপ্ৰেক্ষিতত দৰিদ্ৰ পৰিয়ালসমূহে দুৰ্ভোগ ভুগিবলগীয়া হৈছিল। এতিয়া এই স্থবিৰ হৈ থকা আঁচনিসমূহক ক্ষিপ্ৰতাৰে ৰূপায়ণ কৰা হৈছে।

বংগত নতুন চৰকাৰ গঠনৰ পাছতেই পিএম আৱাস যোজনাৰ অধীনত স্থায়ী গৃহ আগবঢ়াবলৈ এনে ৫ নিযুতৰো অধিক দৰিদ্ৰ পৰিয়ালক চিনাক্ত কৰা হৈছে। ইয়াত প্ৰধানমন্ত্ৰী বিশ্বকৰ্মা যোজনাও ৰূপায়ণ কৰা হৈছে। বংগত প্ৰতিখন ৰূপায়ণ নোহোৱা আঁচনি আৰু স্থবিৰ হৈ পৰা প্ৰকল্পই এতিয়া নতুন গতি লাভ কৰিছে।

*প্ৰধানমন্ত্ৰী মোদীৰ সম্পূৰ্ণ কাৰ্য্যসূচী চাবলৈ কিউআৰ ক'ডটো স্কেন কৰক।*

‘পৰিৱেশ আৰু জলবায়ু গতিশীলতাৰ ভৱিষ্যৎ’ শীৰ্ষক আন্তঃৰাষ্ট্ৰীয় সন্মিলন

# উন্নয়নৰ সমান্তৰালকৈ পৰিৱেশ সংৰক্ষণ

ভাৰতে শক্তিশালী নীতি গ্ৰহণৰ জৰিয়তে উন্নয়ন আৰু পাৰিপাৰ্শ্বিক বহনক্ষমতাই সহাৱস্থান কৰিব পৰাৰ দৃষ্টান্ত দাঙি ধৰিছে। বিগত দশকটোত দেশখনে পৰিৱেশ-সম্পৰ্কীয় প্ৰতিটো ক্ষেত্ৰতে অভূতপূৰ্ব অগ্ৰগতি লাভ কৰিছে। ইয়াৰ ফলত ভাৰত নিৰ্ধাৰিত সময়ৰ পূৰ্বেই পেৰিছ চিঅ'পি-২ৰ চুক্তিয়ে নিৰ্ধাৰণ কৰা লক্ষ্যত উপনীত হোৱা একমাত্ৰ জি-২০ ৰাষ্ট্ৰ হিচাপে পৰিগণিত হ'ল। ১৯ ছেপ্টেম্বৰত ‘পৰিৱেশ আৰু জলবায়ু পৰিৱৰ্তনৰ ভৱিষ্যৎ’ শীৰ্ষক আন্তঃৰাষ্ট্ৰীয় সন্মিলনৰ উদ্বোধনী অনুষ্ঠানত ভাষণ প্ৰদান কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে ভাৰতৰ জনমূৰি কাৰ্বন নিৰ্গমন বৰ্তমান বিশ্বৰ গড়ৰ আধাতকৈও কম।

কাৰ্বন ফুট প্ৰিণ্ট সম্পৰ্কীয় বিশ্বজোৰা এক সাধাৰণ ভুল ধাৰণা সন্দৰ্ভত প্ৰধানমন্ত্ৰী মোদীয়ে আঙুলিয়াই দিয়ে যে ইয়াৰ বাবে উন্নয়নশীল ৰাষ্ট্ৰসমূহক প্ৰায়ে অন্যায়ভাৱে দোষাৰোপ কৰা হয়। তেওঁ কয় যে উন্নত ৰাষ্ট্ৰসমূহে ভাৰততকৈ জনমূৰি ছগুণ বেছি কাৰ্বন নিৰ্গমন কৰে। বিশ্বক লগত লৈ ভাৰতে পৰিৱেশ সংৰক্ষণৰ বাবে নতুন মাপকাঠি নিৰ্ধাৰণ কৰিছে। দেশখনে অ-জীৱাশ্ম ইন্ধন আৰু সৌৰশক্তি ক্ষমতাৰ ক্ষেত্ৰত বিশ্ব-মান স্থাপন কৰিছে।






## স্বচ্ছ শক্তি

যোৱা **১২** বছৰত সৌৰশক্তিৰ ক্ষমতা ২ গিগাৱাটৰ পৰা ১৬০ গিগাৱাটৰো অধিকলৈ বৃদ্ধি পাইছে।

**৩** লাখ কৃষকে কুসুম (KUSUM) আঁচনিৰ অধীনত সৌৰ পাম্প লাভ কৰিছে।

**৫০** লাখ পৰিয়ালক সৌৰশক্তিৰ সৈতে সংযোজিত কৰা হৈছে, আৰু প্ৰতিটো পৰিয়ালে ৮০,০০০ টকালৈকে আৰ্থিক সাহায্য লাভ কৰিছে।

**২০** কোটি টন 'এক দেশ-এক গ্ৰিড' পদক্ষেপৰ জৰিয়তে কাৰ্বন নিৰ্গমন হ্ৰাস কৰা হৈছে।

- চৰকাৰৰ প্ৰচেষ্টাৰ ফলত অ-জীৱাশ্ম শক্তিৰ ক্ষমতা চাৰিগুণ বৃদ্ধি পাইছে।



## স্বচ্ছ আৰু আধুনিক পৰিবহণ

- দেশৰ প্ৰথমখন হাইড্ৰ'জেন ৰেলে স্বচ্ছ আৰু সেউজ পৰিবহণৰ দিশত এক বৃহৎ সাফল্য কঢ়িয়াই আনিছে।
- যোৱা বছৰ বৈদ্যুতিক বাহনৰ বিক্ৰী ২৫ লাখত উপনীত হৈছিল; ২০১৪ চনৰ আগতে এই সংখ্যা আছিল ৩,০০০-তকৈয়ো কম - যি ৯৫০ গুণ বৃদ্ধিক প্ৰতিনিধিত্ব কৰে।

বৰ্তমান ২০ খনৰো অধিক চহৰত মেট্ৰ' নেটৱৰ্ক আছে, য'ত ২০১৪ চনত এই সুবিধা কেৱল পাঁচখন চহৰতহে সীমাবদ্ধ আছিল।





*প্ৰধানমন্ত্ৰী মোদীৰ সম্পূৰ্ণ অনুষ্ঠানটো চাবলৈ কিউ আৰ (QR) ক'ড স্কেন কৰক।*

"যোৱা ১২ বছৰত ভাৰতে পৰিৱেশৰ সৈতে জড়িত প্ৰতিটো খণ্ডতে অসাধাৰণ অগ্ৰগতি লাভ কৰিছে। আমাৰ প্ৰধান গুৰুত্ব নবীকৰণযোগ্য শক্তিৰ ওপৰত আৰোপ কৰা হৈছে, আৰু ই পৰিৱেশ সুৰক্ষাত এক বৃহৎ ভূমিকা পালন কৰিছে।

*- নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী*

## জল সংৰক্ষণৰ পৰা প্ৰাকৃতিক কৃষিলৈ

- জল সংৰক্ষণ: 'কেটছ দ্য ৰেইন' অভিযানৰ অধীনত ৭০,০০০ৰো অধিক 'অমৃত সৰোবৰ' আৰু ১.৫ কোটি বৰষুণৰ পানী সংৰক্ষণৰ গাঁথনি নিৰ্মাণ।
- 'প্ৰধানমন্ত্ৰী কৃষি জলসিঞ্চন যোজনা' আৰু 'পাৰ ড্ৰপ, মোৰ ক্ৰপ' পদক্ষেপৰ পৰা ২ কোটিৰো অধিক কৃষক উপকৃত হৈছে।
- ৰাষ্ট্ৰীয় প্ৰাকৃতিক কৃষি মিছনৰ অধীনত ১২.৫ লাখ হেক্টৰ ভূমি সামৰি ২৪,০০০ প্ৰাকৃতিক কৃষি ক্লাষ্টাৰ স্থাপন।
- ৩,০০০ বিধ জলবায়ু-সহনশীল শস্যৰ প্ৰজাতিৰ বিকাশ।
- যোৱা ১২ বছৰত ঘন বনাঞ্চলৰ পৰিমাণ ২২%-ৰো অধিক বৃদ্ধি।



ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৰ দ্বাৰা ৭২ সংখ্যক ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা প্ৰদান

# ভাৰতীয় চলচ্চিত্ৰৰ ভৱিষ্যতৰ সম্ভাৱনাসমূহ

২০২৪ চনৰ ২২ ছেপ্টেম্বৰত ভাৰতৰ ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে গুজৰাটৰ কেৱড়িয়াৰ একতা নগৰত অনুষ্ঠিত এক অনুষ্ঠানত ৭২ সংখ্যক ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা প্ৰদান কৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে ভাৰতীয় চলচ্চিত্ৰলৈ আগবঢ়োৱা অসাধাৰণ অৱদানৰ বাবে দাদাচাহেব ফাল্কে বঁটা লাভ কৰা প্ৰবীণ অভিনেতা অনন্ত নাগকে ধৰি কেইবাগৰাকীও বিজয়ীক বঁটা প্ৰদান কৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে বঁটা বিজয়ীসকলক তেওঁলোকৰ প্ৰতিভা, নিষ্ঠা আৰু কঠোৰ পৰিশ্ৰমৰ বাবে অভিনন্দন জ্ঞাপন কৰে আৰু লগতে উল্লেখ কৰে যে ভাৰতীয় চলচ্চিত্ৰই ভাৰতৰ জনসাধাৰণৰ সপোন, পৰম্পৰা, সংগ্ৰাম আৰু ভৱিষ্যতৰ সম্ভাৱনাক মূৰ্ত কৰি তোলে।



### এজন প্ৰকৃত তাৰকাই পোহৰ কঢ়িয়াই আনে, অন্ধকাৰ নহয়

জনপ্ৰিয় শিল্পীসকলৰ প্ৰভাৱৰ ওপৰত, বিশেষকৈ শিশু আৰু যুৱপ্ৰজন্মৰ ওপৰত থকা প্ৰভাৱৰ কথা উল্লেখ কৰি ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে সফল শিল্পীসকলক এক শৃংখলাবদ্ধ জীৱনশৈলীৰ উপকাৰিতাক প্ৰসাৰিত কৰিবলৈ আৰু স্বাস্থ্যৰ বাবে ক্ষতিকাৰক সামগ্ৰীৰ প্ৰচাৰৰ পৰা বিৰত থাকিবলৈ আহ্বান জনায়। এজন প্ৰকৃত তাৰকাই পোহৰ কঢ়িয়াই আনে, অন্ধকাৰ নহয়।

### ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা দেশৰ শ্ৰেষ্ঠ পৰ্যটনস্থলীত আয়োজন কৰা হ'ব

কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দৃষ্টিভংগীৰ দ্বাৰা অনুপ্ৰাণিত হৈ ৰাষ্ট্ৰীয়

## একতা নগৰত (দিল্লীৰ বাহিৰত) অনুষ্ঠিত চলচ্চিত্ৰ বঁটা প্ৰদান অনুষ্ঠান

**৭২ সংখ্যক ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাৰ বাবে:**

**৩৪** টা ভাষাত ৪০০খন পূৰ্ণদৈৰ্ঘ্যৰ চলচ্চিত্ৰৰ প্ৰৱিষ্টি আৰু

**২৪** টা ভাষাত ১৬১খন অ-পূৰ্ণদৈৰ্ঘ্যৰ চলচ্চিত্ৰৰ প্ৰৱেশ আবেদন লাভ কৰা হৈছিল।

- ২২টা পূৰ্ণদৈৰ্ঘ্যৰ চলচ্চিত্ৰ আৰু ২৩টা অ-পূৰ্ণদৈৰ্ঘ্যৰ চলচ্চিত্ৰ শিতানত বঁটাসমূহ প্ৰদান কৰা হৈছিল।
- সাংস্কৃতিক প্ৰকাশ আৰু গোলকীয় কাহিনী কথনৰ এক শক্তিশালী মাধ্যম হিচাপে ভাৰতীয় চলচ্চিত্ৰৰ বিকাশ অব্যাহত আছে।
- দিল্লীৰ বাহিৰত - একতা নগৰত ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা আয়োজন কৰাটো চৰ্দাৰ বল্লভভাই পেটেলৰ দৃষ্টিভংগী আৰু ৰাষ্ট্ৰীয় একতাৰ প্ৰতি থকা দায়বদ্ধতাৰ দ্বাৰা অনুপ্ৰাণিত এক গুৰুত্বপূৰ্ণ পদক্ষেপ।

*Scan the QR code to watch the full schedule of the 72nd National Film Awards.*





- মামুট্টি (ভ্ৰময়ুগমৰ বাবে) আৰু কাৰ্তিক আৰিয়ানে (চন্দু চেম্পিয়নৰ বাবে) যুটীয়াভাৱে মুখ্য চৰিত্ৰৰ শ্ৰেষ্ঠ অভিনেতাৰ বঁটা লাভ কৰে।

- 'আৰ্টিকল ৩৭০' ছবিখনৰ বাবে য়ামী গৌতমে মুখ্য চৰিত্ৰৰ শ্ৰেষ্ঠ অভিনেত্ৰীৰ বঁটা লাভ কৰে।
- 'আৰ্টিকল ৩৭০'-এ শ্ৰেষ্ঠ পূৰ্ণদৈৰ্ঘ্যৰ চলচ্চিত্ৰৰ বঁটা লাভ কৰে।
- 'ভক্ষক' ছবিখনৰ বাবে সঞ্জয় মিশ্ৰক শ্ৰেষ্ঠ পাৰ্শ্ব অভিনেতা হিচাপে নিৰ্বাচিত কৰা হয়।
- শ্ৰেষ্ঠ পাৰ্শ্ব অভিনেত্ৰীৰ বঁটা 'মহাৰাজ' ছবিখনৰ বাবে সচানা নামিদাস আৰু 'মিথ্যা' ছবিখনৰ বাবে ৰূপশ্ৰী বৰকাদিক যুটীয়াভাৱে প্ৰদান কৰা হয়।
- 'কল্কি ২৮৯৮ এডি' ছবিখনক সম্পূৰ্ণ মনোৰঞ্জন প্ৰদান কৰা শ্ৰেষ্ঠ জনপ্ৰিয় চলচ্চিত্ৰ হিচাপে ঘোষণা কৰা হয়।



- 'স্বতন্ত্ৰ বীৰ চাভাৰকাৰ' ছবিখনৰ বাবে ৰণদীপ হুডাই শ্ৰেষ্ঠ নৱাগত পৰিচালকৰ বঁটা লাভ কৰে।

চলচ্চিত্ৰ বঁটা দেশৰ শ্ৰেষ্ঠ পৰ্যটনস্থলীসমূহলৈ লৈ যোৱা হৈছে। প্ৰধানমন্ত্ৰীৰ দৃষ্টিভংগীৰ সৈতে সংগতি ৰাখি, ইয়াৰ উদ্দেশ্য হৈছে ৰাষ্ট্ৰীয় অনুষ্ঠানসমূহক পৰম্পৰাগত স্থানৰ বাহিৰলৈ নি সমগ্ৰ দেশৰ বিভিন্ন স্থানৰ সৈতে সংযোগ কৰা। তেওঁ ৰাজ্যসমূহক ভৱিষ্যতৰ ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা আয়োজনৰ বাবে নিজৰ শ্ৰেষ্ঠ পৰ্যটনস্থলীসমূহৰ প্ৰস্তাৱ দিবলৈ আহ্বান জনায়। এই পদক্ষেপে সুনিশ্চিত কৰে যে ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা কেৱল সন্মিলন কক্ষতে আৱদ্ধ নাথাকিব, বৰঞ্চ ই সাধাৰণ জনতাৰ কাষ পাব।



## ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাক আড়ম্বৰপূৰ্ণভাৱে আদৰণি জনালে গুজৰাটে

গুজৰাটত অনুষ্ঠিত এই অনুষ্ঠানে ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাৰ যাত্ৰাত এক নতুন অধ্যায়ৰ সূচনা কৰিলে। দিল্লীৰ বাহিৰত ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা আয়োজন কৰাৰ নতুন পৰম্পৰা আৰম্ভ কৰাৰ বাবে গুজৰাটৰ ৰাজ্যপাল আচাৰ্য দেৱব্ৰতে তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ক ধন্যবাদ জ্ঞাপন কৰে। তেওঁ কয় যে চৰ্দাৰ বল্লভভাই পেটেলৰ ঐতিহ্য আৰু দৃষ্টিভংগীৰ সৈতে জড়িত এখন ঠাই কেৱাডিয়াৰ একতা নগৰত এই মৰ্যাদাপূৰ্ণ বঁটা প্ৰদান অনুষ্ঠানৰ আয়োজন কৰিবলৈ পোৱাটো গুজৰাটৰ বাবে গৌৰৱৰ বিষয়।






**কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ দ্বাৰা বৰাপুল্লা পৰ্যায়-৩ এলিভেটেড কৰিডৰ উদ্বোধন**

# ৰাজধানীৰ সংযোগ ব্যৱস্থালৈ নতুন গতি

২০৪৭ চনৰ ভিতৰত ভাৰত এখন উন্নত ৰাষ্ট্ৰলৈ পৰিণত হোৱাৰ দিশে আগবাঢ়িছে আৰু ৰাজধানী দিল্লীয়ে এই উন্নয়নৰ যাত্ৰাক প্ৰতিফলিত কৰিছে। এই দৃষ্টিভংগীৰে কেন্দ্ৰীয় চৰকাৰে ইয়াত আন্তঃগাঁথনি সম্প্ৰসাৰণৰ কাম অব্যাহত ৰাখিছে। এই পদক্ষেপৰ অংশ হিচাপে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ২৯ ছেপ্টেম্বৰত বৰাপুল্লা পৰ্যায়-৩ কৰিডৰ উদ্বোধন কৰে। ইয়াৰ ফলত দিল্লী আৰু ইয়াৰ আশে-পাশে থকা অঞ্চলৰ জনসাধাৰণক নীৰবচ্ছিন্ন সংযোগ প্ৰদান কৰাৰ লগতে ইন্ধন আৰু সময়ো ৰাহি হ'ব।

## দিল্লীৰ উন্নয়ন যাত্ৰাত এক গুৰুত্বপূৰ্ণ অধ্যায়

ৰাষ্ট্ৰীয় ৰাজধানীৰ উন্নয়ন যাত্ৰাত আন এক গুৰুত্বপূৰ্ণ অধ্যায় সংযোজন হয় যেতিয়া কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহে ১,৯৪১ কোটি টকাৰো অধিক মূল্যৰ উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন কৰাৰ লগতে আধাৰশিলা স্থাপন কৰে।

- দীৰ্ঘদিন ধৰি ওলমি থকা বৰাপুল্লা এলিভেটেড পথৰ তৃতীয় পৰ্যায় এতিয়া দিল্লীবাসীৰ নামত উছৰ্গা কৰা হৈছে।
- ইয়াৰ ফলত ময়ূৰ বিহাৰ প্ৰথম পৰ্যায়ৰ পৰা এইমছলৈ চিগনেলমুক্ত যাতায়াত সম্ভৱ হ'ব। যান-জঁট হ্ৰাস পাব, সময় ৰাহি হ'ব আৰু লাখ লাখ লোকৰ দৈনিক যাতায়াত অধিক সহজ হৈ পৰিব।
- মুকাৰবা চ'ক আণ্ডাৰপাছৰ লগতে মোডী মিল-সাৱিত্ৰী চিনেমা উৰণীয়া সেতু আৰু লোনি আণ্ডাৰপাছেও দিল্লীৰ সংযোগ ব্যৱস্থাক যথেষ্ট সুদৃঢ় কৰিব।
- সময় ৰাহি কৰিবলৈ, যাতায়াত সুচল কৰিবলৈ আৰু জীৱন ধাৰণৰ মান উন্নত কৰিবলৈ দ্ৰুতগতিত কাম চলি আছে।



PMO India
@PMOIndia

Free Trade Agreements हमारे युवाओं के लिए संभावनाओं के नए द्वार बना रहे हैं।

इस तरह के trade agreements से हमारे entrepreneurs के लिए नई partnerships के रास्ते खुलते हैं, नए markets के रास्ते खुलते हैं और हमारे युवाओं के लिए career में नई possibilities बनती हैं: PM @narendramodi



Rajnath Singh @rajnathsingh

तकनीक को आम नागरिक की ज़िंदगी का हिस्सा बनाकर जीवन आसान बनाना ही मोदी जी का विज़न है।

जनधन, UPI, आयुष्मान भारत और 5G नेटवर्क जैसी पहलों के माध्यम से प्रधानमंत्री @narendramodi जी ने भारत को 'विकसित भारत' के संकल्प की ओर तेज़ी से आगे बढ़ाया है। उनके इन प्रयासों ने जनविश्वास को और मजबूत किया है।



Amit Shah
@AmitShah

आने वाले दिनों में नशामुक्त मित्र देश के 10 लाख स्कूलों, कॉलेजों और शिक्षण संस्थानों तक पहुंचकर युवाओं को जागरूक करेंगे।



Nitin Gadkari @nitin_gadkari

Under the visionary leadership of Hon'ble Prime Minister Shri @narendramodi Ji, Ayushman Bharat has emerged as a transformative force in India's healthcare journey, ensuring that quality healthcare is more accessible, affordable and people-centric.



Nirmala Sitharaman Office
@nsitharamanoffc

In 2014, Hon'ble PM Shri @narendramodi opened the doors of banking to everyone through PM Jan Dhan accounts, without requiring a minimum balance.

In 2015, PM MUDRA Yojana enabled small entrepreneurs to access loans without collateral.

By repaying their loans on time, beneficiaries have been able to access higher amounts, strengthen their credit profiles and build greater credibility with banks.

Today, many are growing their businesses and accessing regular banking facilities.



Kiren Rijiju
@KirenRijiju

Union Cabinet, under the leadership of Hon'ble PM Shri @narendramodi ji, approves enhancement of the wage ceiling for mandatory #EPFO coverage from ₹15,000 to ₹25,000 per month.
The decision is expected to bring 51 lakh+ additional employees under mandatory EPFO coverage.

## Modi pays tributes to legendary poet 'Dinkar'



## Ayushman Bharat @8: 60cr citizens covered

13Cr Availed Scheme, 48.5Cr Cards Created



## Even At Peak of Power, Keep Service Above Self: PM to Youth



## Nat'l film awards will now be at tourist destinations: Vaishnaw



## Centre signs MoUs with 21 States for next phase of UDAN

## PM chairs ministers' meet with reforms agenda on the table



আজাদ হিন্দ চৰকাৰৰ ৮৩ সংখ্যক প্ৰতিষ্ঠা দিৱস

২১ অক্টোবৰ ২০২৬

# আজাদ হিন্দ ফৌজ

## প্ৰথম সামৰিক অভিযানৰ নেতৃত্ব দিছিল

*নেতাজী সুভাষ চন্দ্ৰ বসু ভাৰতীয় স্বাধীনতা সংগ্ৰামৰ এনে এজন বীৰ যিয়ে প্ৰতিখন হৃদয়তে দেশপ্ৰেমৰ জোৱাৰ তোলে। যুৱপ্ৰজন্মক সংগঠিত কৰি তেওঁ আজাদ হিন্দ ফৌজৰ জৰিয়তে প্ৰথমটো সামৰিক অভিযান আৰম্ভ কৰিছিল। ১৯৪৩ চনতেই আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জত ত্ৰিৰংগা উত্তোলন কৰি তেওঁ স্বাধীন ভাৰতৰ কথা ঘোষণা কৰিছিল। আজাদ হিন্দ ফৌজৰ জৰিয়তে নেতাজীয়ে বিপ্লৱীসকলৰ হৃদয়ত এক দৃঢ় বিশ্বাস জগাই তুলিছিল যে দেশবাসীয়ে নিজৰ সৈন্যবাহিনী আৰু সামৰিক অভিযানৰ জৰিয়তে স্বাধীনতা লাভ কৰিব পাৰে।*





- নেতাজী সুভাষ চন্দ্ৰ বসুৱে ১৯৪৩ চনৰ ২১ অক্টোবৰত আজাদ হিন্দ চৰকাৰ প্ৰতিষ্ঠা কৰিছিল। এই চৰকাৰে বেংক, মুদ্ৰা আৰু ডাক টিকটো প্ৰৱৰ্তন কৰিছিল।
- নেতাজী সুভাষ চন্দ্ৰ বসুৱে ঝান্সীৰ ৰাণী ৰেজিমেণ্ট প্ৰতিষ্ঠা কৰি সশস্ত্ৰ বাহিনীত মহিলাসকলৰ বাবে সমান সুযোগৰ ভেটি স্থাপন কৰিছিল।



“ নেতাজীৰ কেৱল এটাই উদ্দেশ্য, এটাই লক্ষ্য আছিল-ভাৰতৰ স্বাধীনতা। ভাৰত মাতৃক দাসত্বৰ শিকলিৰ পৰা মুক্ত কৰা। এয়াই আছিল তেওঁৰ আদৰ্শ, আৰু এয়াই আছিল তেওঁৰ কৰ্মক্ষেত্ৰ।

*নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী*


নিউ ইণ্ডিয়া
সমাচাৰ
পষেকীয়া

আৰ এন আই, DELHIN/2020/78811, ১৬-৩১ অক্টোবৰ, ২০২৬
RNI পঞ্জীয়ন নং DELENG/2020/78811 (Publishing Date: 1 October, 2026, Pages-46)

EDITOR IN CHIEF
Dhirendra Ojha
Principal Director General
Press Information Bureau, New Delhi

PUBLISHER:
Kanchan Prasad
Director General, on behalf of
Central Bureau Of Communication

PUBLISHED FROM:
Room No–278, Central Bureau Of
Communication, 2nd Floor, Soochna
Bhawan, New Delhi -110003